# ৪.০৩ অসমীয়া বিভাগ

অসমীয়া বিভাগ নৰ্থ লখিমপুৰ কলেজৰ আটাইতকৈ পুৰণি বিভাগসমূহৰ ভিতৰত অন্যতম। ১৯৫২ চনত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সময়তে এই বিভাগো আৰম্ভ কৰা হয়। সেই সময়ৰ শৈক্ষিক বিধি অনুসৰি অসমৰ যিকোনো মহাবিদ্যালয়ত ইংৰাজী আৰু অসমীয়া বিভাগ থকাটো বাঞ্চনীয় আছিল। প্ৰতিষ্ঠাৰ বছৰটোতে অসমীয়া বিভাগৰ অবৈতনিক অধ্যাপক হিচাপে যোগদান কৰে বুধীন্দ্ৰ নাথ বৰুৱাই। সেই সময়ত তেওঁ লখিমপুৰ মহকুমাৰ বিদ্যালয়সমূহৰ অতিৰিক্ত উপ-পৰিদৰ্শক হিচাপে কৰ্মৰত আছিল। নৰ্থ লখিমপুৰ কলেজখন প্ৰথমতে ইণ্টাৰমেডিয়েট আৰ্টচ (বৰ্তমানৰ উচ্চতৰ মাধ্যমিক) কলেজ হিচাপে প্ৰতিষ্ঠিত হৈছিল। অসমীয়া বিভাগটোতো অধ্যাপকৰ পাঠদান ইণ্টাৰমেডিয়েট ক্লাছতে সীমাবদ্ধ আছিল। ১৯৫৩ চনত নিয়মীয়া অধ্যাপক হিচাপে বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে যোগদান কৰে। সেইটো বছৰতে বুধীন্দ্ৰনাথ বৰুৱাই কামৰপৰা অব্যাহতি লয়। বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে ১৯৫৪ চনত কলেজৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰে। সমান্তৰালভাৱে তেওঁ অসমীয়া বিষয়ৰো পাঠদান কৰি থাকে। ১৯৫৮ চনত তেওঁ অসম প্ৰকাশন পৰিষদৰ প্ৰথম সচিব হিচাপে যোগদান কৰেগৈ আৰু কলেজৰপৰা অব্যাহতি লয়। তেতিয়া হৰেন্দ্ৰ দেৱ গোস্বামীয়ে অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। তাৰ পৰৱৰ্তী সময়ত বিভাগটোত যোগদান কৰা কেইগৰাকীমান অধ্যাপক-অধ্যাপিকা হ'ল— সত্যনাথ বৰা, চফিকা বৰুৱা, নিত্যানন্দ বৰা, স্বৰ্ণলতা ঢেকিয়াল ফুকন, গোবিন্দ মোহন ডেকা, লিলি চেলেং, ড° অঞ্জন কুমাৰ ওজা, মঞ্জিৰা শৰ্মা, ড° মৌচুমী চেতিয়া, ড° ধনৰঞ্জন কলিতা, ড° অৰবিন্দ ৰাজখোৱা, ড° হেমন্ত শৰ্মা আদি।

১৯৫৯ চনৰপৰা নৰ্থ লখিমপুৰ কলেজত কলা শাখাত স্নাতক শ্ৰেণী আৰম্ভ কৰা হয়। অসমীয়া বিভাগটোও সেইটো বছৰৰ পৰাই স্নাতক পৰ্যায়ৰ বিভাগলৈ উন্নীত হয়। ১৯৬৬ চনত অসমীয়া বিষয়ৰ মেজৰ বা অনাৰ্চ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। ২০১৪ চনত সম্পূৰ্ণ নিজৰ পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰে অসমীয়া বিভাগে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰে। ২০১৩ চনত নৰ্থ লখিমপুৰ কলেজে স্বায়ত্তশাসিত কলেজৰ মৰ্যাদা পোৱাৰ বাবে সেয়া সম্ভৱ হৈছিল। উল্লেখযোগ্য যে নিজা পাঠ্যক্ৰমেৰে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা অসমৰ কলেজসমূহৰ প্ৰথমটো বিভাগ। ২০২০ চনত বিভাগটোৱে এম.ফিল. পাঠ্যক্ৰম আৰম্ভ কৰে। এই পাঠ্যক্ৰম আৰম্ভ কৰা অসমৰ প্ৰথম কলেজ পৰ্যায়ৰ প্ৰথমটো বিভাগ হোৱাৰ গৌৰৱ অৰ্জন কৰে। ২০২২ চনত অসমীয়া বিভাগে পিএইচ. ডি.ৰ পাঠ্যক্ৰম আৰম্ভ কৰে। এইক্ষেত্ৰতো বিভাগটো কলেজ পৰ্যায়ত বাটকটীয়া।

বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ক্ষেত্ৰত অৰ্জন কৰা সফলতাই অসমৰ সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। অসমৰ কেইবাখনো বিশ্ববিদ্যালয়ত এই বিভাগৰ প্ৰাক্তন ছাত্ৰই অধ্যাপনা কৰি আছে। বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে কলেজ শিক্ষককে ধৰি ভালেসংখ্যক চৰকাৰী চাকৰিত নিয়োজিত হৈছে। সমান্তৰালভাৱে সামাজিক, সাহিত্যিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো এই বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল অত্যন্ত সক্ৰিয়। বিভাগটোৱে অসমৰ সমাজ জীৱনত প্ৰভাৱ পেলাব পৰা ভালেমান কাৰ্যসূচী ৰূপায়ন কৰা দেখা গৈছে। ক'ব পাৰি, এটা শৈক্ষিক বিভাগ হিচাপে এই বিভাগ এটা মান হিচাপে বিবেচিত হ'ব পাৰে।

**নিয়মীয়া অধ্যাপক-অধ্যাপিকাসকল ঃ** অসমীয়া বিভাগত প্ৰথমৰেপৰা বৰ্তমানলৈ অধ্যাপনা কৰা নিয়মীয়া অধ্যাপক-অধ্যাপিকাসকল হ'ল—

১. বুধীন্দ্ৰ নাথ বৰুৱা, অবৈতনিক, ১৯৫২ - ১৯৫৩
২. ড° বিশ্বনাৰায়ণ শাস্ত্ৰী, ১৯৫৩ - ১৯৫৮
৩. হৰেন্দ্ৰ দেৱ গোস্বামী, ১৯৫৮ - ১৯৯০
৪. সত্যনাথ বৰা, ১৯৬০ - ১৯৯১
৫. চফিকা বৰুৱা, ১৯৬২ - ১৯৭১
৬. নিত্যানন্দ বৰা, ১৯৬৩ - ১৯৯৪
৭. স্বৰ্ণলতা ঢেকিয়াল ফুকন, ১৯৭৩ - ১৯৯৪
৮. গোবিন্দ মোহন ডেকা, ১৯৭৫ - ২০০৪
৯. লিলি চেলেং, ১৯৯০ - ২০১৯
১০. ড° অঞ্জন কুমাৰ ওজা, ১৯৯২ - ২০০৫
১১. মঞ্জিৰা শৰ্মা, ১৯৯৫ - ২০০১
১২. ড° মৌচুমী চেতিয়া, ১৯৯৪ - বৰ্তমান
১৩. ড° ধনৰঞ্জন কলিতা, ২০০২ - বৰ্তমান
১৪. ড° অৰবিন্দ ৰাজখোৱা, ২০০৫ - বৰ্তমান
১৫. ড° হেমন্ত শৰ্মা, ২০১০ - বৰ্তমান
১৬. ড° ধীৰাজ পাটৰ, ২০২১ - বৰ্তমান

**অনিয়মীয়া / অংশকালীন / ঠিকাভিত্তিক অধ্যাপক-অধ্যাপিকাসকল ঃ** অসমীয়া বিভাগত বিভিন্ন সময়ত কেইবাগৰাকীও অংশকালীন অধ্যাপকে অধ্যাপনা কৰিছে। ২০১৪ চনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ পাছত তেনে অধ্যাপকৰ সকলোতে প্ৰয়োজন হ'ল। প্ৰথমৰেপৰা বৰ্তমানলৈ অধ্যাপনা কৰা তেনে অধ্যাপক-অধ্যাপিকাসকল হ'ল—

১. দীপাঞ্জলি দত্ত, ১৯৬৭
২. ৰাজীৱ বৰা, ১৯৯৫
৩. ড° ৰঞ্জন ভট্টাচাৰ্য, ১৯৯৯ - ২০০০
৪. ৰাজীৱ নাৰায়ণ কলিতা, ২০০৪ - ২০০৫
৫. ড° হেমন্ত শৰ্মা, ২০০৫ - ২০১০
৬. মুন্‌মী দত্ত, ২০১৪ - বৰ্তমান
৭. ড° পলী বেজবৰুৱা, ২০১৪ - ২০১৫
৮. ড° বিশ্ব হাজৰিকা, ২০১৫ - ২০২০
৯. ড° ঈশানজ্যোতি গগৈ, ২০১৫ - ২০২০
১০. ড° সমুজ্জ্বল শইকীয়া, ২০১৬
১১. ড° চন্দনজ্যোতি চুতীয়া, ২০১৭
১২. ড° পৰেশ খনিকৰ, ২০১৮ - ২০২০
১৩. জ্যোতিস্মান দাস, ২০১৮
১৪. বিতু বৰা, ২০১৯
১৫. অসীম শইকীয়া, ২০২০ - ২০২২
১৬. প্ৰকাশজ্যোতি শইকীয়া, ২০২৩ - ২০২৩
১৭. প্ৰাৰ্থনা দত্ত, ২০২৩ - বৰ্তমান
১৮. শোভাকৃষ্ণা ফুকন, ২০২৩ - বৰ্তমান
১৯. কংকনা বাৰিক, ২০২৪ - বৰ্তমান

**অতিথি অধ্যাপক-অধ্যাপিকাসকল ঃ** ২০১৩ চনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ পাছত অসমীয়া বিভাগলৈ অসম তথা অসমৰ বাহিৰৰো যথেষ্টসংখ্যক পাৰদৰ্শী ব্যক্তিক অতিথি অধ্যাপক হিচাপে আমন্ত্ৰণ জনাই অনা হয়। কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ অনুপ্ৰেৰণা আৰু নিৰ্দেশনা এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ। স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই কেইবাবছৰো অতিথি অধ্যাপকসকলৰ ব্যৱস্থাপনাৰ দায়িত্ব বহন কৰিছিল। তলত ২০১৪ - ২০২৩ চনৰ ভিতৰত নিমন্ত্ৰিত অসমীয়া বিভাগৰ অতিথি অধ্যাপকসকলৰ নামসমূহ দিয়া হ'ল—

১. ড° প্ৰবীণ শইকীয়া, বিহপুৰীয়া কলেজ
২. ড° গৌতম কাকতী, মাধৱদেৱ বিশ্ববিদ্যালয়
৩. ড° হেমন্ত কুমাৰ চলিহা, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়
৪. ড° বসন্ত কুমাৰ শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৫. ড° ভাস্কৰজ্যোতি শৰ্মা, আবিলেক, গুৱাহাটী
৬. ড° নীৰাজনা মহন্ত বেজবৰা, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৭. ড° পল্লৱী ডেকা বুজৰবৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৮. দিগন্ত ওজা, 'প্ৰাগ নিউজ', গুৱাহাটী
৯. অতনু ভট্টাচাৰ্য, 'সাতসৰী', গুৱাহাটী
১০. শংকৰ দত্ত, ডি.ৱাই. ৩৬৫, গুৱাহাটী
১১. ড° ৰত্নোত্তমা দাস বিক্ৰম, দিল্লী বিশ্ববিদ্যালয়
১২. ড° শেখ মকবুল ইছলাম, ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ, কলকাতা
১৩. ড° অনিল শইকীয়া, মৰাণ কলেজ
১৪. ড° বিন্দুভূষণ বৰা, মাধৱদেৱ বিশ্ববিদ্যালয়
১৫. ড° ৰাতুল ডেকা, বড়োলেণ্ড বিশ্ববিদ্যালয়
১৬. ড° উমেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়
১৭. ড° প্ৰবীন চন্দ্ৰ দাস, গুৱাহাটী বিশ্ববিদ্যালয়
১৮. ড° উমেশ চন্দ্ৰ ডেকা, পূব কামৰূপ কলেজ
১৯. ড° মৃদুল শৰ্মা, ডিব্ৰুগড় সুৰযমল হনুমানবক্স কানৈ কলেজ
২০. ড° দীপামণি বৰুৱা দাস, গুৱাহাটী বিশ্ববিদ্যালয়
২১. হিৰণ্য সভাপণ্ডিত, লখিমপুৰ বালিকা মহাবিদ্যালয়
২২. কুসুম্বৰ চেতিয়া, লখিমপুৰ বালিকা মহাবিদ্যালয়
২৩. ড° বিজু মৰাণ, ডিব্ৰু কলেজ
২৪. ড° চিত্ৰজিৎ শইকীয়া, দুলীয়াজান কলেজ

২০২৩ চনত অনুষ্ঠিত অসমীয়া বিভাগৰ অভিভাৱক সন্মিলনত স্নাতক দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল।



২৫. ড° দীপকজ্যোতি মহন্ত, গোৰেশ্বৰ কলেজ
২৬. ড° ব্ৰজেন শৰ্মা, চৰকাৰী আদৰ্শ মহাবিদ্যালয়, দেইথৰ
২৭. ড° প্ৰভাত ভূঞা, অসম বিশ্ববিদ্যালয়
২৮. ৰঞ্জিৎ কাকতি, দ্য ছেণ্টিনেল
২৯. ড° কমল কুমাৰ তাঁতী, গুৱাহাটী
৩০. ড° অৰিন্দম বৰকটকী, আনন্দৰাম ঢেকিয়াল ফুকন কলেজ
৩১. ড° প্ৰাঞ্জল বৰা, দিখৌমুখ কলেজ
৩২. ড° জ্যোতিৰেখা হাজৰিকা, জগন্নাথ বৰুৱা কলেজ
৩৩. ড° দেৱপ্ৰতীম হাজৰিকা, নন্দনাথ শইকীয়া কলেজ
৩৪. ড° মৃণাল কুমাৰ গগৈ, ডিগবৈ কলেজ
৩৫. ড° ৰাজীৱ বৰা, নাজিৰা কলেজ
৩৬. জ্যোতিস্মান দাস, তেজপুৰ বিশ্ববিদ্যালয়
৩৭. ড° চন্দনজ্যোতি চুতীয়া, দমদমা মহাবিদ্যালয়
৩৮. ড° বিশ্ব হাজৰিকা, পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, বিহালী
৩৯. ড° প্ৰসন্ন কুমাৰ নাথ, ছিপাঝাৰ কলেজ
৪০. যোগেন তামুলী, মাধৱদেৱ বিশ্ববিদ্যালয়

### পাঠ্যক্ৰমসমূহ

**১. উচ্চতৰ মাধ্যমিক ঃ** ১৯৫২ চনত কলেজ প্ৰতিষ্ঠাৰ সময়ত ইণ্টাৰমেডিয়েট আৰ্টচৰ পাঠ্যক্ৰমহে আছিল। তাত অসমীয়া বিষয়টো অৱধাৰিতভাৱেই আছিল। পৰৱৰ্তী সময়ত সেয়া উচ্চতৰ মাধ্যমিক হিচাপে নামকৰণ কৰা হয়। ১৯৬৬ চনত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাও আৰম্ভ কৰা হয়। ২০২১ চনত অসমৰ তদানীন্তন ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ নিৰ্দেশনাক্ৰমে কলেজৰপৰা উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমত নামভৰ্তি বন্ধ কৰা হয়।

**২. স্নাতক (সাধাৰণ) ঃ** ১৯৫৯ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰি কলেজে স্নাতক (সাধাৰণ) পাঠ্যক্ৰম আৰম্ভ কৰে। অসমীয়া বিষয়টোও সেইটো বছৰতে স্নাতক শ্ৰেণীলৈকে উন্নীত হয়।

**৩. স্নাতক (মেজৰ) ঃ** ১৯৬৬ চনত অসমীয়া বিষয়ত মেজৰ পাঠ্যক্ৰম আৰম্ভ হয়। ইতিমধ্যে প্ৰতিষ্ঠিত (১৯৬৬ চনত) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনলৈ উজনি অসমৰ ভালেমান কলেজক নিয়া হয়। অসমীয়া বিভাগৰ মেজৰ পাঠ্যক্ৰম ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনতে আৰম্ভ হয়।

**৪. স্নাতকোত্তৰ ঃ** ২০১৪ চনত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হয়। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ অনুপ্ৰেৰণাত ২০১৩ চনৰ পৰা ইয়াৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছিল। স্নাতকোত্তৰ শ্ৰেণীৰ শৈক্ষিক কামকাজ পৰিচালনাৰ বাবে লিলি চেলেঙক সমন্বয়ক আৰু ড° অৰবিন্দ ৰাজখোৱাক সহ-সমন্বয়ক হিচাপে নিযুক্তি দিয়া হৈছিল। মুঠ ৩০ খন আসনেৰে ২০১৪ চনৰ জুলাই মাহত প্ৰথম দল ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰোৱা হয়। উল্লেখযোগ্য যে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগেই হ'ল নিজৰ পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা কলেজ পৰ্যায়ৰ প্ৰথমটো শৈক্ষিক বিভাগ।

**৫. এম. ফিল. ঃ** ২০২০ চনত অসমীয়া বিভাগত এম. ফিল. পাঠ্যক্ৰম আৰম্ভ হয়। অসমত কলেজ পৰ্যায়ত এয়াই প্ৰথম এম. ফিল. পাঠ্যক্ৰম। অসমীয়া বিভাগৰ তৎকালীন মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই এই পাঠ্যক্ৰম খোলাৰ ক্ষেত্ৰত পদক্ষেপ লয় আৰু অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই পূৰ্ণ সহযোগিতা কৰে। বিভাগীয় গৱেষণা পৰিষদৰ প্ৰথম গৰাকী সভাপতি হয় ড° অৰবিন্দ ৰাজখোৱা আৰু সদস্য হিচাপে মনোনীত হয় ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা আৰু ড° ধীৰাজ পাটৰ।

**৬. পিএইচ. ডি. ঃ** ২০২২ চনত অসমীয়া বিভাগত (লগতে ৰাজনীতি বিজ্ঞান বিভাগত) পিএইচ.ডি. পাঠ্যক্ৰম আৰম্ভ হয়। অসমত কলেজ পৰ্যায়ত এয়াই প্ৰথম পিএইচ. ডি. পাঠ্যক্ৰম। অসমীয়া বিভাগৰ তৎকালীন মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই এই পাঠ্যক্ৰম খোলাৰ ক্ষেত্ৰত পদক্ষেপ লয় আৰু অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই পূৰ্ণ সহযোগিতা কৰে। বিভাগীয় গৱেষণা পৰিষদৰ প্ৰথম গৰাকী সভাপতি হয় ড° অৰবিন্দ ৰাজখোৱা আৰু গৱেষণা তত্ত্বাৱধায়ক তথা সদস্য হিচাপে মনোনীত হয় ড° হেমন্ত শৰ্মা আৰু ড° ধীৰাজ পাটৰ।

**৭. চাৰ্টিফিকেট পাঠ্যক্ৰম ঃ** অসমীয়া বিভাগৰ অধীনত দুটা চাৰ্টিফিকেট পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল।

(ক) পৰিৱেশ্য কলা ঃ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত পৰিৱেশ্য কলাৰ এক ছমহীয়া পাঠ্যক্ৰম ২০১৩ চনত অসমীয়া বিভাগত আৰম্ভ কৰা হৈছিল। সমন্বয়ক আছিল ড° ধনৰঞ্জন কলিতা। কেইবছৰমানৰ পাছত সেই পাঠ্যক্ৰম বন্ধ হৈ যায়।

(খ) কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ ঃ কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰৰ এক ছমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম অসমীয়া বিভাগে ২০১৮ চনত আৰম্ভ কৰে। নামভৰ্তিৰ ন্যূনতম শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ। সমন্বয়ক আছিল ড° অৰবিন্দ ৰাজখোৱা আৰু ড° হেমন্ত শৰ্মা। উল্লেখযোগ্য যে এই বিভাগেই এই বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰা অসমৰ প্ৰথমটো বিভাগ। বিভাগটোৱে প্ৰত্যেকটো বছৰত গড়ে ৫০ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীক এই পাঠ্যক্ৰমৰ জৰিয়তে 'চাৰ্টিফিকেট' প্ৰদান কৰি আহিছে।

**অধ্যাপক-অধ্যাপিকাসকলৰ কৃতিত্ব**

অসমীয়া বিভাগৰ অতীত আৰু বৰ্তমানৰ অধ্যাপক-অধ্যাপিকাসকলে বিভিন্ন দিশত অৰ্জন কৰা সফলতা আৰু কৃতিত্বৰ খতিয়ান তলত দিয়া হ'ল। কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকাৰ তথ্য সংগ্ৰহ কৰিব নোৱৰাৰ বাবে ইয়াত সংযোগ কৰিব পৰা নগ'ল।

**নিয়মীয়া অধ্যাপক-অধ্যাপিকাসকল**

**[১] ড° বিশ্বনাৰায়ণ শাস্ত্ৰী**

শিক্ষা জীৱনত যথেষ্ট মেধাৰ পৰিচয় দিয়া বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা সংস্কৃত বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৮৩ চনত তেওঁ বৰ্ধমান বিশ্ববিদ্যালয়ৰপৰা 'The Concept and Development of Samavaya in Nyaya Vaishesika System of Philosophy' বিষয়ত গৱেষণা কৰি ডি. লিট. উপাধি লাভ কৰে। ড° শাস্ত্ৰী এগৰাকী স্বাধীনতা আন্দোলনকাৰী আছিল। তেওঁ দুবাৰকৈ (১৯৬৭ আৰু ১৯৭১) লখিমপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হৈছিল।

এগৰাকী সাহিত্যিক হিচাপে ড° শাস্ত্ৰীয়ে দেশ বিদেশৰ সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ সংস্কৃত সাহিত্যৰ চৰ্চা-বিশ্লেষণত তেওঁৰ অৱদান লক্ষ্যণীয়। তেওঁ ৰচনা, সম্পাদনা, অনুবাদ কৰা গ্ৰন্থসমূহৰ নাম তলত দিয়া হ'ল।

ইংৰাজী গ্ৰন্থ—

১. ***Anundoram Borooah***, ১৯৮৪
২. ***The Samavaya Foundation of Nyaya-Vaisesika Philosophy***, ১৯৯৩
৩. ***Mimamsa Philosophy and Kumarila Bhatta***, ১৯৯৫
৪. ***Sanskrit in Assam through the Ages***, ১৯৯৮

সংস্কৃত সৃষ্টিশীল গ্ৰন্থ—

১. *অবিনাশী*, ১৯৮৬
২. *হৃদয় সংবাদ চয়নম্*, ১৯৮৯

অসমীয়া (গহীন) গ্ৰন্থ—

৩. *লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা*, ১৯৭০
৪. *ৰাম সৰস্বতী*, ১৯৮৯
৫. *অলকাৰ পথত মেঘ*, ১৯৬০
৬. *অসমীয়া পৰিভাষা* (অন্যতম প্ৰণেতা) ১৯৬৯

অসমীয়া পাঠ্যপুথি—

৭. *ভূগোল কথা* (প্ৰথম ভাগ), ১৯৫৫
৮. *ভূগোল কথা* (দ্বিতীয় ভাগ), ১৯৫৬
৯. *সাহিত্য প্ৰভা*
১০. *গল্প সংগ্ৰহ*
১১. *নতুন পাঠ*, ১৯৫৭
১২. *আদৰ্শ ব্যাকৰণ, ৰচনা আৰু অনুবাদ*, ১৯৫৯
১৩. *নৱভাৰতী*, ১৯৫৮
১৪. *ভাৰতীয় সভ্যতা আৰু সংস্কৃতি*, ১৯৬০
১৫. *শিক্ষা পৰিক্ৰমা*, ১৯৬৪
১৬. *উচ্চতৰ অসমীয়া ৰচনা*, ১৯৬৮
১৭. *ভূগোল কথা*, ১৯৬৯
১৮. *শৰাইঘাট অভিধান* (প্ৰথম পৰ্যায়ত জড়িত), ২০১১

অনূদিত গ্ৰন্থ (অসমীয়ালৈ)—

১. *সাহিত্য দৰ্পণ* (বিশ্বনাথ কবিৰাজৰ মূল গ্ৰন্থৰ অনুবাদ), ১৯৬৪
২. *কথা সৰিত সাগৰ* (সোমনাথৰ মূল গ্ৰন্থৰ অনুবাদ), ১৯৮৯
৩. *ৰেমানা* (ভি. আৰ. মূল গ্ৰন্থৰ অনুবাদ), ১৯৮০
৪. *হৰ্ষ* (মূল সংস্কৃতৰ পৰা অনুবাদ), ১৯৭২

শিশু সাহিত্য—

১. *চণ্ডীৰ সাধু*, ১৯৪৬
২. *উপনিষদৰ সাধু*, ১৯৪৬
৩. *দশাৱতাৰৰ কাহিনী*
৪. *পুৰাণৰ সাধু*
৫. *নৈৰ সাধু*
৬. *সাগৰিকা*
৭. *হিমালয়ৰ কথা*
৮. *চাণক্যৰ জয়*
৯. *বসন্ত সেনাৰ বিয়া*
১০. *প্ৰতিভাৰ জেউতি*
১১. *ঝান্সি ৰাণী লক্ষ্মীবাই*
১২. *বিজয়লক্ষ্মী পণ্ডিত*
১৩. *স্তুতি-নীতি*
১৪. *অসমৰ জনজাতীয় সাধু*
১৫. *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*

প্ৰাচীন সাঁচিপতীয়া পুথিৰ সম্পাদনা আৰু অনুবাদ —

১. *অনন্ত আচাৰ্যৰ 'আনন্দ লহৰী'*, ১৯৮৩
২. *শংকৰদেৱৰ 'ৰুক্মিণী হৰণ নাট'*

সংস্কৃত গ্ৰন্থৰ সম্পাদনা—

১. *কালিকা পুৰাণ*, ১৯৭২
২. *যোগিনীতন্ত্ৰ*, ১৯৮২
৩. *কামাখ্যাতন্ত্ৰ*, ১৯৯০
৪. *কালিকাপুৰাণ*, ১৯৯২
৫. *কালিকা পুৰাণে মূৰ্তি বিনিৰ্দেশ*, ১৯৯৪




অসমীয়া বিভাগে আয়োজন কৰা গৱেষণা-পত্ৰ লিখনৰ এদিনীয়া কৰ্মশালাত কলকাতাৰ ছেইণ্ট পʼলচ কেথেড্ৰেল মিছন কলেজৰ সহযোগী অধ্যাপক ড° শেখ মকবুল ইছলাম।

৬. *তীৰ্থ কৌমুদী*, ১৯৯৮

৭. ***হৰগৌৰী সম্বাদ***, ২০০৩

সাহিত্যকৰ্মৰ স্বীকৃতি হিচাপে ড° শাস্ত্ৰীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ বঁটা আৰু সন্মান লাভ কৰে। 'অবিনাশী' উপন্যাসৰ বাবে তেওঁ ১৯৮৭ চনত সংস্কৃত ভাষাৰ সাহিত্য অকাডেমী বঁটা লাভ কৰে। সংস্কৃত ভাষাত সাহিত্য অকাডেমী বঁটা পোৱা তেঁৱে প্ৰথম আৰু বৰ্তমানলৈ একমাত্ৰ অসমীয়া। আনহাতে 'অবিনাশী'ও সংস্কৃত ভাষাত লিখা প্ৰথমখন উপন্যাস। এই বঁটাৰ উপৰিও উত্তৰ প্ৰদেশ সাহিত্য অকাডেমীৰ বাণভট্ট বঁটা, ভাৰতীয় ভাষা পৰিষদৰ বঁটা, উত্তৰ প্ৰদেশ হিন্দী সংস্থানৰ বঁটা, সংস্কৃতত যোগোৱা বৰঙণিৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতিৰ 'চাৰ্টিফিকেট অৱ অনাৰ', 'এবিলাক'ৰ আনন্দৰাম বৰুৱা বঁটা আদি লাভ কৰে।

ড° বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে প্ৰাচ্যতত্ত্ব সম্পৰ্কীয় অনুষ্ঠানত অংশগ্ৰহণৰ বাবে পেৰিছ, থাইলেণ্ড, ফিলাডেলফিয়া, টকিঅ', অষ্ট্ৰেলিয়া আদি ঠাইলৈ গৈছিল। ভাৰতবৰ্ষৰ বহু প্ৰখ্যাত প্ৰতিষ্ঠানৰ লগত তেওঁ জড়িত হৈ আছিল। অসম প্ৰকাশন পৰিষদ তেওঁৰ নেতৃত্বতে আৰম্ভ হয়। প্ৰথম অৱস্থাত বিশেষ দায়িত্ববাহী বিষয়া হিচাপে কাম কৰি তেওঁ কিছুদিনৰ পাছত ১৯৫৯ - ১৯৬৬ চনলৈ ড° শাস্ত্ৰীয়ে প্ৰথমগৰাকী সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰে।

### [২] হৰেন্দ্ৰ দেৱ গোস্বামী

হৰেন্দ্ৰ দেৱগোস্বামীয়ে এগৰাকী লেখক হিচাপে খ্যাতি অৰ্জন কৰিছিল। লখিমপুৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ অনুষ্ঠানে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ সম্পাদনা কৰিও তেওঁ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। তেওঁ ৰচনা কৰা কেইখনমান গ্ৰন্থ হʼল—

১. *ভুচুং পহু*, ১৯৪৮

২. *অৰূপ তৃষ্ণা*, ১৯৫০

৩. *বিয়াল্লিচৰ পাণ্ডা*, ১৯৫১

৪. ***ৰূপৰ মোহ***, ১৯৫২

৫. ***অকণিৰ শংকৰদেৱ***, ১৯৫৪

৬. ***আখৰৰ কছৰৎ***, ১৯৫৫

৭. ***দুসুঁতি মুখৰ ঘাট*** (যুটীয়াভাৱে লিখা)

৮. *এয়া লখিমপুৰ*, ১৯৬৬

হৰেন্দ্ৰ দেৱ গোস্বামীয়ে কেইবাখনো নাটকো ৰচনা কৰিছিল। তেওঁৰ নাটক আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰযোগে প্ৰচাৰো হৈছিল। ১৯৯০ চনত তেওঁ অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰে।

### [৩] স্বৰ্ণলতা ঢেকিয়াল ফুকন

এগৰাকী লেখিকা হিচাপে পৰিচিতি লাভ কৰা স্বৰ্ণলতা ঢেকিয়াল ফুকনৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। সেইসমূহ হʼল—

১. *অনুভূতিৰ থুপি*

২. *অকণিৰ কথা আৰু কাহিনী*

৩. *শুনা শুনা নাতিহঁত আইতাৰ কাহিনী কথা*

৪. *বেলি লহিয়াই ৰান্ধনি ৰ'দে ভুমুকিয়ায়*

৫. *মন মুকুৰত বিয়লিৰ কুজন*

৬. *ভিন্ন ক্ষণ ভিন্ন ভাব,* ২০০৭

**[৪] গোবিন্দ মোহন ডেকা**

গোবিন্দ মোহন ডেকাই গুৱাহাটী বিশ্ববিদ্যালয়পৰা এম. ফিল. ডিগ্ৰী লাভ কৰে। ১৯৯৭ চনত তেওঁ লিখা 'সম্পত্তিৰ শেষ মাৰুতি' নামৰ এখন ব্যঙ্গ গ্ৰন্থ প্ৰকাশ পায়। তেওঁৰ সম্পাদনাতে কলেজৰ সোণালী জয়ন্তী অনুষ্ঠানৰ স্মৃতিগ্ৰন্থ 'সোমদিৰি' (২০০২) প্ৰকাশ পায়। অৱসৰ গ্ৰহণ কৰাৰ আগতেই ২০০৪ চনত তেওঁৰ মৃত্যু ঘটে।

**[৫] লিলি চেলেং**

লিলি চেলেঙৰ সম্পাদনাত 'উত্তৰণত নাৰী' (২০১৪) নামৰ এখন গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁ কেইবা বছৰো নৰ্থ লখিমপুৰ কলেজ আলোচনীৰ তত্ত্বাৱধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰে। অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ সময়ত তেওঁ স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক আছিল; সহকাৰী সমন্বয়ক আছিল ড° অৰবিন্দ ৰাজখোৱা।

**[৬] ড° অঞ্জন কুমাৰ ওজা**

ড° অঞ্জন কুমাৰ ওজাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা 'A study of the folk culture of the district of Sonitpur : tradition and change' শীৰ্ষক বিষয়ত গৱেষণা কৰি ১৯৯৭ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক আছিল ড° নবীন চন্দ্ৰ শৰ্মা। ড° ওজাই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত এটা লঘু গৱেষণা প্ৰকল্পৰ কাম সম্পন্ন কৰে। তেওঁৰ তত্ত্বাৱধানতে ২০০১ চনত নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনৰ জন্ম হয়। কলেজৰ সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি জন্ম দিয়া সেই প্ৰকাশনে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰে। লখিমপুৰ সাহিত্য-সংস্কৃতিৰ জগতখনৰ লগত ওতপ্ৰোতভাৱে জড়িত ড° ওজাই ২০০৫ চনত ছয়দুৱাৰ কলেজৰ অধ্যক্ষ পদত যোগদান কৰে।

ড° অঞ্জন কুমাৰ ওজা দীৰ্ঘদিন ধৰি নৰ্থ লখিমপুৰ কলেজ আলোচনীৰ তত্ত্বাৱধায়ক আছিল আৰু আলোচনীখনক এক নতুন মাত্ৰা দিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ মান উন্নত কৰাৰ ক্ষেত্ৰতো তেওঁৰ অৰিহনা আছে। ড° ওজাৰ সম্পাদনাত প্ৰকাশ পোৱা গ্ৰন্থসমূহ হ'ল—

১. *সাহিত্য সমালোচনা তত্ত্ব,* ২০০১

২. *স্বৰ্ণৰেখা,* ২০০২

৩. *সোণোৱালী দিনবোৰ যেন,* ২০০২

৪. *সোণালী চিন্তা,* ২০০২

**[৭] মঞ্জিৰা শৰ্মা**

মঞ্জিৰা শৰ্মা এগৰাকী কণ্ঠশিল্পী হিচাপে প্ৰতিষ্ঠিত। তেওঁৰ গানৰ কেইটামান চি. ডি. হ'ল - 'গুণগুণ সুৰে সুৰে', 'তুমি গীত এটি হোৱা জোনাকেৰে', 'মোক এটি সুৰ কৰি তোলা' আদি। ২০০১ চনত মঞ্জিৰা শৰ্মাই বকোৰ জৱাহৰলাল নেহৰু কলেজৰ অসমীয়া বিভাগত অধ্যাপিকা হিচাপে যোগদান কৰে। মঞ্জিৰা শৰ্মাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল—

১. *শংকৰদেৱ-মাধৱদেৱ ঃ সৃষ্টি আৰু দৃষ্টি,* ২০২২

২. *সাহিত্য প্ৰসঙ্গ,* ২০২২

৩. *কথা মালিতা,* ২০২৩

**[৮] ড° মৌচুমী চেতিয়া**

ড° মৌচুমী চেতিয়াই 'লক্ষীমপুৰ জিলাৰ উৎসৱ পাৰ্বন ঃ এটি অধ্যয়ন' শীৰ্ষক বিষয়ত গৱেষণা কৰি ২০১৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক ড° উমেশ ডেকা। ড° চেতিয়াই বৰ্তমানলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত দুটা গৱেষণা প্ৰকল্পৰ কাম সম্পন্ন কৰিছে।

বৰ্তমানলৈ ড° চেতিয়াৰ দুখন গ্ৰন্থ প্ৰকাশ পাইছে। সেইকেইখন হ'ল—

১. *সাহিত্য সংস্কৃতি বিচিত্ৰা,* ২০০৯

২. *মা-দেউতাক পুনৰ লগ পোৱা হ'লে,* ২০২৩

**[৯] ড° ধনৰঞ্জন কলিতা**

ড° ধনৰঞ্জন কলিতাই অসম বিশ্ববিদ্যালয়ৰপৰা 'আধুনিক অসমীয়া গীতি-সাহিত্য ঃ এটি অধ্যয়ন (কেশৱ মহন্ত, নৱকান্ত বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ বিশেষ উল্লেখনসহ)' শীৰ্ষক বিষয়ত গৱেষণা কৰি ২০২০ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক আছিল ড° কুসুম্বৰ বৰুৱা। তেওঁ বৰ্তমানলৈ দুটা গৱেষণা প্ৰকল্পৰ কাম সম্পন্ন কৰিছে। যথা—

(ক) 'পৌৰাণিক আখ্যানৰ আধাৰত ৰচিত অসমীয়া উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০০৯ - ২০১১ চন।

(খ) 'আলি হাইদৰৰ নাটক ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০১৪ - ২০১৬ চন।

ড° কলিতাৰ তত্ত্বাৱধানত নৰ্থ লখিমপুৰ কলেজৰপৰা চাৰিগৰাকী গৱেষকে এম.ফিল. ডিগ্ৰী লাভ কৰিছে। তেওঁলোক হ'ল—

১. সঞ্জয় আচাৰ্য, ২০২১
২. ৰুবী বৰা, ২০২১
৩. সুৰেশ দেৱনাথ, ২০২৩
৪. পপী বৰুৱা, ২০২৩

ড° কলিতাৰ সম্পাদনাত দুখন গ্ৰন্থ প্ৰকাশ পাইছে। যথা—

১. *মাধৱদেৱৰ 'ভোজন বেহাৰ'*
২. *মাধৱদেৱৰ 'চোৰধৰা নাট'*

**[১০] ড° অৰবিন্দ ৰাজখোৱা**

ড° অৰবিন্দ ৰাজখোৱাই 'উত্তৰ স্বাধীনতা কালৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিকৰ অৱদান' শীৰ্ষক বিষয়ত গৱেষণা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ২০১৩ চনত পিএইচ. ডি. ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক আছিল ড° প্ৰহ্লাদ কুমাৰ বৰুৱা আৰু ড° বসন্ত কুমাৰ শৰ্মা। তেওঁ বৰ্তমানলৈ পাঁচটা গৱেষণা প্ৰকল্পৰ কাম সম্পন্ন কৰিছে। সেইসমূহ হ'ল—

(ক) 'অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিকৰ অৱদান (তিনিগৰাকী ঔপন্যাসিকৰ বিশেষ উল্লেখনেৰে)'। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০০৮-২০১০ চন।

(খ) 'লখিমপুৰ জিলাৰ ইতিহাস প্ৰসিদ্ধ ধৰ্মীয় স্থানসমূহ ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন'। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০১১-২০১৩ চন।

(গ) 'Impact of Science and Technology on the Agriculture Related Folk-Culture of Assam : A Field Based Study (with special reference to five district of Assam)'। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই গুৰু গৱেষণা প্ৰকল্পৰ সময় ২০১৫-২০১৮ চন। উল্লেখযোগ্য যে চাৰে এঘাৰ লাখ অনুদান লাভ কৰা এই প্ৰকল্প হ'ল নৰ্থ লখিমপুৰ কলেজে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা দ্বিতীয়টো গুৰু গৱেষণা প্ৰকল্প। প্ৰথমটো গুৰু প্ৰকল্প লাভ কৰিছিল ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° নমিতা দত্তই।

(ঘ) 'পৰিৱেশ সজাগতা আৰু অসমীয়া সাহিত্য'। নৰ্থ লখিমপুৰ কলেজ আৰু নেচাৰ্ছ বেকনৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০১৮ - ২০২০ চন।

(ঙ) 'নৰ্থ লখিমপুৰ কলেজৰ ইতিহাস'। নৰ্থ লখিমপুৰ কলেজৰ অৰ্থ সাহায্যত সম্পন্ন কৰা এই লঘু গৱেষণা প্ৰকল্পৰ সময় ২০২১ - ২০২৩ চন।

ড° অৰবিন্দ ৰাজখোৱাই এগৰাকী গৱেষণা তত্ত্বাৱধায়ক হিচাপে ২০১৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা অনুমোদন লাভ কৰে। উল্লেখযোগ্য যে তেওঁ এনে অনুমোদন লাভ কৰা নৰ্থ লখিমপুৰ কলেজৰ দ্বিতীয়গৰাকী অধ্যাপক। প্ৰথমগৰাকী হ'ল গণিত বিভাগৰ অধ্যাপক তথা অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া। ২০২০ চনত ড° ৰাজখোৱাই নৰ্থ লখিমপুৰ কলেজৰ এম.ফিল.ৰ তত্ত্বাৱধায়ক হিচাপে স্বীকৃতি লাভ কৰে। তেওঁ ২০২২ চনত নৰ্থ লখিমপুৰ কলেজত ডক্টৰেট ডিগ্ৰীৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ লগে লগে প্ৰথমটো দলৰ গৱেষণা তত্ত্বাৱধায়ক হিচাপে স্বীকৃতি লাভ কৰে। বৰ্তমানলৈকে তেওঁৰ অধীনত ডক্টৰেট ডিগ্ৰী লাভ কৰা গৱেষকসকল হ'ল—

১. ড° পৰেশ খনিকৰ, ২০২১, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা।
২. ড° ৰুণজুন বৰা, ২০২৩, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা।

ড° ৰাজখোৱাৰ তত্ত্বাৱধানত নৰ্থ লখিমপুৰ কলেজৰপৰা চাৰিগৰাকী গৱেষকে এম.ফিল. ডিগ্ৰী লাভ কৰিছে। তেওঁলোক হ'ল—

১. পূবালী বৰা, ২০২১
২. শোভাকৃষ্ণা ফুকন, ২০২১
৩. নীলাক্ষি বৰগোহাঁই, ২০২৩
৪. ৰাজীৱ হাজৰিকা, ২০২৩

তেওঁৰ তত্ত্বাৱধানত বৰ্তমানে পিএইচ. ডি. ডিগ্ৰীৰ বাবে গৱেষণা কৰি থকা গৱেষকসকল হ'ল—

১. জুৰি ভূঞা, ডিব্ৰুগড় বিশ্ববিদ্যালয় (submitted)
২. পূবালী বৰা, নৰ্থ লখিমপুৰ কলেজ
৩. শোভাকৃষ্ণা ফুকন, নৰ্থ লখিমপুৰ কলেজ
৪. চিলমিল সপোন হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৫. কৃপাৰেখা গগৈ, নৰ্থ লখিমপুৰ কলেজ
৬. খগেন পেগু, নৰ্থ লখিমপুৰ কলেজ
৭. মেঘালী দত্ত, নৰ্থ লখিমপুৰ কলেজ

২০২৪ চনত ড° ৰাজখোৱাই বেংককত অনুষ্ঠিত 'Politics of Identity in Globalized World : Ethnicity, Nationalism and Belongingness' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰে।

ড° অৰবিন্দ ৰাজখোৱাই সাহিত্য সাধনাৰ যোগেদি বৌদ্ধিক জগতলৈ অৰিহণা যোগাইছে। চুটিগল্প, ব্যঙ্গ ৰচনা, শিশু সাহিত্য আদিৰ যোগেদি সাহিত্য সাধনা আৰম্ভ কৰা ড° ৰাজখোৱা মূলতঃ এগৰাকী সাহিত্য সমালোচক আৰু গদ্য লেখক হিচাপে পৰিচিত। সমসাময়িক প্ৰায়বোৰ অসমীয়া কাকত-আলোচনীতে তেওঁৰ লেখা প্ৰকাশ পাইছে। 'দৈনিক জনমভূমি' আৰু 'দৈনিক অসম'ত ক্ৰমে 'আপেক্ষিক' আৰু 'প্ৰতিধ্বনি' শীৰ্ষক দুটা স্তম্ভ তেওঁ লিখে। ৰাজখোৱাৰ বৰ্তমানলৈ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল—

১. *কাকৈ হাবিৰ ভূত আৰু অন্যান্য কাহিনী*, ২০০৬
২. *খেলপথাৰত কানাইকান্ত আৰু অন্যান্য*, ২০০৭
৩. *অলপ নিৰ্জনতা*, ২০১২
৪. *ককা আৰু নাতিৰ উত্তৰ আধুনিক সংলাপ*, ২০১৩
৫. **১৯৯৯**, ২০১৫
৬. *নিয়মবোৰ কোনোবাই ভাঙিবই লাগিব*, ২০১৮
৭. *জাতীয় ঐতিহ্য আৰু সাহিত্য*, ২০২১
৮. *কথাবোৰ কৈ থাকিব লাগিব*, ২০২৩
৯. *লখিমপুৰৰ ঐতিহ্য*, ২০২৩
১০. *তুলনামূলক সাহিত্য ঃ সংজ্ঞা আৰু পৰিচয়*, ২০২৩ (ড° পল্লৱী ডেকা বুজৰবৰুৱাৰ সৈতে যুটীয়াভাৱে প্ৰণীত)
১১. *ঐতিহ্য অনুষংগ*, ২০২৪

ড° অৰবিন্দ ৰাজখোৱাই ভালেসংখ্যক গ্ৰন্থ সম্পাদনা কৰিছে। বিভিন্ন বিষয়ৰ উক্ত গ্ৰন্থসমূহ হ'ল—

১. *ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গল্প*, ২০০৪
২. *লক্ষীমপুৰ*, ২০০৮ (যুটীয়াভাৱে),
৩. *অসমীয়া কাব্য পৰিক্ৰমা*, ২০০৮
৪. *অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি*, ২০০৯
৫. *চাৰিখন ভাৰতীয় উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ*, ২০০৯
৬. *অক্লান্ত আলি হাইদৰ*, ২০১০
৭. *নতুন প্ৰজন্মৰ প্ৰিয় কিতাপ*, ২০১০
৮. *পানীন্দ্ৰনাথ গগৈ*, ২০১১ (যুটীয়াভাৱে)
৯. *চৌ আইজেপ ফুকন ৰচনাৱলী*, ২০১১ (যুটীয়াভাৱে)
১০. *হেমেন্দ্ৰ কুমাৰ গগৈ*, ২০১১ (যুটীয়াভাৱে)
১১. *আলি হাইদৰৰ 'এটা চোলাৰ কাহিনী'*, ২০১১
১২. *সমাজ সাহিত্য সংস্কৃতি*, ২০১১ (যুটীয়াভাৱে)
১৩. *নতুনৰ কবিতা*, ২০১৩
১৪. *সাম্প্ৰতিক কবিতা*, ২০১৪
১৫. *শিক্ষক*, ২০১৭
১৬. *অসমীয়া সাহিত্যৰ চানেকি*, ২০১৭
১৭. *অসমীয়া বিজ্ঞান সাহিত্য*, ২০১৮
১৮. *হেমেন্দ্ৰ কুমাৰ গগৈ ৰচনা সম্ভাৰ*, ২০১৮ (যুটীয়াভাৱে)
১৯. *যোগাযোগমূলক অসমীয়া*, ২০১৯
২০. *লোক-পৰিৱেশ্য কলা*, ২০১৯

সাহিত্য অকাদেমি আৰু অসমীয়া বিভাগৰ যৌথ উদ্যোগত আয়োজিত 'স্বাধীনতাৰ পৰৱৰ্তী অসমীয়া বিজ্ঞান সাহিত্য আৰু ভ্ৰমণ সাহিত্য' শীৰ্ষক আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানত বিভাগীয় মুৰব্বী লিলি চেলেং, অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, আৰু বীজ ভাষণ প্ৰদান কৰোঁতা ড° অঞ্জন কুমাৰ ওজা। ২০১৯ চন।






অসমীয়া বিভাগে প্ৰকাশ কৰা 'চাৰিখন অসমীয়া উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ' নামৰ গ্ৰন্থখন উন্মোচন কৰিছে অধ্যক্ষ ড° বুধীন বৰুৱাই। ২০০৯ চন।

২১. *পৰ্যটন আৰু অসমীয়া সংস্কৃতি,* ২০১৯
২২. *দৃষ্টিকোণ,* ২০১৯ (যুটীয়াভাৱে)
২৩. *সাহিত্য সমালোচনা,* ২০১৯ (যুটীয়াভাৱে)
২৪. *সাহিত্য-সংস্কৃতি অধ্যয়নৰ আভাস,* ২০১৯ (যুটীয়াভাৱে)
২৫. *সাহিত্য-তত্ত্ব আৰু আলোচনা,* ২০২০ (যুটীয়াভাৱে)
২৬. *আধুনিক অসমীয়া সাহিত্যত পুৰাকথা আৰু পৌৰাণিক আখ্যানৰ প্ৰভাৱ,* ২০২১
২৭. *পদ্মনাথ গোহাঞিবৰুৱাৰ 'দেশী কছুৰৎ',* ২০২১
২৮. *অসমীয়া গদ্যৰ চানেকি,* ২০২২
২৯. *পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী,* ২০২২
৩০. ***W.W Hunter's A Statistical Account of the District of Lakhimpur;*** ২০২৩
৩১. *অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ,* ২০২৩ (যুটীয়াভাৱে)
৩২. *লীলা গগৈৰ জীৱন আৰু সাহিত্য,* ২০২৪ (যুটীয়াভাৱে)

অৰবিন্দ ৰাজখোৱাৰ সম্পাদনাত ভালেসংখ্যক আলোচনী আৰু স্মৃতিগ্ৰন্থও প্ৰকাশ পাইছে। ড° অৰবিন্দ ৰাজখোৱাই সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০২১ চনত সদৌ অসম আহোম সভাই প্ৰদান কৰা 'পদ্মনাথ গোহাঞিবৰুৱা বঁটা' লাভ কৰে। তাৰ পূৰ্বেও তেওঁ 'কথা বৈভৱ' আৰু 'শব্দ যুৱ বঁটা' লাভ কৰিছিল।

নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন সমিতিৰ দ্বিতীয় পৰ্বৰ তেওঁ সমন্বয়ক হিচাপে এঘাৰ বছৰ কাল কাৰ্যনিৰ্বাহ কৰে। এই সময়ছোৱাত কলেজ প্ৰকাশনৰ বিপণি 'গ্ৰন্থালয়' পৰিচালনাৰো দায়িত্ব বহন কৰে। ৰাজখোৱাই নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাৰ তত্ত্বাৱধায়ক হিচাপে ছয় বছৰ কাল কাৰ্যনিৰ্বাহ কৰে। এইছোৱা সময়ত পাঁচবাৰৰ বাবে 'নৰ্থ লখিমপুৰ কলেজ আলোচনী'য়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ আলোচনীৰ বঁটা লাভ কৰে।

### [১১] ড° হেমন্ত শৰ্মা

ড° হেমন্ত শৰ্মাই 'অসমৰ সোনোৱাল কছাৰী আৰু দেউৰী লোকসাহিত্য ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক বিষয়ত

গৱেষণা কৰি ২০১৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি অধ্যয়ন বিভাগৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক আছিল ড° উমেশ চন্দ্ৰ ডেকা। ড° শৰ্মাই বৰ্তমানলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত দুটা গৱেষণা প্ৰকল্পৰ কাম সম্পন্ন কৰিছে।

বৰ্তমানলৈ ড° শৰ্মাৰ সম্পাদনাত কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। যথা—

১. *হেমচন্দ্ৰ বৰুৱাৰ কানীয়াৰ কীৰ্তন*

২. *লক্ষ্মীনাথ বেজবৰুৱাৰ জয়মতী কুঁৱৰী*

৩. *অসমীয়া নাট্য সমীক্ষা*

৪. *নাট্য প্ৰকাশ*

৫. *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰেঙণি*

৬. *প্ৰায়োগিক অসমীয়া ভাষা*, ২০১১

৭. *হেমেন্দ্ৰ কুমাৰ গগৈ*, ২০১১ (যুটীয়াভাৱে)

৮. *অসমীয়া সাহিত্যৰ চানেকি ঃ এক সংক্ষিপ্ত আলোচনা*, ২০১৩

৯. *হেমেন্দ্ৰ কুমাৰ গগৈ ৰচনা সম্ভাৰ*, ২০১৮ (যুটীয়াভাৱে)

১০. *যোগাযোগমূলক অসমীয়া ভাষা*, ২০১৯

১১. *সাহিত্যতত্ত্ব*, ২০২০

১২. *সাহিত্য-সমালোচনা*, ২০২০

ড° হেমন্ত শৰ্মাই কেইবাখনো আলোচনী আৰু স্মৃতিগ্ৰন্থও সম্পাদনা কৰিছে।

ড° শৰ্মাৰ তত্ত্বাৱধানত নৰ্থ লখিমপুৰ কলেজৰপৰা দুগৰাকী গৱেষকে এম.ফিল. ডিগ্ৰী লাভ কৰিছে। তেওঁলোক হ'ল—

১. গীতাশ্ৰী দেৱী, ২০২১

২. জয়শ্ৰী শইকীয়া, ২০২৩

তেওঁৰ তত্ত্বাৱধানত বৰ্তমানে কলেজত পিএইচ. ডি. ডিগ্ৰীৰ বাবে গৱেষণা কৰি থকা গৱেষকসকল হ'ল—

১. আলফুল কৌশিক গোস্বামী

২. গীতাশ্ৰী দেৱী

**[১২] ড° ধীৰাজ পাটৰ**

ড° ধীৰাজ পাটৰে 'মৰিগাঁও জিলাৰ উৎসৱ অনুষ্ঠান ঃ এক সমীক্ষাত্মক অধ্যয়ন' শীৰ্ষক বিষয়ত গৱেষণা কৰি ২০১৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা তত্ত্বাৱধায়ক আছিল ড° কনক চন্দ্ৰ চহৰীয়া।

বৰ্তমানলৈ ড° পাটৰৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। যথা—

১. *কিমান মৰম কৰিলে তুমি মোক ভাল পাবা* (যুটীয়াভাৱে), ২০০৬

২. *তিৱা লোক-সংস্কৃতিৰ আভাস*, ২০১৩

৩. *ভালপোৱাৰ এমুঠি শঁইচ* (যুটীয়াভাৱে), ২০১৬

৪. *প্ৰেম গাথা আৰু অন্যান্য পদ্য*, ২০১৯

৫. *প্ৰসঙ্গ ঃ অসমীয়া সাহিত্য*, ২০২৪

সম্পাদিত গ্ৰন্থ—

১. *অসমীয়া সাহিত্যৰ বিচাৰ আৰু বিশ্লেষণ*, ২০১৫

২. *গৱেষণাৰ গজালি*, ২০২১

ড° ধীৰাজ পাটৰৰ মুখ্য সম্পাদনাত ২০১৫ চনৰপৰা 'সম্প্ৰীতি' নামত এখন ছমহীয়া গৱেষণা পত্ৰিকা প্ৰকাশ পায়। যথেষ্ট প্ৰভাৱপূৰ্ণ এই গৱেষণা পত্ৰিকাখন ভালেদিন ধৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'কেয়াৰ লিষ্ট'তো অন্তৰ্ভুক্ত হৈছিল।

ড° পাটৰৰ তত্ত্বাৱধানত নৰ্থ লখিমপুৰ কলেজৰপৰা দুগৰাকী গৱেষকে এম. ফিল. ডিগ্ৰী লাভ কৰিছে। তেওঁলোক হ'ল—

১. প্ৰাৰ্থনা দত্ত, ২০২১

২. প্ৰশান্ত মিলি, ২০২৩

তেওঁৰ তত্ত্বাৱধানত বৰ্তমানে কলেজত পিএইচ. ডি. ডিগ্ৰীৰ বাবে গৱেষণা কৰি থকা গৱেষকসকল হ'ল—

১. প্ৰাৰ্থনা দত্ত

২. মুন্‌মী দত্ত

৩. অসীম শইকীয়া

৪. ভৃগুত্তম বৰা

**ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্ব আৰু অৱদান**

অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে। এই বিভাগৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ সাহিত্য ক্ষেত্ৰত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। সামাজিক-সাংস্কৃতিক ক্ষেত্ৰলৈও ছাত্ৰ-ছাত্ৰীসকলৰ অৱদান আছে। চৰকাৰী আৰু বেচৰকাৰী খণ্ডত চাকৰি লাভ কৰিও বহুতে সফলতা অৰ্জন কৰিছে। তলত বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নামসমূহ দিয়া হ'ল। অৱশ্যে তথ্য সংগ্ৰহৰ সীমাবদ্ধতাৰ বাবে এই তালিকাই পূৰ্ণাঙ্গ ৰূপ লাভ কৰা নাই।


**[১] চৰকাৰী চাকৰি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল**

অসমীয়া বিভাগৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন চৰকাৰী বিভাগত চাকৰি লাভ কৰিছে। তাৰে অধিক সংখ্যকেই কলেজ শিক্ষক। তথ্য সংগ্ৰহৰ বাবে বাতৰি-কাকত, সামাজিক মাধ্যম আৰু বহুতৰে লগত ব্যক্তিগত ভাৱেও যোগাযোগ কৰা হৈছিল। কিন্তু সকলো তথ্য সংগ্ৰহ কৰিব পৰা নগ'ল। সীমাবদ্ধতাৰ মাজতে নাম সংগ্ৰহ কৰিব পৰা তেনে কিছুসংখ্যক প্ৰাক্তন ছাত্ৰ-

ছাত্ৰীৰ তথ্য দিয়া হ'ল—
১. ড° **হেমন্ত কুমাৰ বৰুৱা** ঃ অধ্যক্ষ, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়
২. **দীপাঞ্জলি দত্ত** ঃ ভাৰপ্ৰাপ্ত অধ্যক্ষ, লখিমপুৰ বালিকা মহাবিদ্যালয়
৩. **স্বপ্না চেতিয়া গগৈ** ঃ সহযোগী অধ্যাপিকা, লখিমপুৰ বালিকা মহাবিদ্যালয়
৪. **অঞ্জলিকা ৰাজখোৱা** ঃ সহযোগী অধ্যাপিকা, এল. টি. কে. মহাবিদ্যালয়
৫. **চালেহা বেগম** ঃ সহযোগী অধ্যাপিকা, লখিমপুৰ বালিকা মহাবিদ্যালয়
৬. **কোযেশ্বৰ শৰ্মা** ঃ সহযোগী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
৭. **লিলি চেলেং** ঃ সহযোগী অধ্যাপিকা, নৰ্থ লখিমপুৰ কলেজ
৮. **প্ৰদীপ কুমাৰ শইকীয়া** ঃ সহযোগী অধ্যাপক, পানীগাঁও অ.পি.ডি. মহাবিদ্যালয়
৯. **বিষ্ণু বৰবৰা** ঃ বিষয় শিক্ষক, বগীনদী উচ্চতৰ মাধ্যমিক বিদ্যালয়
১০. **ৰমেন হাজৰিকা** ঃ সহযোগী অধ্যাপক, মাৰ্ঘেৰিটা মহাবিদ্যালয়
১১. **মায়াশ্ৰী গোস্বামী** ঃ সহযোগী অধ্যাপিকা, শিৱসাগৰ মহাবিদ্যালয়
১২. ড° **অপূৰ্ব বৰা** ঃ সহযোগী অধ্যাপক, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়
১৩. ড° **ৰঞ্জন ভট্টাচাৰ্য** ঃ সহযোগী অধ্যাপক, দেৱীচৰণ বৰুৱা মহাবিদ্যালয়
১৪. ড° **মৃদুল শৰ্মা** ঃ সহযোগী অধ্যাপক, ডিব্ৰুগড় সুৰযমল হনুমানবক্স কানৈ মহাবিদ্যালয়
১৫. ড° **ত্ৰিনয়ন দত্ত** ঃ সহকাৰী অধ্যাপক, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়
১৬. **অচ্যুৎ গগৈ** ঃ সহকাৰী অধ্যাপক, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়
১৭. **মনোজ বৰুৱা** ঃ সহকাৰী অধ্যাপক, মাছখোৱা কলেজ
১৮. ড° **ৰত্নেশ্বৰ মিলি** ঃ সহকাৰী অধ্যাপক, ললিত চন্দ্ৰ ভৰালী কলেজ
১৯. **প্ৰশান্ত দাস** ঃ সহকাৰী অধ্যাপক, কলাবাৰী মহাবিদ্যালয়
২০. ড° **অৰুণিমা দাস** ঃ সহযোগী অধ্যাপিকা, এইচ. পি. বি. গাৰ্লচ কলেজ
২১. **ধ্ৰুৱ চৰ্দাৰ** ঃ সহকাৰী অধ্যাপক, দেৱৰাজ ৰয় কলেজ
২২. ড° **হেমন্ত শৰ্মা** ঃ সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
২৩. ড° **অম্বেশ্বৰ গগৈ** ঃ সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়
২৪. **জুলী বৰা** ঃ বিষয় শিক্ষক, পানীগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়
২৫. ড° **সুনীল সন্দিকৈ** ঃ সহকাৰী অধ্যাপক, এইচ. পি. বি. গাৰ্লচ কলেজ
২৬. ড° **ধৰ্মেন্দ্ৰ দত্ত** ঃ সহকাৰী অধ্যাপক, কাকজান মহাবিদ্যালয়
২৭. ড° **চিত্ৰজিৎ শইকীয়া** ঃ সহকাৰী অধ্যাপক, দুলীয়াজান মহাবিদ্যালয়
২৮. **প্ৰণৱ বৰুৱা** ঃ সহকাৰী অধ্যাপক, লালুক মহাবিদ্যালয়
২৯. **ৰাজীৱ শইকীয়া** ঃ বিষয় শিক্ষক, জে.এন.ভি. শিৱসাগৰ
৩০. ড° **ভাস্কৰজিৎ বৰা** ঃ সহকাৰী অধ্যাপক, এল. টি. কে. মহাবিদ্যালয়
৩১. ড° **দীপকজ্যোতি মহন্ত** ঃ সহকাৰী অধ্যাপক, গোৰেশ্বৰ মহাবিদ্যালয়
৩২. ড° **প্ৰভাত ভূঞা** ঃ সহকাৰী অধ্যাপক, অসম বিশ্ববিদ্যালয়
৩৩. **ৰমেন দত্ত** ঃ বিষয় শিক্ষক, পৃথুবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়
৩৪. **বন্তি বৰা** ঃ শিক্ষক, মদাৰখাট ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়
৩৫. **চন্দ্ৰমা নাথ** ঃ শিক্ষক, গোহাঁই কমল উচ্চতৰ মাধ্যমিক বিদ্যালয়
৩৬. **দিব্যজ্যোতি হাজৰিকা** ঃ শিক্ষক, লীলাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়
৩৭. **কৰুণাকান্ত হাজৰিকা** ঃ প্ৰবক্তা, 'ডায়েট', লখিমপুৰ
৩৮. **উৎপল চুতীয়া** ঃ সহকাৰী শিক্ষক, দক্ষিণ চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়, ঢকুৱাখনা
৩৯. **ৰীমা শইকীয়া** ঃ বিষয় শিক্ষয়িত্ৰী, হাৰ্হি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ঢকুৱাখনা
৪০. ড° **ব্ৰজেন শৰ্মা** ঃ সহকাৰী অধ্যাপক, দেইথৰ আদৰ্শ মহাবিদ্যালয়
৪১. ড° **বিশ্ব হাজৰিকা** ঃ সহকাৰী অধ্যাপক, পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়, বিহালী
৪২. ড° **বিমল বসুমতাৰী** ঃ সহকাৰী অধ্যাপক, বিহপুৰীয়া মহাবিদ্যালয়
৪৩. **ৰূপাঞ্জলি দেৱী** ঃ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কাৰ্বি আংলং
৪৪. **অজিত বৰ্মন** ঃ বিষয় শিক্ষক, নাওবৈচা উচ্চতৰ মাধ্যমিক বিদ্যালয়
৪৫. ড° **সঞ্জীৱ বৰা** ঃ সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ

ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪৬. **কুসুম্বৰ চেতিয়া** ঃ সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
৪৭. **ড° ৰিঞ্জুমণি হাজৰিকা** ঃ সহকাৰী অধ্যাপক, মৰাণ মহাবিদ্যালয়
৪৮. **ড° অংকুৰ দত্ত** ঃ সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়
৪৯. **ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই** ঃ সহকাৰী অধ্যাপক, দুলীয়াজান মহাবিদ্যালয়
৫০. **ড° ডলী চুতীয়া** ঃ সহকাৰী অধ্যাপক, ডিব্ৰু মহাবিদ্যালয়
৫১. **ড° ৰণদ্বীপ বড়া** ঃ সহকাৰী অধ্যাপক, এল. টি. কে. মহাবিদ্যালয়
৫২. **সবিতা দেৱী** ঃ সহকাৰী শিক্ষক, ৰঙাজান হাইস্কুল, লখিমপুৰ
৫৩. **হিৰণজ্যোতি বৰুৱা** ঃ মণ্ডল, লখিমপুৰ
৫৪. **ড° চন্দনজ্যোতি চুতীয়া** ঃ সহকাৰী অধ্যাপক, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়
৫৫. **ডন সোণোৱাল** ঃ সহকাৰী অধ্যাপক, দুধনৈ মহাবিদ্যালয়
৫৬. **ড° সমুজ্জ্বল শইকীয়া** ঃ সহকাৰী অধ্যাপক, মৰিগাঁও মহাবিদ্যালয়
৫৭. **ড° পৰেশ খনিকৰ** ঃ সহকাৰী অধ্যাপক, নাহৰকটীয়া মহাবিদ্যালয়
৫৮. **নেলচন দলে** ঃ সহকাৰী শিক্ষক, চলচলি বালিকা মজলীয়া বিদ্যালয়
৫৯. **বৈকুণ্ঠ বৰা** ঃ সহকাৰী শিক্ষক
৬০. **মৃদুস্মিতা মহন্ত** ঃ সহকাৰী শিক্ষয়িত্ৰী, মৰিচল ধুনাগুৰি নিম্ন প্ৰাথমিক বিদ্যালয়
৬১. **প্ৰণামী দাস** ঃ সহকাৰী শিক্ষয়িত্ৰী, জীয়াঢল কাংকান চাপৰি বিদ্যালয়
৬২. **মমতা প্ৰসাদ** ঃ সহকাৰী শিক্ষয়িত্ৰী, পভুমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়
৬৩. **দিপীকা চেতিয়া** ঃ জনস্বাস্থ্য বিভাগ
৬৪. **গৌৰি চেতিয়া** ঃ সহকাৰী শিক্ষক, দিনজয় হাজাৰিমল উচ্চতৰ মাধ্যমিক বিদ্যালয়

কলকাতাৰ ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগ আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত আয়োজিত 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্ম' শীৰ্ষক আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানত অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, ড° শেখ মকবুল ইছলাম, বাসুদেৱ দাস আৰু অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা। ২০২৩।



৬৫. **বিতু বৰা** ঃ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান তিনিচুকীয়া

৬৬. **ড° চয়নিকা বৰা** ঃ সহকাৰী অধ্যাপক, গোগামুখ মহাবিদ্যালয়

৬৭. **লোকপ্ৰিয়া সন্দিকৈ** ঃ উপ-পৰিদৰ্শক, অসম আৰক্ষী

৬৮. **যামিনী চেতিয়া** ঃ সহকাৰী শিক্ষয়িত্ৰী, বধাকৰা উচ্চ মাধ্যমিক বিদ্যালয়

৬৯. **ৰুবী দত্ত** ঃ সহকাৰী শিক্ষয়িত্ৰী, ১৩৪ নং লালুক প্ৰাথমিক বিদ্যালয়

৭০. **সংগীতা গগৈ** ঃ সহকাৰী শিক্ষয়িত্ৰী, ৩ নং বিলগড় প্ৰাথমিক বিদ্যালয়

৭১. **হৰিপ্ৰভা চাংমাই** ঃ সহকাৰী শিক্ষয়িত্ৰী, বৰপাক প্ৰাথমিক বিদ্যালয়

৭২. **কৰবী বৰুৱা** ঃ সহকাৰী শিক্ষয়িত্ৰী, বাগেশ্বৰী বালিকা প্ৰাথমিক বিদ্যালয়

৭৩. **গীতাশ্ৰী দেৱী** ঃ সহকাৰী শিক্ষয়িত্ৰী, ৩ নং আহুবাৰী প্ৰাথমিক বিদ্যালয়

৭৪. **পৰিস্মিতা সোণোৱাল** ঃ সহকাৰী শিক্ষয়িত্ৰী, ওপৰ তাপাল প্ৰাথমিক বিদ্যালয়

৭৫. **পুলিন ভূঞা** ঃ সহকাৰী শিক্ষক, এ. কে. আজাদ গাৰ্লছ এম.ই. স্কুল

৭৬. **দীপশিখা বড়া** ঃ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

৭৭. **জ্যোতিষ্মান দাস** ঃ সহকাৰী অধ্যাপক, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়

৭৮. **ৰুবী বৰা** ঃ সহকাৰী অধ্যাপিকা, মাজুলী মহাবিদ্যালয়

৭৯. **লেখিকা গগৈ** ঃ সহকাৰী অধ্যাপক, সাপতগ্ৰাম মহাবিদ্যালয়

৮০. **বিদ্যুৎ দত্ত** ঃ সহকাৰী অধ্যাপক, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

৮১. **পুৰন্দ গগৈ** ঃ সহকাৰী অধ্যাপক, ধিং মহাবিদ্যালয়

৮২. **মৃণালী পেগু** ঃ সহকাৰী অধ্যাপিকা, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়

৮৩. **অনিতা বিশ্ব শৰ্মা** ঃ সহকাৰী অধ্যাপক, ধিং মহাবিদ্যালয়

৮৪. **ড° ৰূপম গগৈ** ঃ সহকাৰী অধ্যাপক, বিকালী মহাবিদ্যালয়

৮৫. **প্ৰদীপ ভৰালী** ঃ সহকাৰী শিক্ষক, শিমলুগুৰি বালিকা মধ্য ইংৰাজী বিদ্যালয়, শিমলুগুৰি

৮৬. **গায়ত্ৰী শইকীয়া** ঃ সহকাৰী শিক্ষক, কলাবাৰী

৮৭. **জ্যোতিস্মিতা গগৈ** ঃ সহকাৰী শিক্ষয়িত্ৰী, হাতীগড় প্ৰাথমিক বিদ্যালয়, ছয়গাঁও।

৮৮. **ৰাজীৱ হাজৰিকা** ঃ সহকাৰী অধ্যাপক, ৰঙাচাহী মহাবিদ্যালয়

৮৯. **পম্পী হাজৰিকা** ঃ উপ-পৰিদৰ্শক, অসম আৰক্ষী

৯০. **পংকজ মৰাং** ঃ শিক্ষক, উত্তৰ-পশ্চিম দেৰলডি এম.ভি.

মাৰ্ঘেৰিটাৰ কেটেতং গাঁৱত অসমীয়া বিভাগৰ ক্ষেত্ৰ অধ্যয়ন। ২০২৩ চন।



স্কুল
৯১. **হেমাশ্ৰী পাৰে** ঃ সহকাৰী অধ্যাপক, পশ্চিম গোৱালপাৰা মহাবিদ্যালয়
৯২. **সঞ্জয় আচাৰ্য** ঃ সহকাৰী অধ্যাপক, কমাৰগাঁও মহাবিদ্যালয়
. ৯৩. **কাশ্মীৰী শইকীয়া** ঃ প্ৰধান শিক্ষয়িত্ৰী, জ্যোতিনগৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়
৯৪. **দেৱাশিস বুঢ়াগোহাঁই** ঃ সহকাৰী অধ্যাপক, কে.চি. দাস বাণিজ্য মহাবিদ্যালয়
৯৫. **কিৰণ দাস** ঃ সহকাৰী অধ্যাপক, দক্ষিণ কামৰূপ ছোৱালী কলেজ
৯৬. **ডিপু বৰগোহাঁই** ঃ অসম আৰক্ষী
৯৭. **অমল নাথ** ঃ সহকাৰী অধ্যাপক, নিৰ্মল হালৈ মহাবিদ্যালয়

### [২] অংশকালীন বা বেচৰকাৰী চাকৰিত থকা ছাত্ৰ-ছাত্ৰীসকল

১. **মুন্মী দত্ত** ঃ সহকাৰী অধ্যাপিকা, নৰ্থ লখিমপুৰ কলেজ
২. **অজয় ফোগলা** ঃ অধিবক্তা, ধেমাজি জিলা ন্যায়ালয়
৩. **মিণ্টু শইকীয়া** ঃ অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়
৪. **সীমান্ত ডেকা** ঃ অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়
৫. **ড° অসীম চুতীয়া** ঃ অধ্যক্ষ (ভাৰপ্ৰাপ্ত), চেপন মহাবিদ্যালয়
৬. **অসীম শইকীয়া** ঃ সহকাৰী অধ্যাপক, ডিব্ৰুগড় সূৰযমল হনুমানবক্স কানৈ মহাবিদ্যালয়
৭. **কৌশিক বৰা** ঃ পূব অসম দুগ্ধ সংস্থা
৮. **ৰিপু চেতিয়া** ঃ সহকাৰী শিক্ষক, জিনিয়াছ একাডেমী
৯. **মোহন দাস** ঃ পৰিচালক, ৰূপায়ন বুক ডিষ্ট্ৰিবিউটৰ
১০. **জ্যোতি ৰয়** ঃ বিষয় শিক্ষক, শংকৰদেৱ শিশু নিকেতন, বৰঙাবাৰী, গহপুৰ
১১. **কৌশলজিৎ গগৈ** ঃ সহকাৰী শিক্ষক, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়, মঙ্গলদৈ
১২. **মলয়া বৰুৱা** ঃ বিষয় শিক্ষক, খ্ৰাইষ্ট কিং হায়াৰ চেকেণ্ডাৰী স্কুল
১৩. **ৰবী চুতীয়া** ঃ কাৰ্যালয় সহায়ক, লখিমপুৰ প্ৰফেচনেল একাডেমী
১৪. **ধৰ্মেন্দ্ৰ বৰা** ঃ বিষয় শিক্ষক, কাইজেন একাডেমী, ঢকুৱাখন
১৫. **ভাস্কৰ ভূঞা** ঃ অতিথি অধ্যাপক, তেজপুৰ বিশ্ববিদ্যালয়
১৬. **প্ৰকাশজ্যোতি শইকীয়া** ঃ সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
১৭. **অঞ্জুমণি বৰা** ঃ সহায়িকা, এক্সিছ বেংক, লখিমপুৰ
১৮. **বিশ্বজিৎ দত্ত** ঃ সহায়ক, এক্সিছ বেংক, ইটানগৰ
১৯. **বিতুপন ধনদিয়া** ঃ সহকাৰী শিক্ষক, মাৰ্কাজ একাডেমী, লালুক
২০. **বাস্তৱ বৰা** ঃ বিষয় শিক্ষক, অসমীয়া বিভাগ, ডঃ ৰাধাকৃষ্ণন, স্কুল অৱ আৰ্টচ কমাৰ্চ এণ্ড চায়েন্স, ডিব্ৰুগড়
২১. **তমস্কৃত চুতীয়া** ঃ ইউট'পিয়ান একাডেমী, চিলাপথাৰ
২২. **পবিত্ৰ তাঁতী** ঃ অংশকালীন সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ছয়দুৱাৰ কলেজ
২৩. **দিপীকা গগৈ** ঃ বিষয় শিক্ষয়িত্ৰী, অজগৰ ভেলী একাডেমী, গোৱালপাৰা
২৪. **নাচৰিন আক্তাৰ** ঃ বিষয় শিক্ষয়িত্ৰী, ছাছ ইণ্টাৰনেচনেল মডেল স্কুল, হোজাই।
২৫. **পল্লৱী গগৈ** ঃ বিষয় শিক্ষয়িত্ৰী, চান্দমাৰী জাতীয় বিদ্যালয়, লখিমপুৰ
২৬. **কংকণা ভূঞা** ঃ অংশকালীন সহকাৰী অধ্যাপিকা, চিচিবৰগাঁও কলেজ, ধেমাজি
২৭. **সংঘমিত্ৰা বৰা** ঃ বিষয় শিক্ষয়িত্ৰী, বঙালমৰা একাডেমী
২৮. **প্ৰকাশ দাস** ঃ শিক্ষক, এচিভাৰ একাডেমী, লখিমপুৰ
২৯. **শিল্পী গগৈ** ঃ প্ৰকল্প সহায়ক, এ.আই.ফ'ৰ ভাৰত, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজ (AI4Bharat, IIT Madras)
৩০. **মুনমী শৰ্মা** ঃ বিষয় শিক্ষক, বঙালমৰা একাডেমী, লখিমপুৰ
৩১. **থানেশ্বৰ পগাগ** ঃ বিষয় শিক্ষক, ডাউন টাউন গুৰুকুল মৰাণহাট
৩২. **কুকি দাস** ঃ বিষয় শিক্ষয়িত্ৰী, লখিমপুৰ কেন্দ্ৰীয় বিদ্যালয়
৩৩. **লিপিকা সোণোৱাল** ঃ বিষয় শিক্ষয়িত্ৰী, লুমিনাচ একাডেমী, বিহপুৰীয়া
৩৪. **ঋষভ চুতীয়া** ঃ অসম আদিত্য, ডিব্ৰুগড়
৩৫. **পংকজ খনিকৰ** ঃ কৃষি জাগৰণ অসমীয়া সংবাদ মাধ্যম, দিল্লী
৩৬. **জ্যোতিপ্ৰসাদ সোণোৱাল** ঃ চি. এচ. চি. কেন্দ্ৰ, লখিমপুৰ
৩৭. **পংখী বৰা** ঃ বিষয় শিক্ষয়িত্ৰী, শ্ৰীচৈতন্য চিনিয়ৰ চেকেণ্ডাৰী স্কুল, লখিমপুৰ
৩৮. **নমিতা কোঁচ** ঃ হেল্থ কাউন্সেলৰ, ধেমাজি
৩৯. **পম্পী গগৈ** ঃ অংশকালীন সহকাৰী অধ্যাপিকা, লখিমপুৰ বালিকা মহাবিদ্যালয়
৪০. **প্ৰিয়ংকা বৰা** ঃ বিষয় শিক্ষয়িত্ৰী, পুলিবৰ জুনিয়ৰ কলেজ
৪১. **শোভাকৃষ্ণা ফুকন** ঃ সহকাৰী অধ্যাপিকা, নৰ্থ লখিমপুৰ কলেজ
৪২. **প্ৰাৰ্থনা দত্ত** ঃ সহকাৰী অধ্যাপিকা, নৰ্থ লখিমপুৰ কলেজ
৪৩. **কল্যাণজ্যোতি হাজৰিকা** ঃ ব্যৱসায়িক বিষয়া, ভিৰবেক এনিমেল হেলথ্ ইণ্ডিয়া প্ৰাইভেট লিমিটেড

৪৪. **কংকনা বাৰিক** ঃ অংশকালীন সহকাৰী অধ্যাপিকা, নৰ্থ লখিমপুৰ কলেজ

**[৩] শৈক্ষিক ক্ষেত্ৰত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল**

২০১৫ চনলৈকে নৰ্থ লখিমপুৰ কলেজৰ পৰীক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ে। সেই সময়লৈকে অসমীয়া বিভাগৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে স্নাতক চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁলোক হ'ল—

১. **মৃদুল শৰ্মা** ঃ প্ৰথম শ্ৰেণীৰ প্ৰথম, ১৯৯৬
২. **ৰাজীৱ শইকীয়া** ঃ প্ৰথম শ্ৰেণীৰ তৃতীয়, ২০০৩
৩. **ডিম্বজ্যোতি বৰুৱা** ঃ প্ৰথম শ্ৰেণীৰ চতুৰ্থ, ২০০৫
৪. **দীপকজ্যোতি মহন্ত** ঃ প্ৰথম শ্ৰেণীৰ প্ৰথম, ২০০৬
৫. **ৰমেন দত্ত** ঃ প্ৰথম শ্ৰেণীৰ দ্বিতীয়, ২০০৬
৬. **বন্তি বৰা** ঃ প্ৰথম শ্ৰেণীৰ চতুৰ্থ, ২০০৬
৭. **সৰলা দত্ত** ঃ প্ৰথম শ্ৰেণীৰ ষষ্ঠ, ২০০৮
৮. **ব্ৰজেন শৰ্মা** ঃ প্ৰথম শ্ৰেণীৰ প্ৰথম, ২০০৯
৯. **ৰূপাঞ্জলি দেৱী** ঃ প্ৰথম শ্ৰেণীৰ তৃতীয়, ২০০৯
১০. **দীপিকা বৰুৱা** ঃ প্ৰথম শ্ৰেণীৰ ৩২তম স্থান, ২০০৯
১১. **বিমল বসুমতাৰী** ঃ প্ৰথম শ্ৰেণীৰ ৩৬তম স্থান, ২০০৯
১২. **বিশ্ব হাজৰিকা** ঃ প্ৰথম শ্ৰেণীৰ ৪৪তম স্থান, ২০০৯
১৩. **নিৰূপম বৰুৱা** ঃ প্ৰথম শ্ৰেণীৰ ৫৭তম স্থান, ২০০৯
১৪. **অজিত বৰ্মন** ঃ প্ৰথম শ্ৰেণীৰ ৮ম স্থান, ২০১০
১৫. **ৰণদ্বীপ বড়া** ঃ প্ৰথম শ্ৰেণীৰ ১১ স্থান, ২০১০
১৬. **কুসুম্বৰ চেতিয়া** ঃ প্ৰথম শ্ৰেণীৰ ১২ স্থান, ২০১০
১৭. **সঞ্জীৱ বৰা** ঃ প্ৰথম শ্ৰেণীৰ ১৩ স্থান, ২০১০
১৮. **লক্ষ্যজিৎ বুঢ়াগোহাঁই** ঃ প্ৰথম শ্ৰেণীৰ ১৯ স্থান, ২০১০
১৯. **অল্পনা দত্ত** ঃ প্ৰথম শ্ৰেণীৰ ৪৫তম স্থান, ২০১০
২০. **ৰিঞ্জুমণি হাজৰিকা** ঃ প্ৰথম শ্ৰেণীৰ প্ৰথম, ২০১১
২১. **ডলী চুতীয়া** ঃ প্ৰথম শ্ৰেণীৰ তৃতীয়, ২০১১
২২. **অংকুৰ দত্ত** ঃ প্ৰথম শ্ৰেণীৰ পঞ্চম, ২০১১
২৩. **নিপামণি টায়ে** ঃ প্ৰথম শ্ৰেণীৰ ত্ৰয়োদশ, ২০১১
২৪. **দেৱযানী হাজৰিকা** ঃ প্ৰথম শ্ৰেণীৰ ২৯তম স্থান, ২০১১
২৫. **মেঘালী চেতিয়া** ঃ প্ৰথম শ্ৰেণীৰ ৪৫তম স্থান, ২০১১
২৬. **তৰুলতা বৰুৱা** ঃ প্ৰথম শ্ৰেণীৰ ৪৫তম স্থান, ২০১১
২৭. **জ্যোতিৰেখা গোস্বামী** ঃ প্ৰথম শ্ৰেণীৰ ৪৬তম স্থান, ২০১১

২০১১ চনৰ পাছৰ তথ্যসমূহ সংৰক্ষিত হৈ নথকাৰ বাবে ইয়াত সংযোগ কৰিব পৰা হোৱা নাই।

**[৪] নেট, শ্লেট আৰু জে.আৰ.এফ. লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল**

অসমীয়া বিভাগৰপৰা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নেট, শ্লেট তথা জুনিয়ৰ ৰিচাৰ্ছ ফেল'শ্বিপ লাভ কৰিছে। তেওঁলোক প্ৰত্যেকৰে তথ্য ৰখাটো সম্ভৱ হোৱা নাই। কিন্তু ২০১৪ চনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ পাছত এই বিভাগৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বা পঢ়ি থকা যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই সফলতা অৰ্জন কৰিছে তেওঁলোকৰ নাম তলত দিয়া হ'ল—

১. সমুজ্জ্বল শইকীয়া (নেট, জে.আৰ. এফ.), ২০১৫
২. দীপিকা চেতিয়া (নেট), ২০১৫
৩. জেৰিণা শইকীয়া (নেট), ২০১৫
৪. গৌৰি চেতিয়া (নেট), ২০১৬
৫. মিগম পেগু (নেট), ২০১৬
৬. পূৰ্বজ্যোতি চুতীয়া (নেট), ২০১৬
৭. অসীম শইকীয়া (নেট), ২০১৭
৮. নেলচন দলে (নেট), ২০১৭
৯. পৰেশ খনিকৰ (নেট), ২০১৭
১০. ৰাকেশ পেগু (নেট), ২০১৮
১১. অমল নাথ (নেট, জে.আৰ.এফ.), ২০১৬
১২. চয়নিকা বৰা (নেট, জে.আৰ.এফ.), ২০১৬
১৩. অনিতা বিশ্বশৰ্মা (নেট, জে.আৰ.এফ.), ২০১৮
১৪. বিতু বড়া (নেট, শ্লেট), ২০১৬
১৫. গীতাশ্ৰী দেৱী (নেট), ২০১৭
১৬. সংগীতা গগৈ (নেট), ২০১৭
১৭. হৰিপ্ৰভা চাংমাই (নেট), ২০১৯
১৮. নূপুৰ বৰা (নেট, শ্লেট, ২০২২; জে. আৰ. এফ, ২০২৩)
১৯. ভাস্কৰ ভূঞা (নেট), ২০১৭
২০. জোনমণি দত্ত (নেট, জে.আৰ.এফ.), ২০১৭
২১. প্ৰদীপ ভৰালী (নেট), ২০১৭
২২. বাস্তৱ বৰা (নেট), ২০১৭
২৩. পৰেশ দাস (নেট, শ্লেট, জে. আৰ. এফ.), ২০১৭
২৪. দীপাংকৰ বৰুৱা (নেট, জে.আৰ.এফ.), ২০১৭
২৫. নীতা পেগু (নেট), ২০১৭
২৬. মৃণালী পেগু (নেট, জে.আৰ.এফ.), ২০১৭
২৭. ৰূপম গগৈ (নেট), ২০১৭
২৮. নয়নতৰা দলে (নেট), ২০১৭
২৯. প্ৰকাশজ্যোতি শইকীয়া (নেট), ২০১৭
৩০. তমস্কৃত চুতীয়া (নেট), ২০২০
৩১. মালবিকা বৰা (নেট), ২০২০
৩২. ভায়লীনা শইকীয়া (নেট), ২০২২
৩৩. ভবেন্দ্ৰ দাস (নেট, জে.আৰ.এফ.), ২০১৮



নেচাৰ্ছ বেকনৰ লগত নৰ্থ লখিমপুৰ কলেজৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। ২০২২ চন। বাওঁফালৰপৰা ক্ৰমে— মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা, নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদ্বীপ দত্ত, অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ আৰু মুনমী দত্ত।

৩৪. প্ৰতীক্ষা কলিতা (নেট, জে.আৰ.এফ.), ২০১৯
৩৫. পল্লৱী বৰা (নেট), ২০১৯
৩৬. মমী মৰাং (নেট, শ্লেট), ২০১৯
৩৭. সুৰেশ দেৱনাথ (নেট, শ্লেট),২০১৯ জে.আৰ.এফ. ২০২২
৩৮. সঞ্জয় আচাৰ্য (নেট), ২০১৯
৩৯. ৰাজীৱ হাজৰিকা (নেট, জে.আৰ.এফ.), ২০১৯
৪০. পূবালী বৰা (নেট, জে.আৰ.এফ., শ্লেট), ২০২২
৪১. জ্যোতি বৰা (নেট, শ্লেট), ২০২২
৪২. ৰুমী বৰা (নেট, জে.আৰ.এফ., শ্লেট), ২০২২
৪৩. ভীষ্মা সোনোৱাল (নেট), ২০২০
৪৪. বিনীতা দেৱী (নেট), ২০২২
৪৫. নয়নমণি সোণোৱাল (নেট), ২০২২
৪৬. আশা গগৈ (নেট, শ্লেট), ২০২৩
৪৭. বৰষা গগৈ (নেট, শ্লেট), ২০২৩
৪৮. কংকনা বাৰিক (নেট, শ্লেট), ২০২৩
৪৯. চিৰঞ্জীৱ গগৈ (নেট), ২০২৩
৫০. কৰবী বৰুৱা (নেট), ২০২৩
৫১. তুলিকা তামুলী (নেট, শ্লেট), ২০২৪
৫২. ঋতুৰাজ বৰুৱা (নেট), ২০২৪
৫৩. চয়নিকা গোহাঁই (নেট), ২০২৪
৫৪. পল্লৱী গগৈ (নেট), ২০২৪

অসমীয়া বিভাগৰ এম.ফিল. পাঠ্যক্ৰমত অধ্যয়নৰ সময়ত নেট আৰু শ্লেট উত্তীৰ্ণ হোৱাসকল হ'ল—

১. শোভাকৃষ্ণা ফুকন (নেট ), ২০২২
২. পপী বৰুৱা (নেট ), ২০২৩
৩. নীলাক্ষি বৰগোহাঁই (শ্লেট), ২০২৩

### [৫] মহাবিদ্যালয় সপ্তাহৰ সফলতা

নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাই ২০১৩ চনৰ পৰা মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ বিভাগৰ বঁটা প্ৰৱৰ্তন কৰে। তেতিয়াৰে পৰা অসমীয়া বিভাগে লাভ কৰা স্থান এনেধৰণৰ—

| বৰ্ষ | স্থান |
|---|---|
| ২০১৩ | দ্বিতীয় শ্ৰেষ্ঠ বিভাগ |
| ২০১৪ | শ্ৰেষ্ঠ বিভাগ |
| ২০১৫ | শ্ৰেষ্ঠ বিভাগ |
| ২০১৬ | শ্ৰেষ্ঠ বিভাগ |
| ২০১৭ | শ্ৰেষ্ঠ বিভাগ |
| ২০১৮ | শ্ৰেষ্ঠ বিভাগ |
| ২০১৯ | শ্ৰেষ্ঠ বিভাগ |
| ২০২০ | শ্ৰেষ্ঠ বিভাগ |
| ২০২১ | ক'ভিদৰ বাবে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত নহ'ল |
| ২০২২ | দ্বিতীয় শ্ৰেষ্ঠ বিভাগ |
| ২০২৩ | শ্ৰেষ্ঠ বিভাগ |

### [৬] বিভাগীয় চ'ৰা

১৯৯৪ চনত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এটি বিভাগীয় চ'ৰা গঠন কৰে। এই চ'ৰাই এটা বছৰৰ বাবে বিভাগৰ সকলো কাম কাজ পৰিচালনা কৰে। এই চ'ৰাৰ সম্পাদকসকল হ'ল—

১. মৃদুল শৰ্মা— ১৯৯৪-৯৫
২. প্ৰশান্ত কুমাৰ দাস— ১৯৯৫-৯৬
৩. ৰাজু দাস— ১৯৯৬-৯৭
৪. মুকুল কাকতী— ১৯৯৭-৯৮
৫. দেৱজিৎ বৰা— ১৯৯৮-৯৯
৬. সুনীল সন্দিকৈ— ১৯৯৯-২০০০
৭. মৌচুম বৰা— ২০০০-২০০১
৮. শশাংক গগৈ— ২০০১-২০০২
৯. ভাস্কৰজিৎ বৰা— ২০০৪-২০০৫
১০. ৰাজু বৰা— ২০০৫-২০০৬

১১. অসীম চুতীয়া— ২০০৬-২০০৭
১২. বিমল বসুমতাৰী— ২০০৭-২০০৮
১৩. কুসুম্বৰ চেতিয়া— ২০০৮-২০০৯
১৪. অংকুৰ দত্ত— ২০০৯-২০১০
১৫. ৰিণ্টু শইকীয়া— ২০১০-২০১১
১৬. দিব্যজ্যোতি দাস— ২০১১-২০১২
১৩. অসীমজ্যোতি গগৈ— ২০১২-২০১৩
১৪. পুনমজ্যোতি বুঢ়াগোহাঁই— ২০১৩-২০১৪
১৫. বিশ্বজিৎ দত্ত— ২০১৪-২০১৫
১৬. পুৰন্দ গগৈ— ২০১৫-২০১৬
১৭. (ক) শোভাকৃষ্ণা ফুকন— (স্নাতক, ২০১৬-১৭)
(খ) বিকাশ ভূঞা— (স্নাতকোত্তৰ, ২০১৬-১৭)
১৮. (ক) অনাস্মিতা পাটগিৰি— (স্নাতক, ২০১৭-১৮)
(খ) বিশ্বজিৎ দত্ত— (স্নাতকোত্তৰ, ২০১৭-১৮)
১৯. (ক) দেৱাশিস বুঢ়াগোহাঁই— (স্নাতক, ২০১৮-১৯)
(খ) হেমন্ত দাং— (স্নাতকোত্তৰ, ২০১৮-১৯)
২০. (ক) প্ৰাণজিৎ চুতীয়া— (স্নাতক, ২০১৯-২০)
(খ) ৰাকেশ সঁজাতি— (স্নাতকোত্তৰ, ২০১৯-২০)
২১. (ক) স্বপ্নীল দত্ত ব্যাস — (স্নাতক, ২০২০-২১)
(খ) নাচৰিন আক্তাৰ — (স্নাতকোত্তৰ, ২০২০-২১)
২২. (ক) ঋতুৰাজ বৰুৱা — (স্নাতক, ২০২১-২২)
(খ) বিতোপন কাকতি— (স্নাতকোত্তৰ, ২০২১-২২)
২৩. (ক) দেৱব্ৰত শইকীয়া — (স্নাতক, ২০২২-২৩)
(খ) নিৰঞ্জন দাস — (স্নাতকোত্তৰ, ২০২২-২৩)
২৪. (ক) শ্ৰীমন্ত হাজৰিকা — (স্নাতক, ২০২৩-২৪)
(খ) চিৰঞ্জীৱ গগৈ— (স্নাতকোত্তৰ, ২০২৩-২৪)
২৫. (ক) ধৰিত্ৰী চুতীয়া — (স্নাতক, ২০২৪-২৫)
(খ) দিব্যজ্যোতি শইকীয়া— (স্নাতকোত্তৰ, ২০২৪-২৫)

**[৭] প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অন্যান্যসকলৰ অৱদান**

**১. ভূপেন বৰা ঃ (ক)** ২০০৮ চনত কলেজৰ প্ৰাক্তন ছাত্ৰ তথা বিধায়ক ভূপেন বৰাই অসমীয়া বিভাগক এটি কম্পিউটাৰ প্ৰদান কৰে। সেয়াই অসমীয়া বিভাগৰ প্ৰথমটো কম্পিউটাৰ।

**(খ)** ২০১৪ চনত কলেজৰ প্ৰাক্তন ছাত্ৰ তথা বিধায়ক ভূপেন বৰাই অসমীয়া বিভাগলৈ ১,০০,০০০.০০ (এক লাখ) টকা আগবঢ়ায়। উক্ত টকাৰে অসমীয়া বিভাগৰ পুথিভঁৰাললৈ আলমিৰা আৰু কিতাপ ক্ৰয় কৰা হয়।

২. ২০১৮ চনত যোৰহাটৰ ৰাণী বৰদলৈয়ে 'আৱাহন', 'ৰামধেনু'ৰ পৰা ধৰি ভালেমান পুৰণি দুষ্প্ৰাপ্য আলোচনী আৰু গ্ৰন্থ অসমীয়া বিভাগৰ পুথিভঁৰালক প্ৰদান কৰে।

৩. ২০১৯ চনত শান্তনু তামুলীয়ে তেওঁৰ সম্পাদনাত প্ৰকাশিত 'মৌচাক' আৰু 'সঁফুৰা' আলোচনীৰ প্ৰায় আটাইবোৰ সংখ্যা অসমীয়া বিভাগৰ পুথিভঁৰাললৈ প্ৰদান কৰে।

৪. ২০২০ চনত ড° সুবাসনা মহন্ত চৌধুৰীয়ে তেওঁৰ পিতৃ বাপচন্দ্ৰ মহন্ত প্ৰণীত কেইবাখনো গ্ৰন্থ বিভাগৰ পুথিভঁৰাললৈ আগবঢ়ায়।

৫. ২০২১ চনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ হেমেন্দ্ৰ কুমাৰ গগৈৰ ব্যক্তিগত পুথিভঁৰালৰ আটাইবোৰ কিতাপ তেওঁৰ পত্নী শ্ৰীযুতা চন্দ্ৰপ্ৰভা গগৈয়ে অসমীয়া বিভাগৰ পুথিভঁৰালক প্ৰদান কৰে।

৬. ২০২১ চনত অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী ধনদা দেৱীয়ে অসমীয়া বিভাগলৈ ২,০০,০০০.০০ (দুই লাখ) টকা আগবঢ়ায়। এই ধনেৰে প্ৰত্যেক বছৰে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক জলপানি প্ৰদান কৰা হয়।

৭. ২০২১ চনত অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী মুন্মী দত্তই অসমীয়া বিভাগলৈ ১৬,০০০ (যোল্ল হাজাৰ) টকাৰ দুটা




অসমীয়া বিভাগৰ এটি অনুষ্ঠানত সাহিত্যিক য়েছে দৰজে ঠংচি। ২০২২ চন।

লেক্‌চাৰ ষ্টেণ্ড আগবঢ়ায়।

৮. ২০২৩ চনত বিশিষ্ট সাহিত্যিক সন্তোষ কুমাৰ কৰ্মকাৰ প্ৰণীত প্ৰায় আটাইবোৰ কিতাপ তেওঁৰ পত্নী শ্ৰীযুতা দীপ্তি কৰ্মকাৰে অসমীয়া বিভাগৰ পুথিভঁৰালক প্ৰদান কৰে।

**[৮] অসমীয়া বিভাগৰ সাহায্য পুঁজি**

অসমীয়া বিভাগত অধ্যয়নৰত আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক সামান্য সকাহ দিয়াৰ উদ্দেশ্য আগত ৰাখি মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ পৰিকল্পনাৰে এক সাহায্য পুঁজি ২০২১ চনৰ ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰা হয়। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীক এই পুঁজিৰ পৰা সহায় কৰা হৈছে। এই পুঁজিৰ বৈশিষ্ট্য হ'ল—

▶এই পুঁজি সম্পূৰ্ণ স্বেচ্ছামূলক। বৰঙনিৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই।

▶বছৰত দুবাৰ এই পুঁজিৰপৰা সাহায্য দিয়া হয়। সাহায্য কেৱল অসমীয়া বিভাগত অধ্যয়নৰত আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীয়েহে লাভ কৰে।

▶পুঁজিৰ বাবে সংগৃহীত ধন বিভাগৰ বেংক একাউণ্টত জমা থাকে। হিচাপ ৰখাৰ দায়িত্বত বিভাগৰ যিকোনো এগৰাকী শিক্ষক বা গৱেষক থাকে।

▶অসমীয়া বিভাগৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাৰ্থী তথা শিক্ষকসকলৰ লগতে আন যিকোনো শুভাকাংক্ষীয়ে বৰঙনি আগবঢ়াব পাৰে। বৰঙনিৰ প্ৰাপ্তি-স্বীকাৰ কৰা হয়।

▶সকলো কাম-কাজ আৰু হিচাপৰ খতিয়ান বৰঙনি দিয়া ব্যক্তিসকলক জনোৱা হয়।

## অসমীয়া বিভাগৰ প্ৰকাশন

**[১] প্ৰাচীৰ পত্ৰিকা**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে 'শান্তিদূত' নামৰ এখন প্ৰাচীৰ পত্ৰিকা ১৯৯২-৯৩ শিক্ষাবৰ্ষৰ পৰা প্ৰকাশ কৰি আহিছে। প্ৰথম সম্পাদক আছিল ৰঞ্জন ভট্টাচাৰ্য। এই প্ৰাচীৰ পত্ৰিকা নৱাগত আদৰণি আৰু মহাবিদ্যালয় সপ্তাহ— এই দুই উপলক্ষ্যত বছৰত দুবাৰ প্ৰকাশ পায়।

**[২] বাৰ্ষিক আলোচনী**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ বাৰ্ষিক আলোচনীখন ২০০৬ চনৰপৰা নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে। ২০০৬—২০২১ লৈ আলোচনীখনৰ নাম আছিল 'স্মৃতিৰ সঁফুৰা'। প্ৰথম অৱস্থাত আলোচনীখন চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় উপলক্ষ্যে প্ৰকাশ পাইছিল বাবে নামটো তেনেদৰে ৰখা হৈছিল। কিন্তু ক্ৰমাৎ ইয়াৰ বৈশিষ্ট্য সলনি হ'বলৈ ল'লে আৰু পৰিসৰ বহল হ'বলৈ ল'লে, সেয়ে ২০২১-২২ বৰ্ষৰপৰা প্ৰকাশৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি আলোচনীখনৰ নাম 'অসমীয়া বিভাগৰ আলোচনী'লৈ সলনি কৰা হয়।

**[৩] গ্ৰন্থ**

অসমীয়া বিভাগে যোৱা প্ৰায় ১৫ টা বছৰত কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰে। তলত নামসমূহ দিয়া হ'ল—

১. **অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি** ঃ অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০০৯
২. **চাৰিখন অসমীয়া উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ** ঃ অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০০৯
৩. **নতুন প্ৰজন্মৰ প্ৰিয় কিতাপ** ঃ অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০১১
৪. **আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান আৰু পুৰাকথাৰ প্ৰভাৱ** ঃ অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০১৭
৫. **উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় লোকসংস্কৃতি ঃ পৰম্পৰা পৰিৱৰ্তন আৰু ভৱিষ্যৎ** ঃ অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০১৯
৬. **সাহিত্য সমালোচনা** ঃ ড° অৰবিন্দ ৰাজখোৱা আৰু ভাস্কৰ ভূঞা (সম্পা.), ২০১৯
৭. **দৃষ্টিকোণ** ঃ ড° অৰবিন্দ ৰাজখোৱা আৰু বিতু বড়া (সম্পা.), ২০১৯
৮. **সাহিত্য সংস্কৃতি অধ্যয়নৰ আভাস** ঃ ড° অৰবিন্দ ৰাজখোৱা আৰু পৰেশ খনিকৰ (সম্পা.), ২০১৯
৯. **যোগাযোগমূলক অসমীয়া** ঃ ড° অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০১৯
১০. **আমাদেৰ বিষ্ণুপ্ৰসাদ ৰাভা** ঃ বাসুদেৱ দাস, ২০২০
১১. **Brishnu Prasad Rabha And Indian Culture (With Special Reference to Bengal-Assam Relation)** ঃ ড° শেখ মকবুল ইছলাম আৰু ড° অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০২১
১২. **Brishnuprasad Rabha Bhupen Hazarika Bengal-Assam Cultural Relation** ঃ ড° শেখ মকবুল ইছলাম, ২০২১
১৩. **ভূপেন হাজৰিকা ঃ বিশ্ব সংস্কৃতিৰ কণ্ঠস্বৰ** ঃ ড° শেখ মকবুল ইছলাম, ২০২১
১৪. **অসমীয়া প্ৰকৃতি সাহিত্য আৰু সৌম্যদ্বীপ দত্ত** ঃ ড° অৰবিন্দ ৰাজখোৱা (সম্পা.), ২০২১
১৫. **বৰগোহাঞি চৰ্চা** ঃ ভাস্কৰ ভূঞা (সম্পা.), ২০২১
১৬. **বিদ্ৰোহী কবি কাজী নজৰুল ইছলাম ঃ সৃষ্টি আৰু স্ৰষ্টা** ঃ ৰেজাউল কৰিম, ২০২১
১৭. **নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ** ঃ ভাস্কৰ ভূঞা (সম্পা.), ২০২১

১৮. **বাংলা-অসম বিদ্যায়তনিক-সাংস্কৃতিক বিনিময়** ঃ শেখ মকবুল ইছলাম, ২০২১

১৯. **জাতীয় ঐতিহ্য আৰু সাহিত্য** ঃ ড° অৰবিন্দ ৰাজখোৱা, ২০২১

২০. **সাহিত্য আৰু সংস্কৃতি অধ্যয়ন** ঃ পূবালী বৰা, ২০২২

২১. **অসমীয়া সাহিত্যত পুৰাকথা, ব্যঙ্গ আৰু অন্যান্য প্ৰসঙ্গ** ঃ শোভাকৃষ্ণ ফুকন, ২০২২

**অসমীয়া বিভাগৰ পুথিভঁৰাল**

অসমীয়া বিভাগৰ নিজাকৈ এটি পুথিভঁৰাল আছে। ড° অঞ্জন কুমাৰ ওজাৰ চেষ্টাত ১৯৯৪-৯৫ চনত অসমীয়া বিভাগত এটি পুথিভঁৰাল প্ৰতিষ্ঠা হয়। প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ বৰঙনিৰে মাথোঁ কেইখনমান গ্ৰন্থৰে আৰম্ভ হোৱা এই পুথিভঁৰাললৈ ক্ৰমাৎ বিভিন্ন উৎসৰপৰা কিতাপ সংগ্ৰহ কৰা হয়। কিতাপৰ সংখ্যা প্ৰায় ৫,০০০ লৈ বৃদ্ধি হয়। ২০২১ বৰ্ষত প্ৰাক্তন অধ্যক্ষ হেমেন্দ্ৰ কুমাৰ গগৈৰ ব্যক্তিগত পুথিভঁৰালৰ প্ৰায় দুহেজাৰতকৈ অধিক গ্ৰন্থ এই পুথিভঁৰাললৈ তেখেতৰ পত্নী চন্দ্ৰপ্ৰভা গগৈয়ে আগবঢ়ায়। বৰ্তমান দুটা কোঠাত অসমীয়া বিভাগৰ পুথিভঁৰালটো সংস্থাপিত কৰা হৈছে।

**অসমীয়া বিভাগে আয়োজন কৰা বিভিন্ন অনুষ্ঠান**

**[১] নিয়মীয়া অনুষ্ঠান**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে কেইটামান অনুষ্ঠান বছৰৰ নিৰ্দিষ্ট দিনত নিয়মীয়াকৈ অনুষ্ঠিত কৰি আহিছে। সেইকেইটা হ'ল—

১. ড° ভূপেন হাজৰিকাৰ জন্মদিন (২০০৬ চনৰপৰা অনুষ্ঠিত কৰি আহিছে।)

২. ড° ভবেন্দ্ৰনাথ শইকীয়াৰ মৃত্যুদিন (২০০৬ চনৰপৰা অনুষ্ঠিত কৰি আহিছে।)

৩. বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰ সম্পৰ্কীয় বক্তৃতা (২০০৮ চনৰপৰা প্ৰত্যেক ছেপ্টেম্বৰত অনুষ্ঠিত কৰি আহিছে।)

৪. ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস (২০১৫ চনৰপৰা অনুষ্ঠিত কৰি আহিছে।)

৫. গ্ৰন্থৰ লটাৰী (২০১৫ চনৰপৰা দুৰ্গা পূজাৰ বন্ধৰ আগদিনা অনুষ্ঠিত কৰি আহিছে।)

৬. শিক্ষক দিৱস

৭. নৱাগত আদৰণি সভা

৮. বিদায় সম্বৰ্ধনা সভা

**[২] আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ যৌথ উদ্যোগত ২০২৩ চনৰ ২৫ আৰু ২৬ মাৰ্চ তাৰিখে কলকাতাত এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায় আলোচনা-চক্ৰ অনুষ্ঠিত হয়। 'ভাৰত উপ মহাদেশৰ ভক্তি সাহিত্য' শীৰ্ষক উক্ত আলোচনা-চক্ৰ প্ৰথম দিনা ছেইণ্ট প'লছ কলেজত আৰু দ্বিতীয় দিনা বাগবাজাৰস্থিত শ্ৰীচৈতন্য গৌড়ীয় মঠত অনুষ্ঠিত হয়। আলোচনা-চক্ৰত অংশ লোৱা কিছুসংখ্যক ব্যক্তি হ'ল— ড° অনসূয়া ভৰ, বিনায়ক ভট্টাচাৰ্য, ড° বিমল মজুমদাৰ, ড° বিনীতা বৰা দেৱচৌধুৰী, ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য, ড° চৈতালী মৈত্ৰ, ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, বাসুদেৱ দাস, ড° মিলানকান্তি বিশ্বাস, অধ্যাপক চামচুদ্দিন শিশিৰ, সৰসিজ সেনগুপ্তা, সুভেন্দু কাঞ্জীলাল, ড° ছৈয়দা আয়েশা আলি, ড° কমলেশ পাণ্ডে, ৰাজীৱ বৰা, ৰমানন্দন বৰা আদি। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উপৰি বাংলাদেশ আৰু থাইলেণ্ডৰ কেইবাজনো গৱেষকে ইয়াত অংশগ্ৰহণ কৰে। পঠিত মুঠ গৱেষণা-পত্ৰৰ সংখ্যা ১৮০ খন। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি দুয়োখন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ভক্তি গীত-নৃত্য প্ৰদৰ্শন কৰে। এই সাংস্কৃতিক অনুষ্ঠানৰ তত্বাৱধান কৰে মুনমী দত্ত, প্ৰমা পাল, ঋতজা ভট্টাচাৰ্য আদিয়ে। আলোচনা-চক্ৰৰ সমন্বয়কৰ দায়িত্বত আছিল ড° অৰবিন্দ ৰাজখোৱা আৰু ড° শেখ মকবুল ইছলাম। উল্লেখযোগ্য যে এইখনেই হ'ল নৰ্থ লখিমপুৰ কলেজে আয়োজন কৰা প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ।

**[৩] ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত কৰিছে। তলত তাৰ চমু বিৱৰণ আগবঢ়োৱা হ'ল—

১. ২০১৭ চনৰ ১০ আৰু ১১ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া বিভাগে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত (১,০৬,৪০০.০০ টকা) অনুষ্ঠিত এই আলোচনা-চক্ৰৰ বিষয় আছিল 'আধুনিক অসমীয়া সাহিত্যত পুৰাকথাৰ প্ৰভাৱ'। আয়োজনৰ সহযোগী আছিল লখিমপুৰৰ অগ্ৰণী নাট্য প্ৰতিষ্ঠান 'নট-সৈনিক'। বীজ ভাষণ প্ৰদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোবিন্দ প্ৰসাদ শৰ্মাই। সমল ব্যক্তি হিচাপে অংশ লোৱা ব্যক্তিসকল হ'ল— ড° অঞ্জলি শৰ্মা, ড° প্ৰবীণ শইকীয়া, ড° অপূৰ্ব বৰা, বাসুদেৱ দাস, ড° মাণিক শইকীয়া আৰু ড° নীলমোহন ৰায়। প্ৰায় ১৭০ খন গৱেষণা-পত্ৰ পঠিত এই আলোচনা-চক্ৰৰ সমন্বয়ক আছিল ড° অৰবিন্দ ৰাজখোৱা।

২. ২০২০ চনৰ ১৭ আৰু ১৮ ফেব্ৰুৱাৰীত অসমীয়া বিভাগে ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ বাংলা



নৰ্থ লখিমপুৰ কলেজৰ স্বায়ত্তশাসন পুনৰীক্ষণৰ বাবে অহা বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিশেষজ্ঞ দলৰ সদস্যসকল। ২০২১ চন।

বিভাগৰ যৌথ উদ্যোগত 'বিষ্ণুপ্ৰসাদ ৰাভা আৰু ভাৰতীয় সংস্কৃতি' শীৰ্ষক বিষয়ৰ এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। কলকাতাৰ ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজত অনুষ্ঠিত উক্ত আলোচনা-চক্ৰ হ'ল নৰ্থ লখিমপুৰ কলেজে প্ৰথমবাৰৰ বাবে ৰাজ্যত বাহিৰত অনুষ্ঠিত কৰা আলোচনা-চক্ৰ। আলোচনা-চক্ৰত বিশিষ্ট অতিথি আৰু সমল ব্যক্তি হিচাপে উপস্থিত থকা কিছুসংখ্যক ব্যক্তি হ'ল— ড°ৰামকুমাৰ মুখোপাধ্যায় (সাহিত্য একাদেমিৰ কলকাতা আঞ্চলিক কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত সচিব), ড° অনিল শইকীয়া, ড° অনসূয়া ভৰ, সৰজিচ সেনগুপ্তা, দেৱাশিষ মণ্ডল, গৌতম বেনাৰ্জী, শুভেন্দু কাঞ্জীলাল, ড° উমেশ চন্দ্ৰ ডেকা, ড° সঞ্জয় দে, ড° নীলমোহন ৰয়, ড° অদিতি বৰুৱা, বিনায়ক ভট্টাচাৰ্য, বাসুদেৱ দাস আদি ব্যক্তি। গৱেষণা-পত্ৰ উপস্থাপিত হয় ৭০ খন। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি সন্ধিয়ালৈ গীত আৰু নৃত্যৰ 'অসম-বংগ সাংস্কৃতিক বিনিময়' অনুষ্ঠানো আয়োজিত হয়। এই অনুষ্ঠান পৰিচালনা কৰে ক্ৰমে প্ৰমা পাল, ঋতজা ভট্টাচাৰ্য, সুভদীপ চৰকাৰ, ড° হেমন্ত শৰ্মা, মুনমী দত্ত আৰু ড° বিশ্ব হাজৰিকাই। আলোচনা চক্ৰখনৰ সমন্বয়কৰ দায়িত্বত আছিল ড° শ্বেখ মকবুল ইছলাম আৰু ড° অৰবিন্দ ৰাজখোৱা।

৩. ২০২০ চনৰ ২৮ জুলাইত অসমীয়া বিভাগে ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ যৌথ উদ্যোগত 'অসমৰ গৌৰৱময় জগন্নাথ চেতনা আৰু বৈষ্ণৱবাদ' শীৰ্ষক বিষয়ৰ এক ৱেবিনাৰ অনুষ্ঠিত কৰে। ইয়াত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ড° শ্বেখ মকবুল ইছলাম আৰু ড° ৰতন ভট্টাচাৰ্যই। ক'ভিডৰ নিষেধাজ্ঞাৰ সময়ত অসমীয়া বিভাগে অনুষ্ঠিত কৰা ভালেসংখ্যক অনুষ্ঠানৰ মাজত ইয়ো এটা আছিল। ২০০ ৰো অধিক ব্যক্তিয়ে অংশ লোৱা এই ৱেবিনাৰৰ সমন্বয়ক আছিল ড° অৰবিন্দ ৰাজখোৱা।

৪. ২০২২ চনৰ ১১ আৰু ১২ এপ্ৰিলত অসমীয়া বিভাগে ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগ আৰু অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ যৌথ উদ্যোগত 'পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু পানীন্দ্ৰনাথ গগৈৰ জীৱন আৰু কৰ্ম' শীৰ্ষক বিষয়ৰ এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। নৰ্থ লখিমপুৰ কলেজত অনুষ্ঠিত এই আলোচনা-চক্ৰত বীজ ভাষণ প্ৰদান কৰে জগন্নাথ বৰুৱা কলেজৰ সহযোগী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই সভাপতিত্ব কৰা উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, কাৰ্যালয় সম্পাদক ৰমানন্দন বৰা আদি। এই অনুষ্ঠানত হেমচন্দ্ৰ গোস্বামীৰ জন্মস্থান গোলাঘাটৰ ঢেকীয়ালৰ পৰা অহা গোলাপ শইকীয়া, অপূৰ্ব হাজৰিকা, পবিত্ৰ নাথ আৰু মৃদুল কুমাৰ বৰায়ো অংশ লয়। বিভিন্ন সত্ৰত সমল ব্যক্তি হিচাপে থাকে ক্ৰমে— ড° গৌতম কাকতী, ড° প্ৰভাত ভূঞা, ড° মৃদুল শৰ্মা, ড° চন্দ্ৰ মানচে, ড° দেৱপ্ৰতীম হাজৰিকা, ড° মিলন নেওগ, ড° চিত্ৰজিৎ শইকীয়া, ড° দীপকজ্যোতি মহন্ত আদি। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি অসমীয়া বিভাগে 'ঊনবিংশ শতিকাৰ ছবি' শীৰ্ষক এক প্ৰদৰ্শনীও অনুষ্ঠিত কৰে।


প্ৰায় ডেৰশখন গৱেষণা-পত্ৰ পাঠ কৰা হয়। সমন্বয়কৰ দায়িত্বত থাকে ড° শ্বেখ মকবুল ইছলাম, ড° ৰাজশ্ৰী হাজৰিকা আৰু ড° অৰবিন্দ ৰাজখোৱা।

৫. ২০২৩ চনৰ ১৬ অক্টোবৰত অসমীয়া বিভাগে ছেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ যৌথ উদ্যোগত 'ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্ম' শীৰ্ষক বিষয়ৰ এক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবৰ্ষ উপলক্ষ্যে আয়োজিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানৰ সঞ্চালনা কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। আয়োজনৰ উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰে ক্ৰমে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা আৰু ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ মুৰব্বী ড° শ্বেখ মকবুল ইছলামে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱাই বীজ ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে কলকাতাৰ বাসুদেৱ দাসে। আলোচনা-সত্ৰখনত মুঠ সাতটা মঞ্চত সমান্তৰালভাৱে দুশ গৰাকী অংশগ্ৰহণকাৰীয়ে গৱেষণা-পত্ৰ উপস্থাপন কৰে। বিভিন্ন সত্ৰত সমল ব্যক্তি হিচাপে অংশ লোৱা ব্যক্তিসকল হ'ল শ্বিলঙৰ শংকৰদেৱ কলেজৰ সহযোগী অধ্যাপক ড° পৰাগ নাথ, নাজিৰা কলেজৰ সহযোগী অধ্যাপক ৰাজীৱ বৰা, ডিব্ৰু কলেজৰ সহযোগী অধ্যাপক ড° বিজু মৰাণ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ড° স্বাতী কিৰণ, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ত্ৰিণয়ন দত্ত, বিহপুৰীয়া কলেজৰ সহকাৰী অধ্যাপক ড° বিমল বসুমতাৰী, ধুবুৰীৰ ভোলানাথ কলেজৰ সহকাৰী অধ্যাপক ড° পলী বেজবৰুৱা আদি। এই আলোচনা-চক্ৰৰ সমন্বয়ক আছিল ড° ধীৰাজ পাটৰ।

### [৪] সাহিত্য অকাডেমীৰ সহযোগত আয়োজিত আলোচনা-চক্ৰ

১. ২০১৯ চনৰ নৱেম্বৰ মাহৰ ১১ তাৰিখে ভাৰতীয় সাহিত্য অকাডেমী আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত 'স্বৰাজোত্তৰ অসমীয়া বিজ্ঞান সাহিত্য আৰু ভ্ৰমণ সাহিত্য' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই সঞ্চালনা কৰা উদ্বোধনী অধিৱেশনত মূল ভাষণ প্ৰদান কৰে ড° অঞ্জন কুমাৰ ওজাই। বিজ্ঞান সাহিত্য সম্পৰ্কীয় অধিৱেশনৰ সঞ্চালনা কৰে বিশিষ্ট বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱাই আৰু ইয়াত গৱেষণা-পত্ৰ পাঠ কৰে ড° মৃদুল শৰ্মাই (বিজ্ঞান সাহিত্য আৰু অসমীয়া সমাজ), অভিজিৎ শৰ্মা বৰুৱা (অসমীয়া কল্পবিজ্ঞান সাহিত্যৰ ইতিহাস) আৰু ড° ছালিম আলি আহমেদে (অসমীয়া বিজ্ঞান সাহিত্যৰ ইতিহাস চৰ্চাৰ ইতিহাস)। ভ্ৰমণ সাহিত্য সম্পৰ্কীয় দ্বিতীয় অধিৱেশন সঞ্চালনা কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা বিশিষ্ট সাহিত্য সমালোচক ড° জয়ন্ত কুমাৰ বৰাই। গৱেষণা-পত্ৰ পাঠ কৰে ড° অৰবিন্দ ৰাজখোৱা (অসমীয়া ভ্ৰমণ সাহিত্যৰ

অসমীয়া বিভাগৰ উদ্যোগত প্ৰকাশ পোৱা 'নতুন প্ৰজন্মৰ প্ৰিয় কিতাপ' নামৰ গ্ৰন্থ উন্মোচন কৰিছে বিদ্যালয় পৰিদৰ্শক ৰমেশ চুতীয়াই। উল্লেখযোগ্য যে এয়া আছিল কিতাপ পঢ়াৰ আন্দোলনৰ অংশ। ২০১০ চন।



নতুন পৰ্ব) আৰু ড° চিত্ৰজিৎ শইকীয়াই (স্বৰাজোত্তৰ অসমীয়া ভ্ৰমণ সাহিত্যৰ ইতিহাস)। অনুষ্ঠানত সাহিত্য অকাডেমীৰ কলকাতাস্থিত আঞ্চলিক কাৰ্যালয়ৰ বিশ্বজিৎ ৰায় উপস্থিত থাকে। এই আলোচনা-চক্ৰৰ সমন্বয়কৰ দায়িত্বত আছিল ড° অৰবিন্দ ৰাজখোৱা। (তথ্য উৎস ঃ 'আমাৰ অসম', ১২ নৱেম্বৰ, ২০১৯)

২. ২০২২ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে ভাৰতীয় সাহিত্য অকাডেমী আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত 'অসমীয়া গদ্য লিখন কৌশলৰ বিৱৰ্তন' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই সঞ্চালনা কৰা উদ্বোধনী অধিৱেশনত আদৰণি প্ৰদান কৰে সাহিত্য অকাদেমিৰ কলকাতাস্থিত আঞ্চলিক কাৰ্যালয়ৰ বিষয়া ড° মিহিৰ কুমাৰ চাহুৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামী আৰু বীজ ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই। ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-সত্ৰৰ প্ৰথম কাৰিকৰী বৈঠকত গৱেষণা পত্ৰ পাঠ কৰে ক্ৰমে কুমাৰ ভাস্কৰবৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অজিৎ ভৰালী, গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° স্মৃতিৰেখা ভূঞা আৰু গোলাঘাটৰ এইচ. পি. বি. মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক দিব্যজ্যোতি বৰাই। তেওঁলোকে অসমীয়া উপন্যাস, ভ্ৰমণ সাহিত্য আৰু চুটিগল্পত ব্যৱহৃত গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোকপাত কৰে। আলোচনা-চক্ৰৰ দ্বিতীয় তথা অন্তিম সত্ৰৰ সঞ্চালনা কৰে বিশিষ্ট ঔপন্যাসিক তথা গদ্য লেখক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে। এই সত্ৰত সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোচনা কৰে বিশিষ্ট গল্পকাৰ তথা 'সাতসৰী' আলোচনীৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্যই। বিশিষ্ট গদ্য লেখক তথা চিন্তাবিদ ময়ূৰ বৰাই মূলতঃ ঊনবিংশ শতিকাত অসমীয়া গদ্যই লাভ কৰা আধুনিক ৰূপটোক ভিত্তি হিচাপে লৈ লিখা এখন গৱেষণা-পত্ৰ পাঠ কৰে। সাহিত্য সমালোচক তথা নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই 'অসমীয়া জীৱন-উৎকৰ্ষমূলক গদ্য সাহিত্য লিখন কৌশলৰ বিৱৰ্তন' শীৰ্ষক পত্ৰ পাঠ কৰে। এই আলোচনা-চক্ৰৰ সমন্বয়কৰ দায়িত্বত আছিল অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা।

### [৫] ৰাজ্যিক নাট প্ৰতিযোগিতা

২০০৪ চনত অসমীয়া বিভাগৰ মুৰব্বী গোবিন্দ মোহন ডেকাৰ আকস্মিকভাৱে মৃত্যু ঘটে। তেওঁৰ সোঁৱৰণত তেওঁৰ পৰিয়ালৰ সহযোগত বিভাগে এক ৰাজ্যিক ভিত্তিক নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ২০০৫ চনৰ ২৯ আৰু ৩০ জানুৱাৰীত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ দিয়া হৈছিল ক্ৰমে ৫০০১ টকা, ৩০০১ টকা আৰু ১০০১ টকা। এই প্ৰতিযোগিতা দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰিবলৈ পৰিকল্পনা কৰা হৈছিল যদিও সেয়া হৈ নুঠিল। অনুষ্ঠানটোৰ আয়োজক হিচাপে অসমীয়া বিভাগৰ লগত যুটীয়াভাৱে আছিল সোমদিৰি শৈক্ষিক আৰু সমাজ কল্যাণ সমিতি। নাট প্ৰতিযোগিতাৰ আয়োজক সমিতিৰ বিষয়ববীয়াসকল আছিল— মুখ্য উপদেষ্টা ঃ অচ্যুত মহন্ত, লিলি চেলেং, মৌচুমী চেতিয়া, ধনৰঞ্জন কলিতা; সভাপতি ঃ ড° অঞ্জন কুমাৰ ওজা; কাৰ্যকৰী সভাপতি ঃ নিৰণ কুমাৰ বৰা; সম্পাদক ঃ ৰাজীৱ নাৰায়ণ কলিতা; সহকাৰী সম্পাদক ঃ ভাস্কৰজিৎ বৰা; সদস্য ঃ পৱন কুমাৰ ভূএগ আৰু অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী। প্ৰতিযোগিতা উপলক্ষ্যে ৰাজীৱ নাৰায়ণ কলিতাৰ সম্পাদনাত এখন স্মৰণিকাও প্ৰকাশ পাইছিল। প্ৰতিযোগিতাত অংশ লোৱা নাট্যদলসমূহ আছিল— ১. লক্ষ্য (ঘিলামৰা, লখিমপুৰ), নাটক - 'বিধ্বস্ত খ্যাতি', নাট্যকাৰ - হৰেন শইকীয়া, ২. কুশীলৱ (নাওবৈচা, লখিমপুৰ), নাটক - 'মোৰো কিছু ক'বলগা আছে', নাট্যকাৰ - ভৱ পূজাৰী, ৩. ধেমাজি মহাবিদ্যালয়, নাটক - 'লজ্জা য'ত থমকি ৰৈছিল', নাট্যকাৰ - হেমন্ত বৰপাত্ৰ গোহাঁই, ৪. সৃষ্টি (কমলাবৰীয়া, লখিমপুৰ), 'গান্ধীৰ দেশত আজি', নাট্যকাৰ - ডাঃ শৈলেন বৰা, ৫. বনানী (বগীনদী, লখিমপুৰ), নাটক - 'অবিৰত এক জয়যাত্ৰা', নাট্যকাৰ - মানিক চন্দ্ৰ সোনোৱাল, ৬. বিশ্বনাথ মহাবিদ্যালয়, নাটক - 'আখৰ', নাট্যকাৰ - নিৰঞ্জন শইকীয়া, ৭. ভিলেজাৰ (চতিয়া), নাটক - 'মৌচুমী আহিব', নাট্যকাৰ - পঙ্কজজ্যোতি ভূএগ, ৮. দূৰদৰ্শী (ইটাখোলা, তেজপুৰ), নাটক - 'অৰ্জুন হেৰাওতে', নাট্যকাৰ - দীপক গগৈ, ৯. কলাগুৰু (চতিয়া), নাটক - 'প্ৰত্যাৱৰ্তনৰ পথত সত্য', নাট্যকাৰ - পঙ্কজজ্যোতি ভূএগ, ১০. আস্থা (বিশ্বনাথ চাৰিআলি), নাটক - 'গৰাখহনীয়া', নাট্যকাৰ - বনমালী ভূএগ, ১১. সূৰ্যোদয় (জামুগুৰিহাট), নাটক - 'ভেকুলী', নাট্যকাৰ - দীপক গগৈ, ১২. দৃষ্টি (ইটাখোলা, তেজপুৰ), নাটক - 'কিস্কিন্ধা নগৰী', নাট্যকাৰ - লক্ষীকান্ত বৰা আৰু ১৩. ডিশৰিদেম (লখিমপুৰ), নাটক - 'এন্ধাৰৰ ছাঁ', নাট্যকাৰ - শশাংক গগৈ। (তথ্য উৎস ঃ ৰাজীৱ নাৰায়ণ কলিতা সম্পাদিত উক্ত নাট্য প্ৰতিযোগিতাৰ স্মৰণিকা, ২০০৫।)

### [৬] স্মাৰক বক্তৃতা

**(ক) গোবিন্দ মোহন ডেকা স্মাৰক বক্তৃতা ঃ** প্ৰয়াত মুৰব্বী গোবিন্দ মোহন ডেকাৰ স্মৃতিত ২০০৪ চনৰ পৰা অসমীয়া বিভাগে এই বাৰ্ষিক বক্তৃতা প্ৰৱৰ্তন কৰে। তাৰ বাবে ডেকাৰ পৰিয়ালে অৰ্থ সাহায্য প্ৰদান কৰিছিল। কিন্তু তিনি বছৰৰ পাছত আৰ্থিক কাৰণত এই বক্তৃতা বন্ধ হৈ যায়। সম্পন্ন হোৱা তিনিটা বক্তৃতাৰ চমু তথ্য এনেধৰণৰ—

**প্ৰথম বক্তৃতা ঃ** ২০০৪ চনত অনুষ্ঠিত প্ৰথমটো বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৎকালীন ৰীডাৰ ড° গোবিন্দ প্ৰসাদ শৰ্মাই। বক্তৃতাৰ বিষয় আছিল— 'অসমীয়া উপন্যাসত ৰোমাণ্টিকতা'।

**দ্বিতীয় বক্তৃতা ঃ** ২০০৫ চনত অনুষ্ঠিত দ্বিতীয়টো বক্তৃতা প্ৰদান কৰে মাধৱদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শিৱ শৰ্মাই। বক্তৃতাৰ বিষয় আছিল- 'ব্ৰহ্মপুত্ৰ উপত্যকা সভ্যতা'।

**তৃতীয় বক্তৃতা ঃ** ২০০৬ চনৰ ২৮ নৱেম্বৰত অনুষ্ঠিত তৃতীয়টো বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তৎকালীন অধ্যাপক ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই। বক্তৃতাৰ বিষয় আছিল- 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প'। উক্ত অনুষ্ঠানতে ডিব্ৰুগড় সূৰযমল হনুমানবক্স কানৈ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° ঊষাৰাণী বৰুৱায়ো এটি বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটোৰ আঁত ধৰে লিলি চেলেঙে আৰু সভাপতিত্ব কৰে অধ্যক্ষ ড° বুধীন বৰুৱাই। লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ বৰুৱাই উদ্বোধনী ভাষণ প্ৰদান কৰে।

**চতুৰ্থ বক্তৃতা ঃ** ২০০৭ চনত অনুষ্ঠিত চতুৰ্থটো বক্তৃতা প্ৰদান কৰে কবি ভূপেন গগৈয়ে। বিষয় আছিল 'সাম্প্ৰতিক অসমীয়া কবিতা'।

**(খ) ড° বিশ্বনাৰায়ণ শাস্ত্ৰী স্মাৰক বক্তৃতা ঃ** অসমীয়া বিভাগৰ প্ৰতিষ্ঠা কালৰ অধ্যাপক তথা প্ৰাক্তন অধ্যক্ষ মহামহোপাধ্যায় বিশ্বনাৰায়ণ শাস্ত্ৰীৰ জন্ম শতবৰ্ষ উপলক্ষ্যে অসমীয়া বিভাগে ২০১৭ চনৰ পৰা এটি স্মাৰক বক্তৃতা প্ৰৱৰ্তন কৰে। এই বক্তৃতাৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱা। ক'ভিডকালীন পৰিৱেশৰ বাবে এই বক্তৃতাৰ ধাৰাবাহিকতা কিছু ব্যাহত হয়। তলত ইয়াৰ চমু ইতিবৃত্ত দিয়া হ'ল—

**প্ৰথম বক্তৃতা ঃ** ২০১৭ চনৰ ২৯ অক্টোবৰত অনুষ্ঠিত প্ৰথমটো বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী ড° অমলেন্দু চক্ৰৱৰ্তীয়ে। বিষয় আছিল- 'ভাৰতীয় সংস্কৃতিৰ প্ৰেক্ষাপটত অসমীয়া সংস্কৃতি'। অনুষ্ঠানটি

অসমীয়া বিভাগে আয়োজন কৰা এটি অনুষ্ঠানত লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষক, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান তথা বিশিষ্ট সাহিত্যিক কুল শইকীয়া, আৰক্ষী বিষয়া পল্লৱ ভট্টাচাৰ্য আৰু কলেজৰ উপাধ্যক্ষ ড° মুহিধৰ পূজাৰী। ২০১৮ চন।



সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেঙে আৰু আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। দৰ্শন বিভাগৰ সহকাৰী অধ্যাপিকা ড° বৰ্ণালী বৰাই আঁতধৰা অনুষ্ঠানটিত ড° শাস্ত্ৰীৰ প্ৰতিকৃতিৰ সমুখত বন্তি প্ৰজ্জ্বলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমন্ত কুমাৰ বৰুৱাই। আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই পুণ্যাত্মা ব্যক্তিগৰাকীৰ কৃতি সম্পৰ্কে তথ্য দাঙি ধৰে। অধ্যক্ষই নিজৰ ভাষণত মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালটো 'ড° বিশ্বনাৰায়ণ শাস্ত্ৰী গ্ৰন্থাগাৰ' হিচাপে নামকৰণ কৰাৰ প্ৰস্তাৱ উত্থাপন কৰে। উক্ত প্ৰস্তাৱটো সভাৰ সকলোটিয়ে পূৰ্ণ সমৰ্থন জনায়। মূল বক্তৃতা অনুষ্ঠান সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা লিলি চেলেঙে। অনুষ্ঠানতে ড° অৰবিন্দ ৰাজখোৱাৰ সম্পাদনাত প্ৰকাশিত মহাবিদ্যালয়ৰ উপলক্ষ্যমূলক বাতৰি কাকত 'কেম্পাছ'ৰ 'ড° বিশ্বনাৰায়ণ শাস্ত্ৰী জন্ম শতবৰ্ষ সংখ্যা'টো উন্মোচন কৰা হয়। ড° অমলেন্দু চক্ৰৱৰ্তীয়ে বিদ্যায়তনিক দৃষ্টিৰে আগবঢ়োৱা সুদীৰ্ঘ বক্তৃতাৰ বিভিন্ন দিশত প্ৰশ্ন উত্থাপন কৰে ড° স্বপ্নালী গগৈ, ৰঞ্জিৎ কাকতী, ড° বৰ্ণালী বৰা, চন্দনজ্যোতি চুতীয়া আদিয়ে। উপস্থিতসকলৰ মাজৰপৰা ৰেখা ফুকন, শৈলেন বৰুৱা আৰু প্ৰশান্ত দাসেও ভাগ লয়। ড° শাস্ত্ৰীৰ জাপানস্থিত কন্যা বেলা চন্দ্ৰাণীয়ে প্ৰেৰণ কৰা এখন শুভেচ্ছা বাৰ্তা পাঠ কৰি দিয়ে সহকাৰী অধ্যাপিকা ড° ইচ্মি ৰেখা সন্দিকৈয়ে। এই সভাতেই সংশ্লিষ্ট বৰ্ষত অসমীয়া বিভাগৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত শ্ৰেষ্ঠতা অৰ্জন কৰা শোভাকৃষ্ণা ফুকনক বিশ্বনাৰায়ণ শাস্ত্ৰী স্মাৰক বঁটা প্ৰদান কৰা হয়।

**দ্বিতীয় বক্তৃতা** ঃ ২০১৮ চনৰ ২৮ ছেপ্টেম্বৰত অনুষ্ঠিত দ্বিতীয়টো বক্তৃতা প্ৰদান কৰে বিশিষ্ট কবি-সমালোচক হৰেকৃষ্ণ ডেকাই। এই বক্তৃতাৰ শিৰোনাম আছিল— 'অসমীয়া মন ঃ জাতীয়তাবোধ ঃ শংকা আৰু দ্বিধা'। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত ড° শাস্ত্ৰীৰ প্ৰতিকৃতিৰ সমুখত বন্তি প্ৰজ্জ্বলন কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হেমেন্দ্ৰ কুমাৰ গগৈয়ে। আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই অনুষ্ঠানৰ আৰম্ভণিতে ড° অৰবিন্দ ৰাজখোৱা আৰু ড° হেমন্ত শৰ্মাই সম্পাদনা কৰা 'হেমেন্দ্ৰ কুমাৰ গগৈ ৰচনা সমগ্ৰ' উন্মোচন কৰে হৰেকৃষ্ণ ডেকাই। অনুষ্ঠানতে ড° অৰবিন্দ ৰাজখোৱাৰ সম্পাদনাত প্ৰকাশিত মহাবিদ্যালয়ৰ উপলক্ষ্যমূলক বাতৰি কাকত 'কেম্পাছ'ৰ 'বিশ্বনাৰায়ণ শাস্ত্ৰী স্মাৰক বক্তৃতা (২) সংখ্যা'টো উন্মোচন কৰা হয়। বক্তৃতাৰ বিভিন্ন দিশত প্ৰশ্ন উত্থাপন কৰি হিৰণ্য সভাপণ্ডিত, ৰঞ্জিৎ কাকতী, সঞ্জীৱ বৰা, পংকজ খনিকৰ আদিয়ে। অনুষ্ঠানত উপস্থিত থকা লখিমপুৰৰ বিশিষ্ট ব্যক্তিসকল ক্ৰমে ড° প্ৰেমানন্দ হাওবৰা, ড° বন্তি হাওবৰা, সুৰেশ গগৈ, স্বপ্না চেতিয়া গগৈ, ৰুক্ম গোহাঞিবৰুৱা, হাৰনুল ৰছিদ আদিয়ে এনে ধৰণৰ বক্তৃতানুষ্ঠানৰ আয়োজন কৰি মহাবিদ্যালয়খনে সুস্থ তথা বলিষ্ঠ শৈক্ষিক পৰিৱেশ সৃষ্টিত অৰিহনা যোগাইছে বুলি কয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৯ ছেপ্টেম্বৰ, ২০১৮)

**তৃতীয় বক্তৃতা** ঃ ২০২১ চনৰ ১২ মাৰ্চত অনুষ্ঠিত তৃতীয়টো বক্তৃতা প্ৰদান কৰে সাহিত্য-সমালোচক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জয়ন্ত কুমাৰ বৰাই। এই বক্তৃতাৰ বিষয় আছিল— 'অসমীয়া সাহিত্যৰ ইতিহাস চৰ্চা আৰু হেমচন্দ্ৰ গোস্বামী ঃ এক অভিনিৱেশ'। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিৰ সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত মুৰব্বী লিলি চেলেঙে।

**চতুৰ্থ বক্তৃতা** ঃ ২০২৪ চনৰ ৩০ অক্টোবৰত অনুষ্ঠিত চতুৰ্থটো বক্তৃতা প্ৰদান কৰে বিশিষ্ট গৱেষক তথা সাহিত্য সমালোচক ড° পৰমানন্দ মজুমদাৰে। এই বক্তৃতাৰ বিষয় আছিল— 'অম্বিকাগিৰী আৰু জাতীয়তাবাদ'। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। 'অম্বিকাগিৰী আৰু জাতীয়তাবাদ' শীৰ্ষক ড° মজুমদাৰৰ বক্তৃতাটো অনুষ্ঠানৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাৰ প্ৰচেষ্টা আৰু বিশ্বনাৰায়ণ শাস্ত্ৰীৰ পৰিয়ালৰ সহযোগত বুকলেট আকাৰত ছপা কৰি প্ৰকাশ কৰা হয়। এই বক্তৃতানুষ্ঠানৰ শেষত ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী গগৈয়ে বক্তৃতাটো সম্পৰ্কত তেওঁৰ অনুভৱ ব্যক্ত কৰে আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এনে ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লয়।

**(গ) ড° লীলা গগৈ স্মাৰক বক্তৃতা** ঃ ২০২৪ চনৰ ২৪ মে' তাৰিখে নৰ্থ লখিমপুৰ কলেজত 'ড° লীলা গগৈ স্মাৰক বক্তৃতা' অনুষ্ঠিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সাহিত্যিক তথা বুৰঞ্জীবিদ ড° লীলা গগৈৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সামাজিক অনুষ্ঠান 'স্মৃতিধাৰা, অসম'ৰ লখিমপুৰ শাখাৰ উদ্যোগত আৰু নৰ্থ লখিমপুৰ কলেজৰ সহযোগত এই বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। নৰ্থ লখিমপুৰ কলেজৰ সভাকক্ষত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। ড° বৰ্ণালী বৰা আৰু ড° ৰাতুল কুমাৰ লাহনে আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে স্মৃতিধাৰা, লখিমপুৰৰ সম্পাদক দুৰ্গেশ্বৰ

হাজৰিকাই। অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে স্মৃতিধাৰা, লখিমপুৰৰ সভাপতি ড° সুৰজিত ভূঞাই। অনুষ্ঠানত 'বুৰঞ্জী আৰু অসমৰ ইতিহাস ভাৱনাৰ ইতিকথা ঃ এক নতুন মূল্যায়নৰ প্ৰস্তাৱনা' শীৰ্ষক বিষয়ত মূল বক্তৃতা প্ৰদান কৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অধ্যাপক ড° অৰূপজ্যোতি শইকীয়াই। এই অনুষ্ঠানতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোপাল চন্দ্ৰ হাজৰিকাক স্মৃতিধাৰা, লখিমপুৰৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু ড° অসীম চুতীয়াৰ সম্পাদনাত প্ৰকাশিত 'লীলা গগৈ জীৱন আৰু সাহিত্য' শীৰ্ষক এখন গ্ৰন্থও ড° হাজৰিকাই উন্মোচন কৰে। অনুষ্ঠানটোত স্মৃতিধাৰাৰ সম্পাদক ড° গুণাৰাম নাথ, স্মৃতিধাৰা অসমৰ কেন্দ্ৰীয় সমিতিৰ কৰ্মকৰ্তা ড° ভবেন্দ্ৰনাথ মহন, জয়ন্ত দত্ত আৰু ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁই উপস্থিত থাকে।

**(ঘ) ড° অমলেন্দু গুহ জন্ম শতবৰ্ষ উপলক্ষ্যে বক্তৃতানুষ্ঠান** ঃ ২০২৪ চনৰ ৩০ অক্টোবৰ তাৰিখে ড° অমলেন্দু গুহৰ জন্ম শতবৰ্ষ উপলক্ষ্যে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু ড° অমলেন্দু গুহ জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ সহযোগত 'পৰিৱৰ্তিত ইতিহাস তত্ত্বৰ আলোকত অমলেন্দু গুহ : ইতিহাস আৰু সমাজ বীক্ষণ' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° চন্দন কুমাৰ শৰ্মা। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই এই বক্তৃতানুষ্ঠানৰ আঁত ধৰে। অমলেন্দু গুহ জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক পৰমানন্দ মজুমদাৰে এই বক্তৃতানুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায়। এই অনুষ্ঠানত অমলেন্দু গুহ জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ত্ৰিদিপ বৰপূজাৰী, নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ সভাপতি কুমুদ বৰুৱা, লখিমপুৰৰ কেইবাজনো গণ্যমান্য ব্যক্তি আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

### [৭] কৰ্মশালা

**(১) আলোচনী সম্পাদনা সম্পৰ্কীয় কৰ্মশালা** ঃ ২০১৯ চনৰ ১২ মাৰ্চ তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত আলোচনী সম্পাদনা সম্পৰ্কীয় এক কৰ্মশালা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে সুলেখক তথা 'সাতসৰী' আলোচনীৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্য। মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অনুষ্ঠিত অনুষ্ঠানটোৰ আঁত ধৰে স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই। কৰ্মশালাৰ মত বিনিময় অনুষ্ঠানত নিতিশ কুমাৰ দুৱৰা, দেৱাশীষ বুঢ়াগোহাঁই, ভাস্কৰ ভূঞা, কিৰণ দাস, প্ৰাঞ্জল দাস, ইন্দ্ৰ কুমাৰ টায়ে, পংকজ মৰাং আদিয়ে ভাগ লয়। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, বিশ্ব হাজৰিকা, বিতু বড়াও অনুষ্ঠানত উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৫ মাৰ্চ, ২০১৯)

**(২) বিজ্ঞান বাৰ্তা কৰ্মশালা** ঃ ২০২২ চনৰ ৬ এপ্ৰিল তৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু গণ সংযোগ বিভাগৰ সহযোগত তেজপুৰ বিশ্ববিদ্যালয়ৰ SCoPE আৰু অসম বিজ্ঞান লেখক সংস্থাৰ দ্বাৰা নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণীকোঠাত এখন বিজ্ঞান বাৰ্তা কৰ্মশালা অনুষ্ঠিত কৰা হয়। প্ৰায় ৪০ গৰাকী অংশগ্ৰহণকাৰীৰ এই কৰ্মশালাখনৰ সমল ব্যক্তিসকল আছিল ক্ৰমে নৰ্থ লখিমপুৰ কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অমিয়া ৰাজবংশী, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মুকুন্দ ৰাজবংশী আৰু এল. টি. কে. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল শইকীয়া। 'বিজ্ঞান-প্ৰযুক্তিবিদ্যা সংযোগ আৰু অসমীয়া ভাষাত ইয়াৰ জনপ্ৰিয়কৰণ' এই বিষয়টোক কেন্দ্ৰ কৰি সমল ব্যক্তিকেইজনে আনুষংগিক বহুত বিষয় অৱতাৰণা কৰি কৰ্মশালাখন বিশেষত্বপূৰ্ণ কৰি তোলে। অসমীয়া বিভাগত স্নাতকোত্তৰ কৰি থকা ছাত্ৰী তুলিকা তামুলীয়ে আঁত ধৰা কৰ্মশালাখনত তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ অধ্যাপক অভিজিৎ বৰা উপস্থিত থাকি অসমীয়া ভাষাত নৱপ্ৰজন্মই বিজ্ঞান-প্ৰযুক্তিৰ প্ৰচাৰ আৰু লিখন কাৰ্যত কিদৰে গুৰুত্ব প্ৰদান কৰিব সেইবিষয়ে কয়। মহাবিদ্যালয়ৰ অধ্যক্ষ বিমান চন্দ্ৰ চেতিয়াই কৰ্মশালাখন উদ্বোধন কৰে। অসম বিজ্ঞান লেখক সংস্থাৰ সভাপতি লাৱণ্য লাহন, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই বিজ্ঞান সাহিত্য সম্পৰ্কে চমুকৈ বক্তব্য প্ৰদান কৰে।

**(৩) গৱেষণা-পত্ৰ লিখনৰ কৰ্মশালা** ঃ ২০২২ চনৰ ২২ অক্টোবৰ তাৰিখে নৰ্থ লখিমপুৰ কলেজ আৰু কলকাতাৰ ছেণ্ট পল'ছ কেথেড্ৰেল মিছন কলেজৰ আভ্যন্তৰীণ গুণগত কোষৰ সহযোগত আৰু অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'গৱেষণা পত্ৰ লিখন' শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে কলিকতাৰ ছেইণ্ট পল'ছ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপক তথা কলকাতাৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত ড° শেখ মকবুল ইছলাম। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই অনুষ্ঠানটোৰ আঁত ধৰে। আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অনুষ্ঠানটোৰ সামৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ অধ্যাপক ড° হেমন্ত শৰ্মাই। কৰ্মশালাখনিত

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° ধীৰাজ পাটৰ, ইতিহাস বিভাগৰ অধ্যাপক ড° চন্দ্ৰ মানচে আৰু অসমীয়া বিভাগৰ সমূহ গৱেষকৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৪) প্ৰাক্ মুদ্ৰণ প্ৰস্তুতি সম্পৰ্কীয় কৰ্মশালা** ঃ ২০২২ চনৰ ৩০ নৱেম্বৰ তৰিখে অসমীয়া বিভাগৰ উদ্যোগত 'সম্পাদনা আৰু প্ৰাক্ মুদ্ৰণ প্ৰযুক্তি' বিষয়ৰ এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু অসমীয়া বিভাগৰ যৌথ উদ্যোগত আয়োজিত এই কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশ লয় চেপন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° অসীম চুতীয়াই। তেওঁ দুটা পৰ্যায়ত কৰ্মশালাখনত অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰথম পৰ্যায়ত 'গ্ৰন্থ সম্পাদনা' সম্পৰ্কীয় বিভিন্ন দিশ উত্থাপন কৰে আৰু হাতে কামে কৰি দেখুৱায়। দ্বিতীয় পৰ্যায়ত ড° চুতীয়াই প্ৰাক্-মুদ্ৰণ প্ৰযুক্তিৰ ভিন্ন দিশসমূহৰ প্ৰশিক্ষণ দিয়ে। কৰ্মশালাৰ অন্তত বিভাগৰ সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰে কৃতজ্ঞতা জ্ঞাপন কৰে। (তথ্য উৎস ঃ 'অসম আদিত্য', ১ ডিচেম্বৰ, ২০২২)

**(৫) সৃজনীশীল সাহিত্য বিষয়ক কৰ্মশালা** ঃ ২০২৪ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে অসম প্ৰকাশন পৰিষদ আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ যৌথ সহযোগত মহাবিদ্যালয়ত সৃজনীশীল সাহিত্য বিষয়ক এক কৰ্মশালা অনুষ্ঠিত হয়। ৰাজ্যখনৰ উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা আৰু বৌদ্ধিক অনুশীলনক অধিক গতিশীল কৰাৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত গ্ৰহণ কৰা কাৰ্যসূচীৰ অংশৰূপে নৰ্থ লখিমপুৰ কলেজত এই সৃজনীশীল সাহিত্য বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰে। এই আলোচনা সত্ৰ উদ্বোধন কৰে প্ৰকাশ আলোচনীৰ সম্পাদক মিহিৰ দেউৰীয়ে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ পৰিকল্পনা অনুসৰি প্ৰকাশ সাহিত্য গোটৰ সহযোগত মহাবিদ্যালয়ত গ্ৰন্থমেলা, সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা আদি অনুষ্ঠিত কৰি অহা হৈছে। কৰ্মশালাৰ উদ্বোধনী সভাত বিশিষ্ট অতিথিৰূপে বক্তব্য প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। এই কৰ্মশালাখন মুঠ তিনিখন সত্ৰত অনুষ্ঠিত হয়। প্ৰথম সত্ৰত 'উপন্যাস আৰু গল্পৰ নব্য ধাৰা' বিষয়ত সমল ব্যক্তিৰূপে বক্তব্য আগবঢ়ায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° লক্ষীপ্ৰিয়া গগৈয়ে। দ্বিতীয় আলোচনা সত্ৰত 'সাহিত্যৰ তত্ত্ব আৰু সমালোচনা সাহিত্য'ৰ বিষয়ত সমল ব্যক্তিৰূপে বক্তব্য আগবঢ়ায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, কবি-সমালোচক ড° সত্যকাম বৰঠাকুৰে। তৃতীয় আলোচনা সত্ৰত 'কাব্য নিৰ্মাণ আৰু ধাৰণা'ৰ বিষয়ে ভাষণ প্ৰদান কৰে সমল ব্যক্তি, ছয়দুৱাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰিন্দম শৰ্মাই। কবি-লেখক নৰজ্যোতি পাঠকে পৰিচালনা কৰা এই মনোজ্ঞ অনুষ্ঠানটিত সামৰণি ভাষণ আগবঢ়ায় প্ৰকাশ সাহিত্য গোট, নৰ্থ লখিমপুৰ কলেজৰ আহ্বায়ক তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক, সাহিত্য-সমালোচক ড° অৰবিন্দ ৰাজখোৱাই । ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, মুনমী দত্ত ৰাজখোৱা, কৃপাৰেখা গগৈ, প্ৰাৰ্থনা দত্ত, খগেন পেগু আদি অধ্যাপক-

পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষ্যে মহাবিদ্যালয়ত এটি বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ২০২১ চন।



অধ্যাপিকাসকলে অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে । এই কৰ্মশালাখনিত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

**[৮] নিমন্ত্ৰিত বক্তৃতা**


**(১) 'লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা' শীৰ্ষক বক্তৃতা** ঃ ২০১৫ চনৰ ২৮ মাৰ্চ তাৰিখে অসমীয়া বিভাগত 'লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা' শীৰ্ষক এক আলোচনা-চক্ৰ সম্পন্ন হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি অধ্যয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ দাস আৰু পূব কামৰূপ কলেজৰ অসৰৰপ্ৰাপ্ত অধ্যাপক ড° উমেশ চন্দ্ৰ ডেকা। অনুষ্ঠানটো সঞ্চালনা কৰে স্নাতকোত্তৰ শ্ৰেণীৰ সহকাৰী সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই। সহযোগিতা কৰে সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মাই। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৯ মাৰ্চ, ২০১৫)

**(২) লোক-সংগীত সম্পৰ্কীয় বক্তৃতা** ঃ ২০১৫ চনৰ ৩০ আগষ্ট তাৰিখ দেওবাৰে অসমীয়া বিভাগত 'অসমীয়া লোক-সংগীতৰ বৈচিত্ৰ্য' শীৰ্ষক এক বক্তৃতানুষ্ঠান সম্পন্ন হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা লোক-সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া উপস্থিত থকা বক্তৃতা অনুষ্ঠানটো সঞ্চালনা কৰে সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। উল্লেখযোগ্য যে অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি দেওবাৰ বা আন বন্ধ বাৰতো এনেধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৩১ আগষ্ট, ২০১৫)

**(৩) 'উত্তৰ-ঔপনিৱেশিকতাবাদ' সম্পৰ্কীয় বক্তৃতা** ঃ ২০১৬ চনৰ ২৪ আৰু ২৫ অক্টোবৰ তাৰিখে দুদিনীয়াকৈ অসমীয়া বিভাগত 'উত্তৰ-ঔপনিৱেশিকতাবাদ' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে কবি-লেখক ড° কমল কুমাৰ তাঁতীয়ে। ড° অৰবিন্দ ৰাজখোৱাই সমন্বয়কৰ দায়িত্ব বহন কৰা এই অনুষ্ঠান সঞ্চালনা কৰে মুৰব্বী লিলি চেলেঙে। হিৰণ্য সভাপণ্ডিত, জয়ন্তজিৎ বৰদলৈ, ড° কাকলি ভূঞা, ৰাতুল কুমাৰ লাহন, হেমন্ত শৰ্মা, মুন্মী দত্ত, ড° ঈশানজ্যোতি গগৈ, বিশ্ব হাজৰিকা আদিয়ে অনুষ্ঠানটোত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৬ অক্টোবৰ, ২০১৬)

**(৪) 'লেখক হিচাপে মোৰ অভিজ্ঞতা' শীৰ্ষক বক্তৃতা** ঃ ২০১৭ চনৰ ৫ মে' তাৰিখে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে 'লেখক হিচাপে মোৰ অভিজ্ঞতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। তেওঁ নিজৰ বাল্য কালৰ সাহিত্য প্ৰীতি, অৰুণাচল প্ৰদেশত অসমীয়া ভাষা অধ্যয়নৰ পৰিৱেশ, অসমীয়া লেখক হিচাপে লাভ কৰা নানা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে। অনুষ্ঠানটিৰ আঁত

অসমীয়া বিভাগে কলকাতাত অনুষ্ঠিত কৰা আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠান। ২০২৩ চন।



ধৰে অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই আৰু সঞ্চালনা কৰে বিভাগৰ মুৰব্বী লিলি চেলেঙে। অনুষ্ঠানত উপস্থিত থাকি অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই ঠেংচিক মহাবিদ্যালয়ৰ তৰফৰপৰা সম্বৰ্ধনা জনায়। অনুষ্ঠানত সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, ৰাতুল কুমাৰ লাহন, মুন্মী দত্ত, বিশ্ব হাজৰিকা, চন্দনজ্যোতি চুতীয়া আদিও উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ৬ মে', ২০১৭)

**(৫) 'পশ্চিমবঙ্গত ভূপেন হাজৰিকা চৰ্চা' শীৰ্ষক বক্তৃতা ঃ** ২০১৭ চনৰ ১৪ অক্টোবৰ তাৰিখে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত বিশিষ্ট গৱেষক শেখ মকবুল ইছলামে 'পশ্চিমবঙ্গত ভূপেন হাজৰিকা চৰ্চা' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। ইছলাম কলকাতাৰ ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ সহযোগী অধ্যাপক। অনুষ্ঠানটো সঞ্চালনা কৰে স্নাতকোত্তৰ মহলাৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে উপস্থিত থাকে সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুন্মী দত্ত, ড° ঈশানজ্যোতি গগৈ, বিশ্ব হাজৰিকা আৰু চন্দনজ্যোতি চুতীয়া। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৫ অক্টোবৰ, ২০১৭)

**(৬) 'যুৱ প্ৰজন্মৰ ওপৰত সাহিত্যৰ প্ৰভাৱ'** ঃ ২০১৮ চনৰ ১১ মাৰ্চ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° নীৰাজনা মহন্ত বেজবৰাই 'যুৱ প্ৰজন্মৰ ওপৰত সাহিত্যৰ প্ৰভাৱ' শীৰ্ষক এটি বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ উদ্যোগত তথা ড° বেজবৰাই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত অব্যাহত ৰখা এক গৱেষণা প্ৰকল্পৰ সৌজন্যত এই বক্তৃতা অনুষ্ঠিত হয়। অনুষ্ঠানটো আঁত ধৰে সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, ড° ঈশানজোতি গগৈ, বিশ্ব হাজৰিকা আৰু পৰেশ খনিকৰ অনুষ্ঠানত উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰা সৌৰভজ্যোতি দত্ত, মনোৰঞ্জন দত্ত, দেৱাশীষ বুঢ়াগোহাঁই, বন্যাজ্যোতি দত্ত, ইন্দ্ৰ কুমাৰ টায়ে, প্ৰকাশ শইকীয়া, ভাস্কৰ ভূএগ্ৰা আদিয়ে নিজৰ বিশ্লেষণাত্মক মন্তব্য আগবঢ়ায়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১২ মাৰ্চ, ২০১৮)

**(৭) 'বিশ্বৰ সাম্প্ৰতিক চলচ্চিত্ৰ' শীৰ্ষক বক্তৃতানুষ্ঠান ঃ** ২০১৮ চনৰ ৫ এপ্ৰিল তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ চিনে ক্লাৱৰ সহযোগত দিনজোৱাকৈ চলচ্চিত্ৰ সম্পৰ্কীয় বক্তৃতাৰ অনুষ্ঠান আৰু লগতে আলোচনা সম্পন্ন হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে দিখৌমুখ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা বিশিষ্ট চলচ্চিত্ৰ সমালোচক প্ৰাঞ্জল বৰা। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। এই অনুষ্ঠানতে প্ৰাঞ্জল বৰা মুখ্য দায়িত্বত থকা 'অসম চলচ্চিত্ৰ সমাজ'ৰ এটি শাখা নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত গঠন কৰা হয়। লিলি চেলেং, ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুন্মী দত্ত, পৰেশ খনিকৰকে ধৰি কেইবাগৰাকীও অধ্যাপক অধ্যাপিকা তথা শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৭ এপ্ৰিল, ২০১৮)

**(৮) 'অনুবাদ অধ্যয়ন' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০১৮ চনৰ ২৪ নৱেম্বৰ তাৰিখে অসমীয়া বিভাগত 'অনুবাদ অধ্যয়ন' এক বক্তৃতানুষ্ঠান সম্পন্ন হয়। দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক ড° ৰত্নোত্তমা দাসে এই বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটো আঁত ধৰে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। ড° দাসক মহাবিদ্যালয় পৰিয়ালৰ হৈ সম্বৰ্ধনা জনায় প্ৰিয়ংকা বৰুৱা আৰু কাশ্মীৰী শইকীয়াই। বক্তৃতাৰ শেষত দেৱাশিষ বুঢ়াগোহাঁই, পংকজ খনিকৰ, পংকজ মৰাং, সঞ্জয় আচাৰ্য, ৰাজীৱ হাজৰিকা আদিয়ে আলাপত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৬ নৱেম্বৰ, ২০১৮)

**(৯) 'ঊনবিংশ আৰু বিংশ শতিকাৰ ফৰাচী কবিতা আৰু অসমীয়া কবিতাত ইয়াৰ প্ৰভাৱ' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০১৯ চনৰ ৬ এপ্ৰিল তাৰিখে অজিৎ বৰুৱা অনুৰাগী সমাজ আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত এক বক্তৃতাৰ অনুষ্ঠান আৰু কবি সন্মিলন অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আঁত ধৰে ক্ৰমে কুশল দত্ত, ড° অৰবিন্দ ৰাজখোৱা আৰু ড° বৰ্ণালী বৰাই। বক্তৃতা অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। আদৰণি ভাষণ প্ৰদান কৰে অজিৎ বৰুৱা অনুৰাগী সমাজৰ উপ সভাপতি তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী সঞ্চালক ৰাজীৱ বৰুৱাই। কবি তথা অজিৎ বৰুৱা অনুৰাগী সমাজৰ সম্পাদক কুশল দত্তই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। বিশিষ্ট সাহিত্য সমালোচক প্ৰভাত বৰাই 'ঊনবিংশ আৰু বিংশ শতিকাৰ ফৰাছী কবিতা আৰু অসমীয়া কবিতাত ইয়াৰ অনুৰণন' শীৰ্ষক বিষয়ত এটা গভীৰ বিশ্লেষণসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। বক্তৃতা অনুষ্ঠানৰ সমাপ্তিৰ পাছতে তিনিখন সত্ৰত কবি সন্মিলন অনুষ্ঠিত হয়। সাহিত্য অকাডেমী বঁটা প্ৰাপক কবি জ্ঞান পূজাৰীয়ে উদ্বোধন কৰা কবি সন্মিলনৰ সঞ্চালনা কৰে ক্ৰমে লুটফা হানুম চেলিমা বেগম, প্ৰেম নাৰায়ণ নাথ আৰু শিৱানন্দ কাকতিয়ে। কবি সন্মিলনত অংশ গ্ৰহণ কৰা অসমৰ বিভিন্ন প্ৰান্তৰপৰা অহা

কবিসকল হ'ল যথাক্ৰমে অংকুৰ ৰঞ্জন ফুকন (মৰাণ), অপৰাজিতা পূজাৰী (কলাবাৰী), ইমন ৰাজা (গুৱাহাটী), কল্যানী চক্ৰৱৰ্তী (লখিমপুৰ), কুশল দত্ত (গুৱাহাটী), চন্দ্ৰ কুমাৰ বড়া (বৈঠালাংছ'), পংকজ গোবিন্দ মেধি (নলবাৰী), বংশী বৰা (কলাবাৰী), বিনয় কুমাৰ মজুমদাৰ (নলবাৰী), বিমান চন্দ্ৰ চেতিয়া (লখিমপুৰ), ভাস্কৰজ্যোতি গগৈ (ডিগবৈ), লুইত কিৰণ দাস (নৰ্থ লখিমপুৰ কলেজ), দেৱাশীষ বুঢ়াগোহাঁই (নৰ্থ লখিমপুৰ কলেজ), ৰাজীৱ বৰুৱা (বৰহোলা), ৰাতুল কুমাৰ লাহন (নৰ্থ লখিমপুৰ কলেজ), সৌৰভ কুমাৰ বৰুৱা (ঢকুৱাখনা), জলিল আহমেদ, হেমচন্দ্ৰ কছাৰী (ধেমাজি), নবীন বুঢ়াগোহাঁই (ধেমাজি), আৰু নাজলীমা আলম (লখিমপুৰ)। (তথ্য উৎস ঃ 'আমাৰ অসম', ৮ এপ্ৰিল, ২০১৯)

**(১০) 'অসমত আধুনিক গীতৰ চৰ্চা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০১৯ চনৰ ১১ মাৰ্চ তাৰিখে অসমীয়া বিভাগত 'অসমত আধুনিক গীতৰ চৰ্চা' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মূল বক্তৃতাটো প্ৰদান কৰে লোকসংস্কৃতিৰ বিশিষ্ট গৱেষক ড° অনিল শইকীয়াই। মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণীকোঠাত অনুষ্ঠিত এই অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। বক্তৃতানুষ্ঠানতে ড° অনিল শইকীয়াই বিভিন্ন সময়ৰ দুটা গ্ৰামোফোন ৰেকৰ্ড প্লেয়াৰৰ সহায়ত ভালেমান পুৰণা অসমীয়া গীত বজায় শুনায়। অনুষ্ঠানত বিহপুৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰবীন শইকীয়া, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° স্বপ্নালী গগৈ, ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, মুন্মী দত্ত, বিশ্ব হাজৰিকা, বিতু বড়া আদিয়েও ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১২ মাৰ্চ, ২০১৯)

**(১১) 'সমাজ পৰিৱৰ্তনত যুক্তিনিষ্ঠ গদ্য সাহিত্যৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০১৯ চনৰ ১৯ নৱেম্বৰ তাৰিখে অসমীয়া বিভাগত 'সমাজ পৰিৱৰ্তনত যুক্তিনিষ্ঠ গদ্য সাহিত্যৰ ভূমিকা' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মূল বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট গদ্য লেখক দেৱকান্ত সন্দিকৈ। সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে। অনুষ্ঠানটো সঞ্চালনা কৰে বিভাগৰ মুৰব্বী লিলি চেলেঙে। আলোচনাত ধনৰঞ্জন কলিতা, ড° বৰ্ণালী বৰা, ড° হেমন্ত শৰ্মা, মুনমী দত্ত আৰু ড° বিশ্ব হাজৰিকায়ো ভাগ লয়। (তথ্য উৎস ঃ 'দৈনিক অসম', ২০ নৱেম্বৰ, ২০১৯)

**(১২) 'পৰিৱেশ সংৰক্ষণ আৰু অসমীয়া সাহিত্য' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০১৯ চনৰ ২৭ জুনত অসমীয়া বিভাগত অসমীয়া বিভাগ আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ লখিমপুৰত অৱস্থিত গৱেষণা কেন্দ্ৰৰ যৌথ উদ্যোগত 'পৰিৱেশ সংৰক্ষণ আৰু অসমীয়া সাহিত্য' শীৰ্ষক এক বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই। মূল অনুষ্ঠানৰ সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেঙে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই অনুষ্ঠানৰ উদ্বোধন কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ লখিমপুৰত অৱস্থিত আঞ্চলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° প্ৰৱাল শইকীয়াই অনুষ্ঠানত অংশ লয়। তেওঁ মহাবিদ্যালয় পুথিভঁৰাললৈ পৰিৱেশ আৰু প্ৰকৃতি সম্পৰ্কীয় ২০ খন গ্ৰন্থ আগবঢ়ায়। অনুষ্ঠানত ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, মুনমী দত্ত, ড° বৰ্ণালী বৰা, বিশ্ব হাজৰিকাকে ধৰি ভালেসংখ্যক অধ্যাপক- অধ্যাপিকা আৰু যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৮ জুন, ২০১৯)




**(১৩) 'আধুনিক অসমীয়া গীতি সাহিত্য' শীৰ্ষক অনলাইন বক্তৃতানুষ্ঠান** ঃ ২০২০ চনৰ ২০ জুনত অসমীয়া বিভাগৰ উদ্যোগত 'আধুনিক অসমীয়া গীতি-সাহিত্য' শীৰ্ষক এক অনলাইন বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই অনুষ্ঠানৰ উদ্বোধন কৰে। বক্তৃতা প্ৰদান কৰে বিশিষ্ট লেখক তথা সংগীত শিল্পী লোকনাথ গোস্বামীয়ে।

**(১৪) 'মানসিক স্বাস্থ্যৰ যতন আৰু আমাৰ সজাগতা' শীৰ্ষক অনলাইন বক্তৃতানুষ্ঠান** ঃ ২০২০ চনৰ ২২ জুনত অসমীয়া বিভাগৰ উদ্যোগত 'মানসিক স্বাস্থ্যৰ যতন আৰু আমাৰ সজাগতা' শীৰ্ষক এক অনলাইন বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। বক্তৃতা প্ৰদান কৰে মনোৰোগ পৰামৰ্শদাতা আৰাধনা বৰুৱাই। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ড°

অৰবিন্দ ৰাজখোৱাই।

**(১৫) 'অসমত ভাষা অধ্যয়নৰ গতি-প্ৰকৃতি' শীৰ্ষক অনলাইন বক্তৃতানুষ্ঠান** ঃ ২০২০ চনৰ ২৭ জুলাইত অসমীয়া বিভাগৰ উদ্যোগত 'অসমত ভাষা অধ্যয়নৰ গতি-প্ৰকৃতি' শীৰ্ষক এক অনলাইন বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। বক্তৃতা প্ৰদান কৰে গোৰেশ্বৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° দীপকজ্যোতি মহন্তই। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই।

**(১৬) গোহাঞিবৰুৱাৰ অৰদান সম্পৰ্কীয় বক্তৃতানুষ্ঠান** ঃ ২০২১ চনৰ ১৩ নৱেম্বৰত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ, ছাত্ৰ একতা সভা আৰু সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি 'জাতীয় জীৱনলৈ গোহাঞিবৰুৱাৰ অৰদান' শীৰ্ষক এটি বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই।পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে আয়োজিত এই অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। লখিমপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে অনুষ্ঠানটোৰ উদ্বোধনী ভাষণ প্ৰদান কৰে। সভাখনৰ মূল বক্তা হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী অগ্ৰণী শিক্ষাবিদ তথা সাহিত্যিক ড° ভূপেন শইকীয়া। তেওঁ জাতীয় জীৱনলৈ গোহাঞিবৰুৱাৰ অৰদান সম্পৰ্কে এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে সভাখনত সদৌ অসম আহোম সভাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি জয়ন্ত ৰাজকোঁৱৰৰ লগতে আন কেইবাগৰাকীও সদস্য উপস্থিত থাকি সভাখন সাফল্যমণ্ডিত হোৱাত সহায় কৰে। তেওঁলোকৰ মাজৰ পৰা দেৱজ্যোতি গগৈ আৰু ৰেখামণি দত্ত বৰাই গোহাঞিবৰুৱাৰ অৰদান সম্পৰ্কে চমু বক্তব্য ৰাখে। বহুসংখ্যক ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা ক্ৰমে— ড° স্বপ্নালী গগৈ, ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, ড° বৰ্ণালী বৰা, বাণীকান্ত কোঁৱৰ, ড° ইচমিৰেখা সন্দিকৈ, ড° ৰাতুল কুমাৰ লাহন, মুনমী দত্ত ৰাজখোৱা, ড° ধীৰাজ পাটৰ, পৰেশ খনিকৰ, অসীম শইকীয়া আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক নিজৰা গগৈৰ লগতে অসমীয়া বিভাগৰ গৱেষকসকল উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২১ নৱেম্বৰ, ২০২১)

**(১৭) 'বিনিয়োগ সজাগতা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ ২০২১ চনৰ ২৮ ডিচেম্বৰত 'বিনিয়োগ সজাগতা' আৰু 'সুকুমাৰ কৌশল বিকাশ' শীৰ্ষক বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰাক্তন মুৰব্বী তথা ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক প্ৰাধ্যাপক ড° প্ৰাঞ্জল বেজবৰাই। অনুষ্ঠানৰ দ্বিতীয়টো বৈঠকত তেওঁ সুকুমাৰ কৌশলৰ বিকাশ সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° নীৰাজনা মহন্ত বেজবৰাও উপস্থিত থাকে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ৩০ ডিচেম্বৰ, ২০২১)

**(১৮) 'য়েছে দৰজে ঠংচিৰ জীৱন আৰু সাহিত্যকৃতি' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০২২ চনৰ ৪ জানুৱাৰীত অসমীয়া বিভাগৰ উদ্যোগত 'নতুন দৃষ্টিৰে য়েছে দৰজে ঠংচিৰ জীৱন আৰু সাহিত্যকৃতি' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সমল



অসমীয়া বিভাগৰ এটি অনুষ্ঠানত পদ্মশ্ৰী উদ্ধৱ ভৰালী। ২০২১ চন।


ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰত্নোত্তমা দাস বিক্ৰমে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটোত শতাধিক ছাত্ৰ-ছাত্ৰী আৰু গৱেষকৰ উপৰিও অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, পৰেশ খনিকৰ, অসীম শইকীয়া আদিও উপস্থিত থাকে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ৬ জানুৱাৰী, ২০২২)

**(১৯) 'মোৰ সাহিত্যিক জীৱন পৰিক্ৰমা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০২২ চনৰ ১ ছেপ্টেম্বৰত অসমীয়া বিভাগত বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে 'মোৰ সাহিত্যিক জীৱন পৰিক্ৰমা' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। লগতে তেওঁ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠানত অংশ লয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই অনুষ্ঠানটোৰ আঁত ধৰে। অনুষ্ঠানটোৰ আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ বৰাই। এই অনুষ্ঠানতে ঠংচিয়ে তেওঁৰ সদ্য প্ৰকাশিত পুথি ক্ৰমে লুম্মেৰ দাইৰ 'মন আৰু মন' উপন্যাসৰ ইংৰাজী অনুবাদ 'হাৰ্ট টু হাৰ্ট', 'ধাৰ আৰু অন্যান্য গল্প' নামৰ গল্প সংকলন আৰু দক্ষিণ কোৰিয়াৰ ভ্ৰমণ বৃত্তান্তৰে 'ধুনীয়া মানুহৰ ধুনীয়া দেশত' নামৰ ভ্ৰমণমূলক গ্ৰন্থখনৰ একোটিকৈ কপি অসমীয়া বিভাগৰ পুথিভঁৰাললৈ অৰ্পণ কৰে। মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী ড° কাকলি ভূঞা আৰু হিন্দী বিভাগৰ মুৰব্বী ড° নন্দিতা দত্তই ঠংচিৰ উপন্যাস অধ্যয়নৰ মাজেৰে লাভ কৰা অভিজ্ঞতা অনুষ্ঠানটোত ব্যক্ত কৰে। এই অনুষ্ঠানত অৰুণাচল লিটাৰেৰী ছ'চাইটিৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক মুকুল পাঠক, অসমীয়া বিভাগৰ অধ্যাপক ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, ড° ধীৰাজ পাটৰ আৰু মুন্‌মী দত্তৰ লগতে হিন্দী বিভাগৰ অধ্যাপক শিল্পা দত্ত আৰু মহাবিদ্যালয়ৰ গৱেষক-গৱেষিকা তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসম আদিত্য', ৩ ছেপ্টেম্বৰ, ২০২২)

**(২০) 'ঔপন্যাসিক হিচাপে মোৰ যাত্ৰা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০২২ চনৰ ৭ নৱেম্বৰত অসমীয়া বিভাগত বিশিষ্ট সাহিত্যিক ৰীতা চৌধুৰীয়ে 'ঔপন্যাসিক হিচাপে মোৰ যাত্ৰা' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অনুষ্ঠানটোৰ সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে ঔপন্যাসিক ৰীতা চৌধুৰী আৰু তেওঁৰ উপন্যাস সম্পৰ্কত পোনপটীয়াকৈ বিভিন্ন কথা জনাৰ তথা প্ৰশ্ন অৱতাৰণা কৰাৰ সুবিধা লাভ কৰে।

**(২১) 'অসমীয়া লিপিৰ ক্ৰমবিকাশ' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত ২০২২ চনৰ

গুৱাহাটীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অংশ ল'বলৈ যোৱা অসমীয়া বিভাগৰ দলটি।। ২০১৮ চন।



১৩ নৱেম্বৰ তাৰিখে বিশিষ্ট গৱেষক ভাস্কৰ বৰদলৈয়ে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত 'অসমীয়া লিপিৰ ক্ৰমবিকাশ' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটো সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। আজিৰ আলোচনাত সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা, সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ, মুন্‌মী দত্ত আদিয়ে অংশ গ্ৰহণ কৰে। (তথ্য উৎস ঃ 'অসম আদিত্য', ১৪ নৱেম্বৰ, ২০২২)

**(২২) 'বিশ্বায়ন আৰু অসমীয়া ভাষা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক চ'ৰাৰ উদ্যোগত ২০২৩ চনৰ ২৫ মে' তাৰিখে 'বিশ্বায়ন আৰু অসমীয়া ভাষা' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বিভাগীয় প্ৰধান ড° অৰবিন্দ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গোৰেশ্বৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দীপকজ্যোতি মহন্ত। সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাইয়ো বিশ্বায়ন আৰু অসমীয়া সমাজ-সংস্কৃতিৰ কেতবোৰ নতুন দিশ আলোচনা প্ৰসংগত উল্লেখ কৰে। বক্তৃতানুষ্ঠানটিত বিভাগৰ সহকাৰী অধ্যাপক মুনমী দত্ত ৰাজখোৱা, সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ, সহকাৰী অধ্যাপক প্ৰকাশ জ্যোতি শইকীয়া, অসমীয়া বিভাগৰ গৱেষক প্ৰাৰ্থনা দত্ত, পূবালী বৰা, শোভাকৃষ্ণা ফুকন, প্ৰশান্ত মিলি, ভবেন্দ্ৰ দাস, কৃপাৰেখা গগৈ, সুৰেশ দেৱনাথ, পপী বৰুৱা, জয়শ্ৰী শইকীয়াকে ধৰি বিভাগৰ স্নাতকোত্তৰ শাখাৰ সমূহ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।। (তথ্য উৎস ঃ 'অসম আদিত্য', ২৬ মে', ২০২৩)

**(২৩) 'ভাষাবিজ্ঞান ঃ তত্ত্ব আৰু প্ৰয়োগ' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ ২০২৩ চনৰ ১৬ ছেপ্টেম্বৰত (শংকৰদেৱৰ তিথি) অসমীয়া বিভাগত 'ভাষাবিজ্ঞান ঃ তত্ত্ব আৰু প্ৰয়োগ' শীৰ্ষক এক বক্তৃতাৰ অনুষ্ঠান সম্পন্ন হয়। বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটিৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা আগবঢ়ায় সহকাৰী অধ্যাপক মুন্‌মী দত্তই। নিমন্ত্ৰিত প্ৰথম গৰাকী সমল ব্যক্তি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° গৌতম কাকতীয়ে ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান সম্পৰ্কীয় প্ৰাথমিক পৰিচয়মূলক চৰ্চাত থকা বিভ্ৰান্তিসমূহৰ বিষয়ে আলোচনা কৰে। আন গৰাকী সমল বক্তি ড° বিন্দুভূষণ বৰাই অসমীয়া ভাষাৰ লিখন আৰু কথনত সততে হোৱা ভুলসমূহৰ বিষয়ে বক্তৃতা আগবঢ়ায়। অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই সমল ব্যক্তিদ্বয়ৰ লগতে অংশগ্ৰহণকাৰী সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। (তথ্য উৎস ঃ 'অসম আদিত্য', ১৭ ছেপ্টেম্বৰ, ২০২৩)

**(২৪) চলচ্চিত্ৰ পৰিচালক ৰীমা দাসৰ বক্তৃতা** ঃ ২০২৩ চনৰ ৯ ছেপ্টেম্বৰত অসমীয়া বিভাগত বিশিষ্ট চলিচ্চিত্ৰ পৰিচালক ৰীমা দাসে 'অসমীয়া চিনেমাৰ বৰ্তমান আৰু ভৱিষ্যৎ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগ আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত আয়োজিত অনুষ্ঠানটি সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। আদৰণি ভাষণ প্ৰদান কৰে কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অনুষ্ঠানটোত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ লোহিত হাজৰিকা, চিনেমা প্ৰযোজক প্ৰিয়ংকা বৰুৱাৰ লগতে ভালেসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

**(২৫) 'অসমীয়া প্ৰকৃতি সাহিত্যৰ গতিধাৰা' শীৰ্ষক বক্তৃতানুষ্ঠান** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ২০২৩ চনৰ ২২ ছেপ্টেম্বৰ তাৰিখে 'অসমীয়া প্ৰকৃতি সাহিত্যৰ গতিধাৰা' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বক্তৃতাটো প্ৰদান কৰে বিশিষ্ট প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্তই। বক্তৃতানুষ্ঠানৰ সঞ্চালনা কৰে বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটোত ডিব্ৰুগড়ৰ কানৈ কলেজৰ নৃতত্ত্ব বিভাগৰ সহযোগী অধ্যাপিকা ড° মৰমী তালুকদাৰ আৰু নেচাৰ্চ বেকনৰ কৰ্মকৰ্তা যুগল সন্দিকৈয়েও প্ৰকৃতি সাহিত্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, গৱেষক পূবালী বৰা, শিক্ষাৰ্থী ধৰিত্ৰী বৰুৱা, বিবেকানন্দ গগৈ, চিৰঞ্জীৱ গগৈ, চাবিনা য়াছমিন আদিয়ে আলোচনাত ভাগ লয়। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২৩ ছেপ্টেম্বৰ, ২০২৩)

**(২৬) 'বুৰঞ্জী, জনশ্ৰুতি আৰু শৰাইঘাটৰ ৰণ' শীৰ্ষক বক্তৃতানুষ্ঠান ঃ** ২০২৩ চনৰ ৩০ অক্টোবৰত (শংকৰদেৱৰ তিথি) অসমীয়া বিভাগত 'বুৰঞ্জী, জনশ্ৰুতি আৰু শৰাইঘাটৰ ৰণ' শীৰ্ষক এক বক্তৃতাৰ অনুষ্ঠান সম্পন্ন হয়। ইয়াত সমল ব্যক্তি হিচাপে অংশ লয় সাংবাদিক তথা লেখক পুলিন কলিতাই। বক্তৃতা অনুষ্ঠানটোৰ সভাপতিত্ব কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। বক্তৃতাৰ অন্তত মুকলি আলোচনাত ভাগ লয় দৈনিক অসম কাকতৰ লখিমপুৰৰ সাংবাদিক প্ৰিয়ম ফুকন, সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ, ছাত্ৰ মহানন্দ শইকীয়া, বিবেকানন্দ গগৈ আদিয়ে। অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা, গৱেষক-গৱেষিকা আৰু ভালেসংখ্যক ছাত্ৰ ছাত্ৰী এই অনুষ্ঠানত উপস্থিত থাকে। (তথ্য উৎস ঃ 'দৈনিক অসম', ২ নৱেম্বৰ, ২০২৩)

**(২৭) 'অসমীয়া সমাজ জীৱনলৈ প্ৰান্তিক আলোচনীৰ অৱদান' শীৰ্ষক বক্তৃতা ঃ** ২০২৩ চনৰ ১১ নৱেম্বৰত

নাৰায়ণপুৰস্থিত 'বনতীৰ্থ'ত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাৰ যুটীয়া উদ্যোগত 'অসমীয়া সমাজ জীৱনলৈ 'প্ৰান্তিক' আলোচনীৰ অৱদান' শীৰ্ষক এটি বক্তৃতানুষ্ঠান সম্পন্ন হয়। 'বনতীৰ্থ' হ'ল বিহপুৰীয়া কলেজৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° প্ৰবীণ শইকীয়াই নিজা উদ্যোগত গঢ়ি তোলা উদ্ভিদ উদ্যান আৰু শিশু প্ৰকল্প। বক্তৃতানুষ্ঠানটোৰ আঁত ধৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। বক্তৃতা প্ৰদান কৰে ড° প্ৰবীণ শইকীয়াই। অনুষ্ঠানটোত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ, গৱেষক আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলে 'বনতীৰ্থ'ত সংৰক্ষিত 'প্ৰান্তিক' আলোচনীৰ পুৰণি সংখ্যাসমূহ আৰু সাঁচিপতীয়া পুথিৰ কিছু অংশক ডিজিটেল ৰূপলৈ নিয়ে। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে নাৰায়ণপুৰৰ ফুলবাৰী গাঁৱত থকা আহোম যুগৰ ঐতিহ্যপূৰ্ণ 'মাঘনোৱা দৌল' চাবলৈ যায়। দৌল পৰিচালনা সমিতিৰ সম্পাদক চাও উম্ফা চাৰিঙিয়াই ছাত্ৰ-ছাত্ৰীসকলক দৌলটোৰ ইতিহাস আৰু নিৰ্মাণৰ আঁৰৰ বিভিন্ন কলা-কৌশল সম্পৰ্কে অৱগত কৰে।

**(২৮) 'সাহিত্য চৰ্চাৰ অনুশীলন' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ৮ এপ্ৰিলত আৰক্ষী বিষয়া তথা লেখক চিত্ৰৰঞ্জন ওজাই অসমীয়া বিভাগত 'সাহিত্য চৰ্চাৰ অনুশীলন' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটিত সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰো উপস্থিত থাকে।

**(২৯) 'বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন বিভাগৰ ভূমিকা' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ৮ মে'ত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন বিভাগৰ সঞ্চালিকা ড° সংগীতা গগৈয়ে অসমীয়া আৰু বুৰঞ্জী বিভাগৰ যৌথ উদ্যোগত আয়োজিত সভাত 'আঞ্চলিক বুৰঞ্জী অধ্যয়নৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন বিভাগৰ ভূমিকা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। শলাগৰ শৰাই আগবঢ়াই বুৰঞ্জী বিভাগৰ মুৰব্বী ড° ৰূপাঞ্জলি মৰাঙে।

**(৩০) 'গ্ৰন্থ অধ্যয়ন ঃ ইয়াৰ বিস্তৃতি আৰু পৰিসৰ' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ১২ আগষ্ট তাৰিখে অসমীয়া বিভাগত 'গ্ৰন্থ অধ্যয়ন ঃ ইয়াৰ বিস্তৃতি আৰু পৰিসৰ' শীৰ্ষক এক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক আৰু সমালোচক জ্যোতি খাটনিয়াৰ। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই এই অনুষ্ঠান সঞ্চালনা কৰে। অনুষ্ঠানটোত পুৰাকথা তথা শ্ৰুতিকথাক আধাৰ হিচাপে লৈ সাহিত্য চৰ্চা কৰা উদীয়মান লেখক অন্তৰ আত্ৰেয় উপস্থিত থাকি দু-আষাৰ বক্তব্য ৰাখে। এই অনুষ্ঠানত অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, মুন্‌মী দত্ত আৰু ব্ৰহ্মপুত্ৰ ডিগ্ৰী মহাবিদ্যালয়ৰ অধ্যাপিকা মেঘালী দত্ত উপস্থিত থাকে। অসমীয়া বিভাগৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলেও এই অনুষ্ঠানত অংশ লয়।

**(৩১) 'অসমীয়া জাতিসত্তা প্ৰত্যাহ্বান আৰু প্ৰত্যাশা' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ১৬ আগষ্ট তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ সভাগৃহত 'অসমীয়া জাতিসত্তা প্ৰত্যাহ্বান আৰু প্ৰত্যাশা' শীৰ্ষক এক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক, সমালোচক তথা গদ্যকাৰ ময়ূৰ বৰা। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই এই অনুষ্ঠানৰ আঁত ধৰে। অনুষ্ঠানটোত অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, মুন্‌মী দত্ত আৰু গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৩২) 'আহোমসকলৰ সমাধি প্ৰথা ঃ সংহতি আৰু সামাজিক সংযোগৰ নিদৰ্শন' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত 'আহোমসকলৰ সমাধি প্ৰথা ঃ সংহতি আৰু সামাজিক নিদৰ্শন' শীৰ্ষক এক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক ড° সংগীতা গগৈ উপস্থিত থাকে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। উল্লেখযোগ্য যে এই অনুষ্ঠানতে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ এক বুজাবুজিৰ চুক্তিও সম্পাদিত হয়। মহাবিদ্যালয়ৰ ইতিহাস সন্ধানী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত শৈক্ষিক, বৌদ্ধিক বিভিন্ন কাম সম্পাদনৰ বাবে দুয়োটা অনুষ্ঠানে পৰিকল্পনা কৰে। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

**(৩৩) 'তৰুণ চন্দ্ৰ পামেগাম জীৱন, প্ৰতিভা আৰু চেতনা' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ২১ ছেপ্টেম্বৰ তাৰিখে অসমীয়া

বিভাগত 'তৰুণ চন্দ্ৰ পামেগাম জীৱন, প্ৰতিভা আৰু চেতনা' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জোনাই বালিকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰাজু ৰেগন। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অনুষ্ঠানটোত অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, মুন্মী দত্ত আৰু মহাবিদ্যালয়ৰ গৱেষক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৩৪) 'পাঠক ঃ সম্ভাৱনা আৰু পূৰ্ণতাৰ দ্যোতক' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে অসমীয়া বিভাগত 'পাঠক ঃ সম্ভাৱনা আৰু পূৰ্ণতাৰ দ্যোতক' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মনোহাৰী দেৱী কানৈ বালিকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° চন্দনজ্যোতি চুতীয়া। অনুষ্ঠানটো সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অসমীয়া বিভাগৰ স্নাতক প্ৰথম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল এই অনুষ্ঠানত উপস্থিত থাকে।

**(৩৫) 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা প্ৰাপ্তিৰ পৰিক্ৰমা' শীৰ্ষক বক্তৃতা ঃ** ২০২৪ চনৰ ৭ নৱেম্বৰ তাৰিখে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ যৌথ উদ্যোগত ভাষা গৌৰৱ সপ্তাহ উপলক্ষ্যে মহাবিদ্যালয়ৰ সভাগৃহত 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা প্ৰাপ্তিৰ পৰিক্ৰমা' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সহযোগী অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মা। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অনুষ্ঠানটোত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালক ড° সংগীতা গগৈয়ে উদ্বোধনী ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° স্বপ্নালী গগৈয়ে বক্তৃতাটো সম্পৰ্কত তেওঁৰ অনুভৱ ব্যক্ত কৰে। ভাষাটোৰ গৌৰৱ অক্ষুণ্ণ ৰক্ষাৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে অহোপুৰুষাৰ্থ চেষ্টা কৰি আছে গগৈয়ে তেওঁলোকৰ শলাগ লয়। এই অনুষ্ঠানতে ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজৰ সাহিত্য আৰু আলোচনী শাখাই অনুষ্ঠিত কৰা সাহিত্য প্ৰতিযোগিতাৰ বঁটা বিতৰণো কৰা হয়। বক্তৃতানুষ্ঠানটিত নৰ্থ লখিমপুৰ কলেজৰ লগতে লখিমপুৰ বালিকা মহাবিদ্যালয়, লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আৰু পানী গাওঁ ওমপ্ৰকাশ দিনোদিয়া মহাবিদ্যালয়ৰ কেইবাজনো অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

## [৯] ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে ক্ষেত্ৰ অধ্যয়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সমৃদ্ধ কৰিবৰ বাবে দীৰ্ঘদিন ধৰি চেষ্টা কৰি আহিছে। সু-পৰিকল্পনাৰে সম্পন্ন হোৱা এই ক্ষেত্ৰ অধ্যয়নসমূহৰ চমু আভাস তলত দিয়া হ'ল।

অসমীয়া ভাষা শিক্ষণৰ এক চাৰ্টিফিকেট পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে অৰুণাচলৰ অসমীয়া সমাজৰ লগত অসমীয়া বিভাগৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ২০২৩ চন।



**(১) নামনি লখিমপুৰৰ ঐতিহাসিক স্থানত ক্ষেত্ৰ অধ্যয়ন** ঃ ২০১০ চনত অসমীয়া বিভাগে প্ৰথমবাৰৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ পদক্ষেপ গ্ৰহণ কৰে। তেতিয়া পাঠ্যক্ৰমত ক্ষেত্ৰ অধ্যয়নৰ কোনো ব্যৱস্থা নাছিল, কিন্তু সহকাৰী অধ্যাপক অৰবিন্দ ৰাজখোৱাৰ পৰিকল্পনাত মুৰব্বী লিলি চেলেং, হেমন্ত শৰ্মা, মুনমী দত্ত আদিৰ সহযোগত স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে মাধৱদেৱৰ জন্মস্থান, বেলগুৰি সত্ৰ, বদলা পদ্ম আতাৰ সত্ৰ, অনিৰুদ্ধদেৱৰ থান, বৰখামতি গাঁৱৰ বৌদ্ধ মঠ, বনতীৰ্থ আদি স্থান অধ্যয়ন কৰে। স্থানীয় সমল ব্যক্তি হিচাপে থাকে ড° প্ৰবীণ শইকীয়া।

**(২) ঘূণাসুঁতিত ক্ষেত্ৰ অধ্যয়ন** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ উদ্যোগত ২০১৫ চনৰ ১০ আৰু ১১ মাৰ্চ তাৰিখে ঘূণাসুঁতিত সাংস্কৃতিক সমন্বয় আৰু ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কীয় কেইবাটাও অনুষ্ঠান সম্পন্ন হয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা মহাবিদ্যালয়ে লাভ কৰা College with potential for excellence-ৰ অধীনৰ সম্প্ৰসাৰণ আঁচনিৰ অংশ হিচাপে এই কাৰ্যসূচী হাতত লোৱা হয়। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, চি পি ই-ৰ সমন্বয়ক ড° ভৰজিৎ ভূএগ্ৰা, সম্প্ৰসাৰণ আঁচনিৰ সমন্বয়ক দিগন্ত হাতীবৰুৱাই সহযোগিতা আগবঢ়ায়। ঘূণাসুঁতি উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ পাতি থকা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে প্ৰথম দিনা 'অসমৰ জনগোষ্ঠীয় সংস্কৃতি ঃ সংৰক্ষণ আৰু সংবৰ্ধন' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰি আলোচনা-সত্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু অঞ্চলটোৰ কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনায়। ঘূণাসুঁতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰমাকান্ত টাইদ, নন্দনাথ টাইদ, সৰ্বাসিং পায়েং, শিল্পী ৰবীনা মিলি, শকুন্তলা মিলি, মালচন্দ্ৰ টাইদ, সমল ব্যক্তি নিত্যানন্দ মিলি, ত্ৰিৰঞ্জন টাইদ, প্ৰনীতা টাইদ আদি বিভিন্ন দিশৰ পাৰদৰ্শী ব্যক্তিসকলক মহাবিদ্যালয়ৰ তৰফৰপৰা গ্ৰন্থৰ টোপোলা আৰু গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই ঘূণাসুঁতি উচ্চ মাধ্যমিক বিদ্যালয়লৈ পাঁচ হাজাৰ টকাৰ গ্ৰন্থৰ টোপোলা আগবঢ়ায়। ঘূণাসুঁতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিত্যানন্দ মিলিয়ে সঞ্চালনা কৰা মূল সত্ৰ উদ্বোধন কৰে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক বাণীকান্ত কোঁৱৰে। আলোচনা সত্ৰত সমল ব্যক্তি ক্ৰমে প্ৰনীতা টাইদে মিছিংসকলৰ পৰম্পৰাগত সাজপাৰ, ত্ৰিৰঞ্জন টাইদে উৎসৱ অনুষ্ঠান আৰু সৰ্বাসিং পায়েঙে খাদ্য অভ্যাস সম্পৰ্কে ভাষণ দিয়ে। তেওঁলোকে সংশ্লিষ্ট বিষয়ৰ লগত সম্পৰ্ক থকা বহুতো সামগ্ৰীও প্ৰদৰ্শন কৰে। সমল ব্যক্তি হিচাপে মহাবিদ্যালয়ৰ তৰফৰপৰা বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক চন্দ্ৰ মানচেই জনগোষ্ঠীয় সংস্কৃতিৰ পৰিৱৰ্ধনৰ সম্ভাব্য প্ৰয়োগিক উপায়সমূহ নিৰ্ণয় কৰি এক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। সভাত উপস্থিত থকা মহাবিদ্যালয় অধ্যাপক ক্ৰমে ড° ভৰজিৎ ভূএগ্ৰা, ধনৰঞ্জন কলিতা, ৰূপম গগৈ আৰু হেমন্ত শৰ্মায়ো আলোচনাত ভাগ লয়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি স্থানীয় শিল্পী ৰবীনা মিলি, শকুন্তলা মিলি, মহাবিদ্যালয়ৰ ছাত্ৰী ডালিমী কুলিয়ে তিনিটি ঐনিতম আৰু মালচন্দ্ৰ টাইদৰ শিল্পী দলে গোমৰাগ নৃত্য প্ৰদৰ্শন কৰে। বিয়লি চাৰি বজাত ড° অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকলে ঘূণাসুঁতিৰ একমাত্ৰ খামতি গাঁওখনৰ তথ্য আহৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে গাঁওখনৰ বৌদ্ধ মঠটোত এখন অনুষ্টুপীয়া সভা অনুষ্ঠিত কৰি তেওঁলোকৰ ধৰ্মীয় জীৱনৰো বুজ লয়। দহ মাৰ্চৰ সন্ধ্যা ছয় বজাৰপৰা অসমীয়া চিনেমাৰ আশী বছৰ পূৰ্তি উপলক্ষ্যে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ চিনে ক্লাৱৰ যুটীয়া সমন্বয়কৰো দায়িত্বত থকা ড° অৰবিন্দ ৰাজখোৱাৰ উদ্যোগত বিদ্যালয়ৰ খেলপথাৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' আৰু মঞ্জু বৰাৰ 'লাজ' চিনেমা দুখন প্ৰদৰ্শন কৰা হয়। নিশা ন বজাৰপৰা ঘূণাসুঁতিৰ কেইবাগৰাকীও জ্যেষ্ঠ ব্যক্তিৰ উপস্থিতিৰে কবি যোগেন টাইদৰ সঞ্চালনাত লোক-কথা আৰু লোক-কবিতাৰ এক অনুষ্ঠান সম্পন্ন হয়।

অসমীয়া বিভাগৰ সাহায্য পুঁজিলৈ প্ৰাক্তন ছাত্ৰী ধনদা দেৱীয়ে ২ লাখ টকা চেকযোগে আগবঢ়ায়।



এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিয়ানাম, ঐনিতম, গোৱালপৰীয়া লোকগীত আদি পৰিৱেশন কৰাৰ লগতে নৃত্য আৰু অভিনয়তো ভাগ লয়। স্থানীয় শিল্পীসকলেও বিভিন্ন গীত নৃত্য আৰু কবিতা পৰিৱেশন কৰে। এঘাৰ মাৰ্চত পুৱা ছাত্ৰ-ছাত্ৰীসকলে চাৰিটা দলত বিভক্ত হৈ চাৰিখন গাঁৱৰ ক্ৰমে কৃষি, খাদ্যাভ্যাস, সাজপাৰ আৰু উৎসৱ-পাৰ্বন সম্পৰ্কে ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যায়। বিয়লি ঘূণাসুঁতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত এখন সামৰণি সভা অনুষ্ঠিত হয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৩ মাৰ্চ, ২০১৫)

**(৩) মুৰ্কংচেলেকত ক্ষেত্ৰ অধ্যয়ন** ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক মহলাৰ উদ্যোগত ২০১৬ চনৰ ২৬ আৰু ২৭ ফেব্ৰুৱাৰী তাৰিখে ধেমাজি জিলাৰ মুৰ্কংচেলেকত সাংস্কৃতিক সমন্বয় আৰু ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কীয় কেইবাটাও অনুষ্ঠান সম্পন্ন হয়। লিলি চেলেং, ড° অৰবিন্দ ৰাজখোৱা আৰু হেমন্ত শৰ্মাৰ নেতৃত্বত সম্পন্ন হোৱা এই কাৰ্যসূচীত সহযোগ আগবঢ়ায় স্থানীয় উপেন্দ্ৰনাথ ব্ৰহ্ম স্মাৰক উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিয়ালে। মহাবিদ্যালয়ৰ দলটো উক্ত বিদ্যালয়তে শিবিৰ পাতি থাকে। প্ৰথম দিনা বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূমিধৰ বড়োৰ সঞ্চালনাত জনগোষ্ঠীয় সংস্কৃতিৰ সংৰক্ষণ সম্পৰ্কে এক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে ক্ৰমে শুক্ৰধৰ বসুমতাৰী, ফুলেশ্বৰী দৈমাৰী, সোণাৰাম বসুমতাৰী, সুখদেৱ বাগলাৰী আৰু বুদ্ধেশ্বৰ বসুমতাৰীয়ে। লগতে এক গীত-নৃত্যৰ অনুষ্ঠানো পৰিৱেশিত হয়। নিশালৈ নৰ্থ লখিমপুৰ চিনে ক্লাবৰ সৌজন্যত দুখন চিনেমা প্ৰদৰ্শন কৰা হয়। দ্বিতীয় দিনা ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় বড়োসকলৰ গাঁৱলৈ গৈ তথ্য সংগ্ৰহ কৰে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১ মাৰ্চ, ২০১৬)

**(৪) গৰৈমাৰীত ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ** ঃ অসমীয়া বিভাগৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৭ চনৰ ৪ আৰু ৫ মাৰ্চত ভীমপৰাৰ গৰৈমাৰী অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰে। এই অধ্যয়নত সহযোগ আগবঢ়ায় গৰৈমাৰী প্ৰাথমিক বিদ্যালয়ে। তত্ত্বাৱধায়ক আছিল— ড° ধনৰঞ্জন কলিতা, ড° অৰবিন্দ ৰাজখোৱা, ড° হেমন্ত শৰ্মা, মুন্‌মী দত্ত আৰু বিশ্ব হাজৰিকা। কলেজ প্ৰকাশন আৰু অসমীয়া বিভাগৰ তৰফৰপৰা গৰৈমাৰী প্ৰাথমিক বিদ্যালয়লৈ এটি গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হয়। বিদ্যালয়ৰ চৌহদত ক্ষেত্ৰ অধ্যয়নকাৰী দলটোৱে স্থানীয় মানুহৰ সহযোগত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰে। নিশালৈ কেইবাখনো চলচ্চিত্ৰ প্ৰদৰ্শন কৰে।

**(৫) মাজুলীত ক্ষেত্ৰ অধ্যয়ন** ঃ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৭ চনৰ ২২ আৰু ২৩ এপ্ৰিল তাৰিখে মাজুলীত 'মাজুলীৰ জনজাতীয় সমাজত সত্ৰীয়া সংস্কৃতিৰ প্ৰভাৱ' শীৰ্ষক বিষয়ত ক্ষেত্ৰ অধ্যয়ন কৰে। সহযোগ কৰে মাজুলী মহাবিদ্যালয়ে। প্ৰথম দিনা মাজুলী মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মত আলোচনা-চক্ৰত বক্তৃতা প্ৰদান কৰে উমা টাকু, তুলসী ৰাজখোৱা, অমৃতেশ্বৰ চুতীয়া, প্ৰীতিৰেখা দত্ত, মায়াশ্ৰী ডেকা হাজৰিকা, ৰাজেন বৰা আৰু বি. ডি. নিশাই। এই আলোচনাত ড° নাৰায়ণ চন্দ্ৰ শৰ্মা, মোখেশ্বৰ শইকীয়া, কোযেশ্বৰ হাজৰিকা, জিতেন্দ্ৰ নাথ ডেকা, অৰনী কুমাৰ দত্তয়ো অংশ লয়। আলোচনা-চক্ৰৰ পাছত নৰ্থ লখিমপুৰ কলেজৰ দলটোৱে দুদিন ধৰি সত্ৰসমূহ আৰু কেইবাখনো মিচিং গাঁওত ক্ষেত্ৰ অধ্যয়ন কৰি তথ্য আহৰণ কৰে। মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীক কলেজৰ দলটোৱে সম্বৰ্ধনা জ্ঞাপন কৰে। অসমীয়া বিভাগৰ তৰফৰপৰা মাজুলী কলেজৰ গ্ৰন্থাগাৰলৈ প্ৰায় পঞ্চাশখন গ্ৰন্থৰ এটি টোপোলা আগবঢ়োৱা হয়। এই ক্ষেত্ৰ অধ্যয়নৰ তত্ত্বাৱধান কৰে ড° অৰবিন্দ ৰাজখোৱাই। দলটিক বিভাগীয় মুৰব্বী লিলি চেলেং, ধনৰঞ্জন কলিতা, মুনমী দত্ত আৰু ড° ঈশানজ্যোতি গগৈয়েও ক্ষেত্ৰ অধ্যয়নত পৰামৰ্শ যোগায়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৩ এপ্ৰিল, ২০১৭)

**(৬) বৰখামতি গাঁৱত ভাষা সচেতনতাৰ অনুষ্ঠান** ঃ ২০১৭ চনৰ ৮ অক্টোবৰত নাৰায়ণপুৰৰ বৰখামতি গাঁৱত অসমীয়া বিভাগে 'দ্বিভাষিকতা আৰু লখিমপুৰ জিলাৰ খামতি জনগোষ্ঠী' শীৰ্ষক এক ভাষা সচেতনতাৰ অনুষ্ঠান সম্পন্ন কৰে। সহকাৰী অধ্যাপক ড° বিশ্ব হাজৰিকাৰ লঘু গৱেষণা প্ৰকল্পৰ অংশ হিচাপে আয়োজিত এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° প্ৰবীণ শইকীয়া আৰু যোগেন তামুলী। অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, ধনৰঞ্জন কলিতা আৰু চন্দনজ্যোতি চুতীয়াৰ লগতে স্নাতকোত্তৰ তৃতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ লয়। বৰখামতি গাঁৱৰ বিভিন্ন বয়সৰ লোকসকলে এই সম্প্ৰসাৰণ কাৰ্যসূচীত ভাগ লয়। স্থানীয় তেৰম নামচুম, কুংমো মানপাং, উপালি চিংকাই, মীৰা নামচুম আদি বাক্তিয়ে বক্তৃতা প্ৰদান কৰে।

**(৭) মাতমৰাত ক্ষেত্ৰ অধ্যয়ন** ঃ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ চনত মাতমৰা অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰে।

**(৮) জামুগুৰিহাটত ক্ষেত্ৰ অধ্যয়ন** ঃ অসমীয়া বিভাগৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ চনৰ ৩ আৰু ৪ মাৰ্চত জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাথলী অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰে। সেই উপলক্ষ্যে এটি শিবিৰ পাতে ত্যাগবীৰ হেম বৰুৱা

কলেজত। এই অধ্যয়নৰ তত্ত্বাৱধায়ক আছিল— ড° ধনৰঞ্জন কলিতা, ড° অৰবিন্দ ৰাজখোৱা, ড° হেমন্ত শৰ্মা, মুন্মী দত্ত আৰু বিশ্ব হাজৰিকা। কলেজ প্ৰকাশন আৰু অসমীয়া বিভাগৰ তৰফৰপৰা ত্যাগবীৰ হেম বৰুৱা কলেজৰ পুথিভঁৰাললৈ এটি গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হয়।

**(৯) সুবাহীত ক্ষেত্ৰ অধ্যয়ন ঃ** নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু উত্তৰ লখিমপুৰ সাহিত্য সভাৰ সহযোগত ২০১৯ চনৰ ১৯ এপ্ৰিলৰপৰা ২১ এপ্ৰিললৈ তিনিদিনীয়া কাৰ্যসূচীৰে ধেমাজি জিলাৰ অসম-অৰুণাচল সীমান্তৰ সুবাহী অঞ্চলত এক সম্প্ৰসাৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। 'উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় লোকসংস্কৃতি ঃ পৰম্পৰা, পৰিৱৰ্তন আৰু ভৱিষ্যৎ' শীৰ্ষক এই কাৰ্যসূচীত স্থানীয়ভাৱে সহযোগ কৰে সুবাহী অঞ্চলৰ আহোম, মিছিং আৰু আদি জনগোষ্ঠীৰ লোকসকলে। নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰপৰা যোৱা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল আৰু অধ্যাপক অধ্যাপিকাসকলে সুবাহীত অৱস্থিত গোহাঁই ন-পাম প্ৰাথমিক বিদ্যালয়ত শিবিৰ পাতে আৰু প্ৰথম দিনা বিয়লি ৩ বজাত বিদ্যালয় চৌহদতে এখন সভা অনুষ্ঠিত কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই সভাখনৰ আঁত ধৰে। সভাখনত অঞ্চলটোৰ ভূগোল, ইতিহাস, সংস্কৃতি, অৰ্থনীতি আদি বিভিন্ন বিষয়ত ভাষণ প্ৰদান কৰে স্থানীয় ব্যক্তি বিশ্বেশ্বৰ বাইলুং, তুলসী কোঁৱৰ, চিত্ৰ শইকীয়া, প্ৰফুল্ল গগৈ, হোমেশ্বৰ শইকীয়া, সোণাধৰ টাইদ, দেবানন্দ বুঢ়াগোহাঁই আৰু ললিত দুৱৰাই। ১৯ এপ্ৰিলৰ সন্ধিয়ালৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় শিল্পীসকলে বিদ্যালয়ৰ বাকৰিৰ মুকলি মঞ্চত এক সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানটোত বিভিন্ন গীত, বাদ্য, নৃত্য, অভিনয় আদি পৰিৱেশন কৰে ক্ৰমে ৰাকেশ সঁজাতি, আকাশ চুতীয়া, পূবালী বৰা, নোমল চাংমাই, সঞ্জয় আচাৰ্য, কৃষ্ণ হাজৰিকা, অব্যক্ত নিৰ্বাণ ৰাজখোৱা, কৃষ্ণা গগৈ, ড° বিশ্ব হাজৰিকা, মুন্মী দত্ত, শান্তনু বুঢ়াগোহাঁই, বিতু বড়া, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, ৰুমী বৰা, পুলিন বুঢ়াগোহাঁই, চুমিজান দলে, ৰাখী সোণোৱাল, দেৱানন্দ বুঢ়াগোহাঁই, বিশ্বেশ্বৰ বাইলুং আৰু জিজ্ঞাসা বুঢ়াগোহাঁয়ে। সাংস্কৃতিক অনুষ্ঠানটিৰ আঁত ধৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক ছাত্ৰ চন্দনজ্যোতি চুতীয়াই। পৰৱৰ্তী দুটা দিন মহাবিদ্যালয়ৰ দলটোৱে বৰাজান মিচিং গাঁও, আপাৰ বৰাজান আদি (গালং) গাঁও আৰু লাইপুলীয়া মিচিং গাঁওত ক্ষেত্ৰ অধ্যয়ন সম্পন্ন কৰে। এই ক্ষেত্ৰ অধ্যয়নত মুখ্য সমল ব্যক্তি হিচাপে থাকে ড° প্ৰাঞ্জল বুঢ়াগোহাঁই। মহাবিদ্যালয়পৰা অধ্যাপক অধ্যাপিকা ক্ৰমে ড° অৰবিন্দ ৰাজখোৱা, মুন্মী দত্ত, ড° বিশ্ব হাজৰিকা আৰু বিতু বৰাই অধ্যয়নৰ বিভিন্ন দিশ পৰিচালনা কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ জ্যোতিষ্মান দাসেও ক্ষেত্ৰ অধ্যয়নত অংশ লয়। সুবাহীত প্ৰতিষ্ঠা হ'ব লগা ব্যতিক্ৰমী শিক্ষা প্ৰতিষ্ঠান 'বিদ্যা ঃ দ্য লিভিং স্কুল'ৰ পুথিভঁৰাললৈ অসমীয়া বিভাগৰ দলটোৱে ত্ৰিশখন নিৰ্বাচিত গ্ৰন্থৰ এটি টোপোলা আগবঢ়ায়। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২৭ এপ্ৰিল, ২০১৯)

**(১০) কাকৈ ৰাজগড়ত 'পৰিৱেশ সুৰক্ষাত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক অনুষ্ঠান ঃ** ২০২২ চনৰ ১০ জানুৱাৰীত নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ যৌথ উদ্যোগত কাকৈ ৰাজগড়ত 'পৰিৱেশ সুৰক্ষাত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক এক অনুষ্ঠান সম্পন্ন হয়। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদটো পৰিস্কাৰ কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোবিন্দ দাসে আদৰণি ভাষণ প্ৰদান কৰা আলোচনা চক্ৰত সমল ব্যক্তি নেচাৰ্চ বেকনৰ সঞ্চালক তথা বিশিষ্ট পৰিৱেশবিদ সৌম্যদ্বীপ দত্তই সজাগতা সৃষ্টিৰ হকে এক প্ৰায়োগিক মূল্যসম্পন্ন বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ তৰফৰপৰা কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ এটা গ্ৰন্থৰ টোপোলা অনুষ্ঠানতে প্ৰদান কৰা হয়। এই কাৰ্যত সহযোগ কৰে অসমীয়া বিভাগৰ ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, পৰেশ খনিকৰ আৰু অসীম শইকীয়াই। (তথ্য উৎস ঃ 'অসম আদিত্য', ১১ জানুৱাৰী, ২০২২)

**(১১) ঘূণাসঁতিত ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী ঃ** অসমীয়া বিভাগৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ অংশ হিচাপে ২০২২ চনৰ ৩০ এপ্ৰিল আৰু ১ মে' তাৰিখে ঘূণাসুঁতিত কেইবাটাও অনুষ্ঠান সম্পন্ন হয়। ঘূণাসঁতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত প্ৰথম দিনা 'অসমৰ জনগোষ্ঠীয় সংস্কৃতি ঃ ঐতিহ্য আৰু আধুনিকতা' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আদৰণি ভাষণ প্ৰদান কৰা এই আলোচনা-চক্ৰখন সঞ্চালনা কৰে বিদ্যালয়ৰ অধ্যক্ষ ঠানুকৃষ্ণ ফুকনে। সমল ব্যক্তি হিচাপে চাৰিটা উপ-বিষয়ত বক্তৃতা প্ৰদান কৰে ক্ৰমে ড° হেমন্ত শৰ্মা, চন্দন টাইড, লীলাকান্ত গগৈ আৰু ড° ধীৰাজ পাটৰে। মালচন্দ্ৰ টাইডৰ নেতৃত্বত স্থানীয় বোৱাৰীসকলে অনুষ্ঠানত গুমৰাগ নৃত্যও

প্ৰদৰ্শন কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ঘূণাসুঁতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ এটি গ্ৰন্থৰ টোপোলা আগবঢ়ায়। উল্লেখযোগ্য যে অসমীয়া বিভাগে ২০১৫ চনতো উক্ত বিদ্যালয়ত এটি গ্ৰন্থৰ টোপোলা আগবঢ়াই এটি পুথিভঁৰাল জন্মত অৰিহনা যোগাইছিল। বিয়লি মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আৰু অধ্যাপকৰ দলটোৱে ঘূণাসুঁতিৰ একমাত্ৰ খামতি গাঁওখনৰ বৌদ্ধ মঠত সঞ্জীৱ মানচেৰ সহযোগত এখন সভা অনুষ্ঠিত কৰি তাৰ খামতিসকলৰ সংস্কৃতিৰ বিভিন্ন দিশৰ তথ্য সংগ্ৰহ কৰে। সন্ধিয়ালৈ ঘূণাসঁতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত জাহ্নু বৰুৱাৰ 'কণিকাৰ ৰামধেনু' আৰু ক্ৰিছ চেণ্ডাৰছৰ 'কল অৱ দ্য ৱাইল্ড' নাম চলচ্চিত্ৰ দুখন প্ৰদৰ্শন কৰা হয় আৰু দুয়োখন চলচ্চিত্ৰ সম্পৰ্কে আলোচনাও হয়। নিশালৈ কবি যোগেন টাইডৰ কবিতাৰ পাঠ আৰু আলোচনাৰে 'এই নাওখন থাকিব যেতিয়ালৈকে' শীৰ্ষক এটি কাব্যানুষ্ঠান সম্পন্ন হয়। মুনমী দত্ত, পৰেশ খনিকৰ, অসীম শইকীয়া, তুলিকা তামূলী আদিয়ে টাইডৰ নিৰ্বাচিত কবিতা পাঠ কৰে আৰু ড° হেমন্ত শৰ্মাই ব্যাখ্যা আগবঢ়ায়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা এই কাব্যানুষ্ঠানত যোগেন টাইডেও নিজৰ কাব্য চেতনা তথা কাব্য জগত সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। ১ মে'ৰ দিনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঘূণাসুঁতিৰ নিৰ্বাচিত গাঁওসমূহৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ সংস্কৃতিৰ ঐতিহ্য আৰু তাত আধুনিকতাৰ প্ৰভাৱ সম্পৰ্কে তথ্য সংগ্ৰহ কৰে। (তথ্য উৎস ঃ 'অসম আদিত্য', ৪ মে', ২০২২)

**(১২) মুৰ্কংচেলেকত ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী** ঃ নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যৌথ উদ্যোগত ৩০ জুন আৰু ১ জুলাই, ২০২২ তাৰিখে 'অসমৰ জোনাই আৰু অৰুণাচল প্ৰদেশৰ পাচিঘাট অঞ্চলত সাংস্কৃতিক তথা প্ৰকৃতি-পৰ্যটনৰ সম্ভাৱনা' শীৰ্ষক বিষয়ত এক ক্ষেত্ৰ অধ্যয়ন আৰু আলোচনা-চক্ৰ অনুষ্ঠিত হয়। ৩০ জুন তাৰিখে জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰখন সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। আদৰণি ভাষণ প্ৰদান কৰে জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পৰমানন্দ দাৰিগে। প্ৰথমগৰাকী সমল ব্যক্তি লেখক তথা প্ৰকৃতি সংৰক্ষক তোযেশ্বৰ মিৰি আগৰৱালাই জোনাই অঞ্চলৰ ৰাজনৈতিক আৰু

শংকৰদেৱৰ তিৰোভাৱ তিথিত নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাই নিৰ্মাণ কৰা তোৰণ। ১৯৮৮ চন।



ভৌগোলিক ইতিহাস সামৰি কিছু আলোচনা কৰে। দ্বিতীয়গৰাকী সমল ব্যক্তি বিশিষ্ট সাংবাদিক ৰয়েল পেগুয়ে জোনাই আৰু পাচিঘাট সামৰি বৃহৎ অঞ্চলটোত সাংস্কৃতিক পৰ্যটন আৰু পৰিৱেশ পৰ্যটনৰ সম্ভাৱনা আৰু সমস্যা সম্পৰ্কে আলোচনা আগবঢ়ায়। এই আলোচনা-চক্ৰত উপস্থিত থাকে নৰ্থ লখিমপুৰ কলেজৰ ড° হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, অসীম শইকীয়া আৰু জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিনীতা গগৈ। কিতাপ পঢ়াৰ আন্দোলনৰ অংশ হিচাপে নৰ্থ লখিমপুৰ কলেজৰ তৰফৰ পৰা জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ ২০ খন গ্ৰন্থৰ এটি টোপোলা আগবঢ়োৱা হয়। ১ জুলাই তাৰিখে দুয়োটা প্ৰতিষ্ঠানৰ প্ৰায় ৬০ গৰাকী ব্যক্তিয়ে পবা বনাঞ্চল আৰু পাচিঘাটৰ পৰ্যটনৰ সম্ভাৱনা থকা বিভিন্ন অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২ জুলাই, ২০২২)

**(১৩) পশ্চিমবংগৰ ঝাড়গ্ৰাম জিলাত সাংস্কৃতিক বিনিময়** ঃ ২০২২ চনৰ ১৭ জুলাইত পশ্চিমবঙ্গৰ ঝাড়গ্ৰাম জিলাৰ শ্ৰীৰামকৃষ্ণ সাৰদাপীঠত 'বংগ-অসম সাংস্কৃতিক বিনিময়' শীৰ্ষক এটি অনুষ্ঠান সম্পন্ন হয়। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু শ্ৰীৰামকৃষ্ণ সাৰদাপীঠৰ যৌথ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ আঁত ধৰে সাংস্কৃতিক কৰ্মী কৃষ্ণা পাঁজাই। উদ্বোধনী ভাষণ প্ৰদান কৰে কলকাতাৰ ছেইণ্ট প'লচ কলেজৰ সহযোগী অধ্যাপক ড° শেখ মকবুল ইছলামে। আদৰণি ভাষণ প্ৰদান কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানত ঝাড়গ্ৰামৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অমৃতা মাটুয়া, শ্ৰেয়া কৰ, বৃষ্টি মাহাতো, গীতা বাৰিক আৰু কৃপাৰেখা গগৈয়ে ক্ৰমে ৰবীন্দ্ৰনাথ, অচিন্ত্য কুমাৰ সেনগুপ্ত, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু দেৱকান্ত বৰুৱাৰ কবিতা আবৃত্তি কৰে। গীতা পাঠ আৰু গংগাস্তোত্ৰ পাঠ কৰে সমিতা মাহাতো, অণুস্কা মোড়ই, সুপৰ্ণা পাত্ৰ, কুসুমিকা মল্লিক, ৰাশি বেষড়া আৰু পিউ মাহাতোই। কন্যা গুৰুকুলৰ ছাত্ৰী অন্বেষাই এটি ভক্তিমূলক নৃত্য আৰু নৰ্থ লখিমপুৰ কলেজৰ গৱেষিকা পূবালী বৰাই এটি তিৱা নৃত্য প্ৰদৰ্শন কৰে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মুনমী দত্ত, গৱেষিকা শোভাকৃষ্ণা ফুকন আৰু ছাত্ৰ অব্যক্ত নিৰ্বাণ ৰাজখোৱাই ক্ৰমে বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ১৮ জুলাই, ২০২২)

**(১৪) ঘাৰমৰা সত্ৰত ক্ষেত্ৰ অধ্যয়ন** ঃ ২০২৩ চনৰ ৯ মাৰ্চত ঘাৰমৰা সত্ৰত অসমীয়া বিভাগৰ এক ক্ষেত্ৰ অধ্যয়ন সম্পন্ন হয়। সত্ৰখনৰ ঐতিহ্য, সাংস্কৃতিক পৰম্পৰা, সামাজিক ভূমিকা আদি দিশবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ বিভাগৰ স্নাতকোত্তৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল ঘাৰমৰা সত্ৰলৈ যায়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই অধ্যয়নকাৰী দলটোৰ নেতৃত্ব বহন কৰে। ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ বিষ্ণুপ্ৰসাদ গোস্বামীয়ে ক্ষেত্ৰ অধ্যয়নত সমল ব্যক্তি হিচাপে আন্তৰিক সহায়-সহযোগিতা আগবঢ়ায়। গৱেষকসকলেও এই অধ্যয়নত অংশ গ্ৰহণ কৰে।

**(১৫) নামনি লখিমপুৰত ক্ষেত্ৰ অধ্যয়ন** ঃ ২০২৩ চনৰ ৩০ এপ্ৰিলত লখিমপুৰ জিলাৰ নামনি অংশত অসমীয়া বিভাগৰ শিক্ষক-গৱেষকৰ এটি দলে নামনি লখিমপুৰৰ নিৰ্বাচিত অঞ্চলত ক্ষেত্ৰ অধ্যয়ন সম্পন্ন কৰে। ক্ষেত্ৰসমূহ হ'ল— বাঁহগৰা দেউৰী গাঁও, অনিৰুদ্ধদেৱৰ নাহৰআটি থান, কন্দলী পুখুৰী, বৰ খামতি গাঁও আৰু মাঘনোৱা দ'ল।

**(১৬) কেতেটঙত আলোচনা-চক্ৰ আৰু ক্ষেত্ৰ অধ্যয়ন** ঃ ২০২৩ চনৰ ৩ - ৪ জুন তাৰিখে মাঘেৰিটাৰ কেতেটং চিংফৌ গাঁৱত অসমীয়া বিভাগৰ উদ্যোগত আলোচনা-চক্ৰ আৰু ক্ষেত্ৰ অধ্যয়ন সম্পন্ন হয়। এই অনুষ্ঠান আয়োজনত সহযোগিতা কৰে নাহৰকটীয়া কলেজৰ অসমীয়া বিভাগ আৰু কেতেটঙৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-চক্ৰৰ প্ৰথম সত্ৰত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে চৰকাৰৰ অসম গৌৰৱ বঁটা প্ৰাপক মানজে লাই। ইতিমধ্যে চিংফৌ ইক' ল'জ প্ৰতিষ্ঠা কৰি লোকসাংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলা মানজে লাই প্ৰায় বিশ বছৰ ধৰি যত্ন কৰি গঢ়ি তোলা নিজৰ ব্যৱসায় ক্ষেত্ৰৰ ইতিবৃত্তক আধাৰ কৰি বক্তৃতা আগবঢ়ায়। আন এগৰাকী সমল ব্যক্তি ৰাজীৱ নিংখীয়ে চিংফৌ জনগোষ্ঠীৰ ইতিবৃত্ত আৰু বৰ্তমান ইয়াৰ স্থিতি সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। চিংফৌ জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক অমিয় নিংদা, নৰ্থ লখিমপুৰ কলেজৰ সহকাৰী অধ্যাপিকা মুনমী দত্ত, প্ৰকাশজ্যোতি শইকীয়া আৰু নাহৰকটীয়া কলেজৰ সহকাৰী অধ্যাপক ড° পৰেশ খনিকৰেও আলোচনাত ভাগ লয়। দ্বিতীয় দিনাৰ সত্ৰ সঞ্চালনা কৰে ৰাজীৱ নিংখীয়ে। এই সত্ৰত সমল ব্যক্তি হিচাপে অংশ লয় শান্তিনাথ গুডুং, সৰ্বজিৎ লিম্বু, সীমান্ত দত্ত, ৰমা বৰা আৰু অনুপম বৰকটকীয়ে। কেউজন সমল ব্যক্তিয়ে চিংফৌসকলৰ ধৰ্মীয় জীৱন চৰ্চা, প্ৰকৃতিৰ লগত সম্পৰ্ক, খাদ্যাভ্যাস, সাজপাৰ, কৃষি, গৃহ নিৰ্মাণ প্ৰণালী আদিৰ ঐতিহ্য আৰু বৰ্তমান সম্পৰ্কে আলোকপাত কৰে। এই আলোচনা-সত্ৰৰ সমান্তৰালভাৱে অংশগ্ৰহণকাৰী গৱেষক আৰু

ছাত্ৰ-ছাত্ৰীসকলে কেতেটং গাঁও পৰিভ্ৰমণ কৰি সংস্কৃতিৰ স্বাক্ষুয অভিজ্ঞতা অৰ্জন কৰে। তেওঁলোকে সমান্তৰাল পৰ্যটনৰ আধাৰ হিচাপে বিবেচিত হ'ব পৰা কাষৰীয়া ফাকে গাঁও আৰু তাৰ বৌদ্ধ মঠ, ডিগবৈৰ 'অইল মিউজিয়াম', মাৰ্ঘেৰিটাৰ কয়লা মিউজিয়াম, লিডুৰ কয়লা খনি, ষ্টিলৱেল পথ আদিলৈ গৈও সম্ভাৱনা সম্পৰ্কে অধ্যয়ন কৰে। এই কাৰ্যসূচীত গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ দলটোক সহযোগ কৰে স্থানীয় পানলং ওমপপ, নংলন নিংখী আৰু দীপক হাজৰিকাই। (তথ্য উৎস ঃ 'অসম আদিত্য', ৬ জুন, ২০২৩)

**(১৭) ঘূণাসুঁতিত ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী** ঃ ২০২৩ চনৰ ১৪ ছেপ্টেম্বৰ তাৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত ঘূণাসুঁতি হাইস্কুলত কেইবাটাও শৈক্ষিক-বৌদ্ধিক কাৰ্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়খনৰ শিক্ষকসকলৰ সহযোগত নৰ্থ লখিমপুৰ কলেজৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ঘূণাসুঁতিৰ মিচিং জনগোষ্ঠীয় লোকসংস্কৃতি সম্পৰ্কে ক্ষেত্ৰ অধ্যয়ন কৰে। এই অধ্যয়নত ঐতিহ্যপূৰ্ণ অঞ্চলটোৰ লোকসংস্কৃতিৰ পৰম্পৰা আৰু পৰিৱৰ্তন সম্পৰ্কে তথ্য আহৰণ কৰা হয়। অসমীয়া বিভাগৰ গৱেষকসকলৰ পৰিচালনাত ঘূণাসুঁতি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰমে কুইজ, ৰচনা লিখা আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ষষ্ঠৰ পৰা দশম পৰ্যন্ত প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতা পৰিচালনা কৰে ক্ৰমে গৱেষক কৃপাৰেখা গগৈ, খগেন পেগু, শোভাকৃষ্ণ ফুকন, পূবালী বৰা আৰু প্ৰাৰ্থনা দত্তই। এই প্ৰতিযোগিতাসমূহত পুৰস্কাৰ লাভ কৰা প্ৰতিটো শ্ৰেণীৰ তিনিগৰাকীকৈ ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰ আৰু গ্ৰন্থৰে মহাবিদ্যালয়ৰ তৰফৰ পৰা পুৰস্কৃত কৰা হয়। মহাবিদ্যালয়খনৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ অংশ হিচাপে নতুন প্ৰজন্মৰ মাজত অধ্যয়ন-অভ্যাস বৃদ্ধি কৰিবৰ বাবে এনে পৰিকল্পনা কাৰ্যকৰী কৰা হৈছে। ঘূণাসুঁতি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'কিতাপ আৰু আলাপ' শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰে মহাবিদ্যালয়ৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু ড° ধীৰাজ পাটৰে। এই অনুষ্ঠানতে ২২ খন গ্ৰন্থৰ এটি টোপোলা হাইস্কুলৰ পুথিভঁৰাললৈ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে, ঘূণাসুঁতি হাইস্কুলত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে ২০১৫ চনতে এটি ক্ষুদ্ৰ পুথিভঁৰাল প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত সেই পুথিভঁৰাললৈ অধিক গ্ৰন্থ প্ৰেৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ পঠন অভ্যাস বৃদ্ধিৰ বাবে কিছু পদক্ষেপ লৈছে। বৰ্তমানলৈ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত পুথিভঁৰালৰ গ্ৰন্থ অধ্যয়ন কৰি উপকৃত হৈছে। বিয়লি ঘূণাসুঁতি হাইস্কুলৰ প্ৰধান শিক্ষক থানুকৃষ্ণ ফুকনৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৰগীত আৰু ঐনিতম পৰিৱেশনেৰে আৰম্ভ হোৱা এই সভাত স্থানীয় সমল ব্যক্তি চন্দন টাইদ আৰু লীলা গগৈয়ে ঘূণাসুঁতি অঞ্চলৰ সাংস্কৃতিক ঐতিহ্য সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। সভাত আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। (তথ্য উৎস ঃ 'দ্য ছেণ্টিনেল', ১৬ ছেপ্টেম্বৰ, ২০২৩)

**(১৮) শদিয়াত ক্ষেত্ৰ অধ্যয়ন আৰু আলোচনা-চক্ৰ** ঃ ২০২৪ চনৰ ১৮ আৰু ১৯ মে'ত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু শদিয়া কলেজৰ সহযোগত শদিয়াত 'শদিয়াৰ সাংস্কৃতিক ঐতিহ্য' শীৰ্ষক এক আলোচনা-চক্ৰ আৰু ক্ষেত্ৰ পৰ্যবেক্ষণৰ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। শদিয়া



নৰ্থ লখিমপুৰ কলেজৰ এটি অনুষ্ঠানত ভাষণ প্ৰদান কৰিছে তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই। ১৯৯২ চন।

কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনা-চক্ৰৰ আঁত ধৰে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী ড° শাৰদী বৰাই। আৰম্ভণিতে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমৱেত সংগীত পৰিৱেশন কৰে। আলোচনা-চক্ৰখন সঞ্চালনা কৰে অধ্যক্ষ ড° ভূপেন চুতীয়াই। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আলোচনা-চক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে, অসমৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু ঐতিহ্যৰ লগত নতুন প্ৰজন্মক পৰিচিত কৰাবৰ বাবেই নিয়মীয়াকৈ অসমীয়া বিভাগে এনে সংক্ষিপ্ত পৰিসৰৰ আলোচনা-চক্ৰ অনুষ্ঠিত কৰি আহিছে। চলিত বৰ্ষত শদিয়াৰ ঐতিহ্য অধ্যয়নৰ প্ৰয়াস কৰা হৈছে বুলি তেওঁ কয়। সমল ব্যক্তি তথা সাংবাদিক বগেন গগৈয়ে কিংবদন্তি, পুৰাকথা আৰু লিখিত বুৰঞ্জীৰ আধাৰত শদিয়াৰ সাংস্কৃতিক সমলসমূহৰ বিষয়ে বিষদভাৱে এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। আন এগৰাকী সমল ব্যক্তি তথা শদিয়া কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী হেমন্ত কুমাৰ দেউৰীয়ে শদিয়াৰ দেউৰী সমাজৰ সংস্কৃতিৰ ইতিহাস আৰু পৰিৱৰ্তন সম্পৰ্কে কয়। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই আলোচনাত ভাগ লয়। অনুষ্ঠানত শদিয়া কলেজৰ 'যুৱ টুৰিজিম ক্লাবে' শদিয়াৰ পৰ্যটন সম্পৰ্কে এটি তথ্যবৃত্তান্ত উপস্থাপন কৰে। আলোচনা-চক্ৰৰ দ্বিতীয় পৰ্যায়ত অধ্যক্ষ ড° ভূপেন চুতীয়াই ঔপনিৱেশিক কালত শদিয়াৰ পুনৰ গঠন সম্পৰ্কে অৱলোকন কৰে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ গৱেষকসকলৰ লগতে স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াত ভাগ লয়। দ্বিতীয় দিনা ক্ষেত্ৰ পৰ্যবেক্ষণ কাৰ্যসূচীত শদিয়াৰ বুঢ়া-বুঢ়ী শাল, প্ৰতিমা গড়, পদুম পুখুৰী আদিৰ লগতে অৰুণাচল প্ৰদেশত থকা ভীষ্মক নগৰ আৰু 'গোল্ডেন পেগোডা'ক সামৰি লোৱা হয়। ক্ষেত্ৰসমূহ পৰ্যবেক্ষণ কৰাৰ লগতে তাৰ লগত জড়িত বিশেষজ্ঞ ব্যক্তিক নিমন্ত্ৰণ জনাই বাৰ্তালাপৰ যোগেদি তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰা হয়। এই কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ লগতে শদিয়া কলেজৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে— ব্ৰজেন শইকীয়া, ড° দীপেন্দ্ৰ কুমাৰ খানাল, এলিনা শইকীয়া, শিৱানী বৰুৱাই অংশগ্ৰহণ কৰে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২৩ মে', ২০২৪)

## [১০] শিক্ষামূলক ভ্ৰমণ

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক-বৌদ্ধিক উত্তৰণৰ হকে শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰি আহিছে। প্ৰাপ্ত তথ্যৰ আধাৰত তলত তেনে কেইটামান ভ্ৰমণৰ বিষয়ে দিয়া হ'ল।

**২০০৩ ঃ** দাৰ্জিলিং ভ্ৰমণ। তত্ত্বাৱধায়ক- মৌচুমী চেতিয়া আৰু ধনৰঞ্জন কলিতা।

**২০০৫ ঃ** চিকিম আৰু দাৰ্জিলিং ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং, অৰবিন্দ ৰাজখোৱা আৰু হেমন্ত শৰ্মা।

**২০০৭ ঃ** কলকাতা আৰু পুৰী ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং

**২০০৮ ঃ** দিল্লী ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং।

**২০১৩ ঃ** কলিকতা, পুৰী আৰু ভুবনেশ্বৰ ভ্ৰমণ। তত্ত্বাৱধায়ক লিলি চেলেং আৰু ড° অৰবিন্দ ৰাজখোৱা।

**২০১৫ ঃ** চিকিম আৰু দাৰ্জিলিং ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং, ড° অৰবিন্দ ৰাজখোৱা আৰু মুন্‌মী দত্ত।

**২০১৬ ঃ** গোৱা আৰু মুম্বাই ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং।

**২০১৭ ঃ** দিল্লী, আগ্ৰা আৰু জয়পুৰ ভ্ৰমণ। তত্ত্বাৱধায়ক- লিলি চেলেং, ড° অৰবিন্দ ৰাজখোৱা আৰু মুন্‌মী দত্ত।

**২০১৮ ঃ** কলিকতা আৰু শান্তিনিকেতন ভ্ৰমণ। তত্ত্বাৱধায়ক- ড° অৰবিন্দ ৰাজখোৱা, ড° হেমন্ত শৰ্মা, মুন্‌মী দত্ত আৰু বিশ্ব হাজৰিকা।

**২০২০ ঃ** কলকাতা ভ্ৰমণ। তত্ত্বাৱধায়ক- ড° অৰবিন্দ ৰাজখোৱা আৰু মুন্‌মী দত্ত।

**২০২২ ঃ** (ক) কলকাতা, হাওৰা আৰু ঝাড়গ্ৰাম ভ্ৰমণ। তত্ত্বাৱধায়ক- ড° অৰবিন্দ ৰাজখোৱা, ড° ধীৰাজ পাটৰ আৰু মুন্‌মী দত্ত।
(খ) উৰিষ্যা ভ্ৰমণ। তত্ত্বাৱধায়ক- ড° হেমন্ত শৰ্মা।

**২০২৩ ঃ** কলকাতা আৰু শান্তিনিকেতন ভ্ৰমণ। তত্ত্বাৱধায়ক- ড° অৰবিন্দ ৰাজখোৱা, ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ আৰু মুন্‌মী দত্ত।

## [১১] অন্যান্য অনুষ্ঠান

**(১) সাহিত্যালোচনী সম্পৰ্কীয় আলোচনা-চক্ৰ ঃ** ২০১০ চনৰ ১২ অক্টোবৰ তাৰিখে বিভাগত 'সাম্প্ৰতিক অসমীয়া সাহিত্যালোচনী আৰু অসমীয়া সাহিত্য' শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। অৰবিন্দ ৰাজখোৱাৰ উদ্যোগত আয়োজিত উক্ত আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° কমলাকান্ত বড়ি, ড° শৰৎ কুমাৰ দলে, ৰূপম গগৈ, ভবেন সন্দিকৈ আৰু অৰূপ দাস। আলোচনা-পত্ৰ পাঠ কৰে ক্ৰমে প্ৰাৰ্থনা শইকীয়া, সুৰগী মিলি, নিপন হাজৰিকা, ঋতুস্মিতা নাথ, পিংকি দেউৰী, জ্যোতিৰেখা হাজৰিকা, দীপিকা বৰুৱা, ৰিঞ্জুমণি হাজৰিকা, ডলী চুতীয়া, নিপামণি টায়ে, দীপক কোঁচ আৰু অংকুৰ দত্তই। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ১৪ অক্টোবৰ, ২০১০)

**(২) নাটক সম্পৰ্কীয় আলোচনা-চক্ৰ** ঃ ২০১০ চনৰ ২ নৱেম্বৰ তাৰিখে অসমীয়া বিভাগত সহকাৰী অধ্যাপক অৰবিন্দ ৰাজখোৱাৰ উদ্যোগত নাটক সম্পৰ্কীয় এক বিভাগীয় আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-পত্ৰ উপস্থাপন কৰে ক্ৰমে ৰিণ্টু শইকীয়া, দীপশিখা লাহন, ঋতুৰাজ বৰুৱা, জোনমণি দাস আৰু বিনীতা বৰফুকনে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৩ নৱেম্বৰ, ২০১০)

**(৩) 'নতুন প্ৰজন্মৰ প্ৰিয় কিতাপ' উন্মোচন** ঃ ২০১০ চনৰ ২৬ নৱেম্বৰ তাৰিখে বিভাগত মুৰব্বী লিলি চেলেঙৰ সভাপতিত্বত 'নতুন প্ৰজন্মৰ প্ৰিয় কিতাপ' নামৰ গ্ৰন্থখন উন্মোচনৰ বাবে এটি অনুষ্ঠান আয়োজিত হয়। উদ্বোধক হিচাপে উপস্থিত থাকে বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়া। অনুষ্ঠান সমন্বয়ক আছিল ড° অৰবিন্দ ৰাজখোৱা। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৭ নৱেম্বৰ, ২০১০)

**(৪) কিতাপ পঢ়াৰ আন্দোলনৰ বৰ্ষপূৰ্তি** ঃ ২০১১ চনৰ ৩ আগষ্টত বিভাগত মুৰব্বী লিলি চেলেঙৰ সভাপতিত্বত আৰু অৰবিন্দ ৰাজখোৱাৰ উদ্যোগত কিতাপ পঢ়াৰ আন্দোলনৰ বৰ্ষপূৰ্তি অনুষ্ঠিত হয়। বিগত বৰ্ষত ড° অমৰজ্যোতি চৌধুৰীয়ে আৰম্ভ কৰিছিল কিতাপ পঢ়াৰ আন্দোলন। অনুষ্ঠানটোৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ড° ধনৰঞ্জন কলিতা আৰু ড° হেমন্ত শৰ্মাও উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৫ আগষ্ট, ২০১১)

**(৫) 'হেমেন্দ্ৰ কুমাৰ গগৈ' উন্মোচন** ঃ ২০১১ চনৰ ১২ আগষ্টত অসমীয়া বিভাগৰ অৰবিন্দ ৰাজখোৱা আৰু হেমন্ত শৰ্মাৰ উদ্যোগত 'হেমেন্দ্ৰ কুমাৰ গগৈ' নামৰ গ্ৰন্থখন উন্মোচনৰ বাবে এটি অনুষ্ঠান আয়োজিত হয়। কলেজৰ গছৰ তলত অনুষ্ঠিত এই সভাত গ্ৰন্থ উন্মোচক হিচাপে উপস্থিত থাকে বিশিষ্ট নাট্যকাৰ ঘন হাজৰিকা। আদৰণি ভাষণ প্ৰদান কৰে তৎকালীন অধ্যক্ষ ড° বুধীন বৰুৱাই। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৩ আগষ্ট, ২০১১)

**(৬) প্ৰহ্লাদ কুমাৰ বৰুৱা স্মৃতিচাৰণ সভা** ঃ ২০১১ চনৰ ৩ ছেপ্টেম্বৰত অসমীয়া বিভাগত ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ আদ্যশ্ৰাদ্ধ উপলক্ষ্যে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰে লিলি চেলেঙে আৰু মূল বক্তৃতা প্ৰদান কৰে অৰবিন্দ ৰাজখোৱাই। বিভিন্ন দিশত আলোকপাত কৰে ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, ৰিণ্টু শইকীয়া, দীপশিখা, লাহন, জোনমণি দাস, চন্দনজ্যোতি চুতীয়া আদিয়ে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৪ ছেপ্টেম্বৰ, ২০১১)

**(৭) 'বৈজ্ঞানিক মানসিকতা আৰু অসমীয়া সমাজ' শীৰ্ষক আলোচনা-চক্ৰ** ঃ ২০১৩ চনৰ ১৭ ছেপ্টেম্বৰত অসমীয়া বিভাগত 'বৈজ্ঞানিক মানসিকতা আৰু অসমীয়া সমাজ' শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোৰ সভাপতিত্ব কৰে লিলি চেলেঙে। 'পূজা-পাতলৰ পয়োভৰ আৰু সমাজত ইয়াৰ প্ৰভাৱ', 'ৰাশিফল আৰু অসমীয়া সমাজ', 'জোতিষীৰ দীক্ষা আৰু ইয়াৰ প্ৰভাৱ', 'ধৰ্মান্ধতা ঃ এক সামাজিক ব্যাধি' আদি বিষয় আলোচনা কৰে ক্ৰমে চন্দনজ্যোতি চুতীয়া, জেৰিণা বৰুৱা, চয়নিকা বৰা, মাচুমা বেগম, মাহফুজা বেগম, সংগীতা গগৈ, পুনমজ্যোতি বুঢ়াগোহাঁই, সনাতন হাজৰিকা, বিজু দত্ত, লোকপ্ৰিয়া সন্দিকৈ আদিয়ে। অনুষ্ঠানটোত সহকাৰী অধ্যাপক হেমন্ত শৰ্মায়ো ভাগ লয়। আলোচনা-চক্ৰৰ শেষত 'ৱাল-ই' নামৰ এখন স্পেনিজ চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৯ ছেপ্টেম্বৰ, ২০১৩)

**(৮) শিল্পী দিৱস** ঃ ২০১৪ চনৰ ১৭ জানুৱাৰীত নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভা আৰু অসমীয়া বিভাগৰ যৌথ উদ্যোগত শিল্পী দিৱস অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মিথুন বিশ্বাস আৰু সাংস্কৃতি সম্পাদক চন্দন জ্যোতি চুতীয়াই পৰিচালনা কৰা অনুষ্ঠানটোত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা, ধনৰঞ্জন কলিতা আৰু হেমন্ত শৰ্মাই বক্তৃতা প্ৰদান কৰে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৮ জানুৱাৰী, ২০১৪)

**(৯) ভূপেন হাজৰিকাৰ জন্মদিন** ঃ ২০১৪ চনৰ ৮ ছেপ্টেম্বৰত অসমীয়া বিভাগত ভূপেন হাজৰিকাৰ জন্মদিন উপলক্ষ্যে এটি অনুষ্ঠান সম্পন্ন হয়। জ্যোতিষ্মান দাস আৰু বিশ্বজিৎ দত্তই আঁত ধৰা অনুষ্ঠানটিত গীত, কবিতা পৰিৱেশন কৰে গৌৰি চেতিয়া, ডালিমী কুলি, চয়নিকা বৰা আদিয়ে। অনুষ্ঠানটোত সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ তত্ত্বাৱধানত ভূপেন হাজৰিকাৰ জীৱন ভিত্তিক এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ৯ ছেপ্টেম্বৰ, ২০১৪)

**(১০) 'অন্ধবিশ্বাস আৰু নৱপ্ৰজন্ম' শীৰ্ষক আলোচনা-চক্ৰ** ঃ ২০১৪ চনৰ ১৯ ছেপ্টেম্বৰত অসমীয়া বিভাগত 'অন্ধবিশ্বাস আৰু নৱপ্ৰজন্ম' শীৰ্ষক আলোচনা-চক্ৰ সম্পন্ন হয়। বিভাগৰ অধ্যাপক-অধ্যাপিকা লিলি চেলেং, ধনৰঞ্জন কলিতা, অৰবিন্দ ৰাজখোৱা আৰু মুনমী দত্ত উপস্থিত থকা অনুষ্ঠানটোত আলোচনাত ভাগ লয় পৰেশ খনিকৰ, বিদ্যুৎ দত্ত, প্ৰকাশ শইকীয়া, বৈকুণ্ঠ বৰা, নেলচন দলে, মিগম পেগু, জোণমণি দত্ত, সমুজ্জ্বল শইকীয়া, মৃদুস্মিতা মহন্ত, পুনমজ্যোতি বুঢ়াগোহাঁই, ভবানী শইকীয়া, দীপিকা দত্ত, গৌৰি চেতিয়া, পাহাৰী শইকীয়া আদিয়ে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৯ ছেপ্টেম্বৰ,

২০১৪)

**(১১) 'শৰতৰ প্ৰথম কুঁৱলী পৰিছে' শীৰ্ষক অনুষ্ঠান** ঃ ২০১৪ চনৰ ২৮ ছেপ্টেম্বৰত সহকাৰী অধ্যাপক হেমন্ত শৰ্মাৰ উদ্যোগত 'শৰতৰ প্ৰথম কুঁৱলী পৰিছে' শীৰ্ষক অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলে শৰতকেন্দ্ৰিক সাহিত্যৰ বিষয়ে আলোচনা কৰে আৰু গীত-কবিতা পৰিৱেশন কৰে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৩০ ছেপ্টেম্বৰ, ২০১৪)

**(১২) লেখক-সাংবাদিক দিগন্ত ওজাৰ সৈতে অন্তৰংগ আলাপ** ঃ ২০১৪ চনৰ ১৯ অক্টোবৰত অসমীয়া বিভাগত বিশিষ্ট লেখক-সাংবাদিক দিগন্ত ওজাৰ লগত ছাত্ৰ-ছাত্ৰীৰ এক অন্তৰংগ আলাপ অনুষ্ঠান সম্পন্ন হয়। অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা অনুষ্ঠানটিত মুখ্যতঃ আলাপত ভাগ লয় সহকাৰী অধ্যাপক হেমন্ত শৰ্মা আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ মনোৰঞ্জন দত্তই। (তথ্য উৎস ঃ 'আমাৰ অসম', ২০ অক্টোবৰ, ২০১৪)

**(১৩) বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী** ঃ ২০১৪ চনৰ ১৬ অক্টোবৰত অসমীয়া বিভাগে পৰিৱেশ্য কলা কেন্দ্ৰৰ সহযোগত লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষ্যে 'মোৰ একেটি সুৰত' শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান আয়োজন কৰে। বিভাগৰ সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, অৰবিন্দ ৰাজখোৱা, হেমন্ত শৰ্মা আৰু মুনমী দত্তৰ তত্ত্বাৱধানত প্ৰায় এমাহজোৰা প্ৰস্তুতিৰে অনুষ্ঠিত এই অনুষ্ঠানটিত বন্তি প্ৰজ্জ্বলন কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া আৰু লিলি চেলেঙে। উদ্বোধনী ভাষণ প্ৰদান কৰে ড° প্ৰবীণ শইকীয়াই। জ্যোতিষ্মান দাস আৰু চয়নিকা বৰাই আঁত ধৰা অনুষ্ঠানটিত বেজবৰুৱাৰ গীত, নাটক, কবিতা আদি পৰিৱেশন কৰে ক্ৰমে গৌৰি চেতিয়া, প্ৰণশ্ৰী ৰাজখোৱা, ৰুবী বৰা, যুগান্ত গগৈ, মৃদুপৱন বৰুৱা, অন্বেষা চেতিয়া, লোকপ্ৰিয়া সন্দিকৈ, হিমাক্ষী হাজৰিকা, পম্পী হিলৈদাৰী, প্ৰণামী দাস, মুনমী দত্ত, পৰেশ খনিকৰ, বৈকুণ্ঠ বৰা, স্মৃতি শইকীয়া, ভবানী শইকীয়া, নৱজিৎ শইকীয়া, কল্যাণজিৎ দত্ত, মনজিল দত্ত আদিয়ে। (তথ্য উৎস ঃ 'আমাৰ অসম', ২০ অক্টোবৰ, ২০১৪)

**(১৪) ভূপেন হাজৰিকাৰ মৃত্যুদিন** ঃ ২০১৪ চনৰ ৫ নৱেম্বৰত অসমীয়া বিভাগত ভূপেন হাজৰিকাৰ মৃত্যুদিন উপলক্ষ্যে এটি অনুষ্ঠান সম্পন্ন হয়। জ্যোতিষ্মান দাসে আঁত ধৰা অনুষ্ঠানটিত এটি বক্তৃতা প্ৰদান কৰে কানৈ কলেজৰ সহকাৰী অধ্যাপক ড° মৃদুল শৰ্মাই। বিভাগৰ লিলি চেলেং, ধনৰঞ্জন কলিতা আৰু অৰবিন্দ ৰাজখোৱা উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৬ অক্টোবৰ, ২০১৪)

কলেজৰ এটি অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুন্দ মাধৱ শৰ্মা। ১৯৯৫ চন।



**(১৫) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস** ঃ ২০১৫ চনৰ ২৮ ফেব্ৰুৱাৰীত প্ৰথমবাৰৰ বাবে অসমীয়া বিভাগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁত ধৰে জ্যোতিষ্মান দাস আৰু ভাস্কৰ ভূঞাই। সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা, হেমন্ত শৰ্মা আৰু ড° পলী বেজবৰুৱা উপস্থিত থকা অনুষ্ঠানটোত আলোচক হিচাপে ভাগ লয় তুলিকা হাজৰিকা, প্ৰণৎ ৰাজখোৱা, সমুজ্জ্বল শইকীয়া, ৰাজা দত্ত, পৰেশ খনিকৰ, ভাস্কৰ শৰ্মা, ৰূপম হাজৰিকা, প্ৰকাশ শইকীয়া, বিশ্বজিৎ দত্ত আদিয়ে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১ মাৰ্চ, ২০১৫)

**(১৬) কবি সৌৰভ শইকীয়াৰে অন্তৰংগ আলাপ** ঃ ২০১৫ চনৰ ১ ছেপ্টেম্বৰত কবি সৌৰভ শইকীয়াৰ লগত এক অন্তৰংগ আলাপৰ অনুষ্ঠান অসমীয়া বিভাগত সম্পন্ন হয়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত লিলি চেলেং, ড° ধনৰঞ্জন কলিতা, ড° ঈশানজ্যোতি গগৈ আদি উপস্থিত থাকে। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই কবিগৰাকীক সম্বৰ্ধনা জনায়। অনুষ্ঠানটোৰ সমন্বয়কৰ দায়িত্বত থাকে সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মা। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২ ছেপ্টেম্বৰ, ২০১৫)

**(১৭) 'নেট', 'জে. আৰ. এফ.' প্ৰাপকক সম্বৰ্ধনা** ঃ ২০১৫ চনৰ ৩০ ছেপ্টেম্বৰত অসমীয়া বিভাগত দুগৰাকী 'নেট' উত্তীৰ্ণ শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। কলেজখনৰ অন্যতম স্নাতকোত্তৰ বিভাগ অসমীয়া বিভাগৰ দ্বিতীয় ষান্মাসিকৰ পৰা প্ৰথমবাৰৰ বাবে 'নেট' পৰীক্ষাত অৱতীৰ্ণ হৈ সমুজ্জ্বল শইকীয়াই নেট আৰু জে.আৰ.এফ. আৰু দীপিকা চেতিয়াই নেট উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, ড° চন্দ্ৰ মানচে, ড° স্বপ্নালী গগৈ, দিগন্ত হাতীবৰুৱা, লিলি চেলেং, ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ঈশানজ্যোতি গগৈ, বিশ্ব হাজৰিকা আদি উপস্থিত থাকে। উল্লেখ্য যে, সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু হেমন্ত শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক 'নেট' পৰীক্ষাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিছিল। (তথ্য উৎস ঃ 'আমাৰ অসম', ১ অক্টোবৰ, ২০১৫)

**(১৮) একবিংশ শতিকাৰ কাকত-আলোচনীৰ প্ৰদৰ্শনী** ঃ ২০১৫ চনৰ ১ অক্টোবৰত অসমীয়া বিভাগত একবিংশ শতিকাৰ অসমীয়া কাকত আলোচনীৰ এক প্ৰদৰ্শনী অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ ব্যক্তিগত পুথিভঁৰালৰ সংগ্ৰহৰ সৌজন্যত অনুষ্ঠিত এই প্ৰদৰ্শনীৰ আয়োজন কৰে ছাত্ৰ জ্যোতিষ্মান দাস, পৰেশ খনিকৰ, বিতু বড়া, পুৰন্দ গগৈ, যিচু পগাগ আৰু জিতুমণি বুঢ়াগোঁহায়ে। প্ৰদৰ্শনীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। উদ্বোধনী অনুষ্ঠানত অংশ লয় অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী চেতিয়া, সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতাকে ধৰি কেইবাগৰাকীও অধ্যাপক আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে। দুটা হলত পৰিকল্পিতভাৱে প্ৰদৰ্শনৰ বাবে চমু বিৱৰণসহ কাকত-আলোচনীসমূহ ৰখা হয়। প্ৰদৰ্শনীত প্ৰায় ২৫ প্ৰকাৰৰ সাহিত্য আলোচনী, ১০ প্ৰকাৰৰ গৱেষণা পত্ৰিকা, ৩০ প্ৰকাৰৰ বিনোদনধৰ্মী আলোচনী, ৫ প্ৰকাৰৰ মহিলাৰ আলোচনী, ৬ প্ৰকাৰৰ শিশু আলোচনী, ৫ প্ৰকাৰৰ বিজ্ঞান আলোচনী, ৪ প্ৰকাৰৰ ব্যংগ আলোচনী, ৩০ প্ৰকাৰৰ বিহু তথা পূজা সংখ্যাৰ আলোচনী, ৩০ প্ৰকাৰৰ ক্ষুদ্ৰ আলোচনী, ২৫ প্ৰকাৰৰ বাতৰি কাকত আৰু দেওবৰীয়া পৰিপূৰিকাৰ কমেও পাঁচটাকৈ সংখ্যা প্ৰদৰ্শন কৰা হয়। তদুপৰি অসমীয়া প্ৰতিদিন, দৈনিক জনসাধাৰণ, আজিৰ দৈনিক বাতৰি, আমাৰ অসম, দৈনিক অগ্ৰদূত আদি কাকতৰ ২০০০ চনৰ পাছত প্ৰকাশ পোৱা কিছুমান বিশেষ সংখ্যাও প্ৰদৰ্শনীলৈ অনা হয়। ২০০০ চনৰ পাছত প্ৰকাশ পোৱা প্ৰায় ৫০ খন কাকত-আলোচনীৰ প্ৰথম সংখ্যাৰ প্ৰদৰ্শন আছিল এই অনুষ্ঠানৰ অন্যতম আকৰ্ষণ। 'উত্তৰায়ণ', 'নিৱেদন', 'কথা গুৱাহাটী', 'ভূমি', 'প্ৰিয় সখী', 'নন্দিনী', 'কৌস্তুভ', 'গৰিমা' আদি আলোচনীৰ প্ৰথম সংখ্যা বা প্ৰস্তাৱনা সংখ্যাসমূহ প্ৰদৰ্শনীত ৰখা হয়। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২ অক্টোবৰ, ২০১৫)

**(১৯) মণিকুন্তলা ভট্টাচাৰ্যৰ সৈতে অন্তৰংগ আলাপ** ঃ ২০১৬ চনৰ ৪ মে'ত অসমীয়া বিভাগত বিশিষ্ট ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠান সম্পন্ন হৈ যায়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, কলেজৰ শিক্ষক গোটৰ সম্পাদক ড° দেৱ কুমাৰ বৰুৱা, সহকাৰী সম্পাদক বিনয় কুমাৰ পাটগিৰি, ধনৰঞ্জন কলিতা, মুনমী দত্ত, ঈশানজ্যোতি গগৈ আৰু বিশ্ব হাজৰিকা উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৫ মে', ২০১৬)

**(২০) অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে অন্তৰংগ আলাপ** ঃ ২০১৬ চনৰ ৪ মে'ত অসমীয়া বিভাগত বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠান সম্পন্ন হৈ যায়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া, সহকাৰী অধ্যাপক ড° স্বপ্নালী গগৈ, ড° বৰ্ণালী বৰা, হেমন্ত শৰ্মা, মুনমী দত্ত, ৰাতুল কুমাৰ লাহন, বিশ্ব হাজৰিকা, সমুজ্জ্বল শইকীয়া আদি। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰা ভাস্কৰ ভূঞা, নীলাক্ষি বৰগোহাঁই, ৰূপম হাজৰিকা, বিদ্যুৎ দত্ত, চয়নিকা বৰা আদিয়ে

আন্তৰংগ আলাপত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ৮ আগষ্ট, ২০১৬)

**(২১) ভূপেন হাজৰিকাৰ জন্মদিন** ঃ ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত অসমীয়া বিভাগত লিলি চেলেঙৰ সঞ্চালনাত ভূপেন হাজৰিকাৰ জন্মদিন উপলক্ষ্যে এটি অনুষ্ঠান আয়োজিত হয়। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, ড° অৰবিন্দ ৰাজখোৱা, হেমন্ত শৰ্মাৰ লগতে অনুষ্ঠানটোত বক্তৃতা প্ৰদান কৰে ছাত্ৰ-ছাত্ৰী ইন্দ্ৰজিৎ টায়ে, বিদ্যুৎ দত্ত, দীপাংকৰ বৰুৱা, পংকজ মৰাং, প্ৰাৰ্থনা দত্ত আৰু বাস্তৱ বৰাই। গীত পৰিৱেশন কৰে ক্ৰমে সহকাৰী অধ্যাপিকা মুনমী দত্ত, ছাত্ৰ-ছাত্ৰী শোভাকৃষ্ণা ফুকন, তীৰ্থৰঞ্জন গগৈ, পূজা বৰুৱা, পুৰন্দ গগৈ, জ্যোতিকা পাটোৱাৰী আদিয়ে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ১০ ছেপ্টেম্বৰ', ২০১৬)

**(২২) 'নেট', 'জে. আৰ. এফ.' প্ৰাপকক সম্বৰ্ধনা** ঃ ২০১৬ চনৰ ২৩ নৱেম্বৰত অসমীয়া বিভাগত 'নেট' আৰু 'জে.আৰ.এফ.' প্ৰাপক অমল নাথক অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই এটি অনুষ্ঠানত সম্বৰ্ধনা জনায়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকে লিলি চেলেং, ড° স্বপ্নালী গগৈ, ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ঈশানজ্যোতি গগৈ, বিশ্ব হাজৰিকা আদি। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ২৪ নৱেম্বৰ, ২০১৬)

**(২৩) বিষ্ণু ৰাভা দিৱস** ঃ ২০১৬ চনৰ ২০ জুনত অসমীয়া বিভাগত ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত বিষ্ণুৰাভা দিৱস অনুষ্ঠিত হয়। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা আৰু ছাত্ৰ দীপাংকৰ বৰুৱাই ৰাভাৰ অৱদান সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। গীত পৰিৱেশন কৰে ক্ৰমে শোভাকৃষ্ণা ফুকন, পম্পী হাজৰিকা আৰু মায়াশ্ৰী দাসে। (তথ্য উৎস ঃ 'আমাৰ অসম', ২২ জুন, ২০১৬)

**(২৪) ভবেন্দ্ৰনাথ শইকীয়াৰ স্মৃতিচাৰণ সভা** ঃ ২০১৭ চনৰ ১৩ আগষ্টত অসমীয়া বিভাগে ড° ভবেন্দ্ৰনাথ শইকীয়াৰ মৃত্যু দিৱস উপলক্ষ্যে তেওঁৰ জীৱন আৰু কৰ্মৰ মূল্যায়নেৰে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰে। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতাই সভাপতিত্ব কৰা এই সভাত সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু হেমন্ত শৰ্মাই মহীৰূহ ব্যক্তিগৰাকীৰ জীৱনৰপৰা নতুন প্ৰজন্মই শিকিবলগা বিভিন্ন দিশ উদাহৰণেৰে সৈতে সভাত ব্যাখ্যা কৰে। সভাত সহকাৰী অধ্যাপক মুনমী দত্ত, ড° ঈশানজ্যোতি গগৈ, বিশ্ব হাজৰিকা আৰু চন্দনজ্যোতি চুতীয়াও উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসমীয়া বিভাগ', ১৫ আগষ্ট, ২০১৭)

**(২৫) 'নেট', 'জে. আৰ. এফ.' প্ৰাপকক সম্বৰ্ধনা** ঃ ২০১৭ চনৰ ১৯ আগষ্টত অসমীয়া বিভাগত 'নেট' উত্তীৰ্ণ চয়নিকা বৰা (নেট আৰু জে.আৰ.এফ.), সংগীতা গগৈ, বিতু বড়া আৰু

ছাত্ৰী নিবাসৰ সমুখত আবাসীসকলৰ একাংশ। ১৯৮৬ চন।



অনিতা বিশ্ব শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াকে ধৰি মুৰব্বী লিলি চেলেং, ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ঈশানজ্যোতি গগৈ আৰু বিশ্ব হাজৰিকা উপস্থিত থাকে (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ২০ আগষ্ট, ২০১৭)

**(২৬) 'কাব্যচিন্তন' শীৰ্ষক অনুষ্ঠান** ঃ ২০১৭ চনৰ ১৫ ছেপ্টেম্বৰত অসমীয়া বিভাগ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু সদৌ অসম কবি সন্মিলনৰ সহযোগত 'কাব্যচিন্তন' শীৰ্ষক এক অনুষ্ঠান সম্পন্ন হয়। ইয়াত উজ্জ্বল পাওগাম আৰু নীলিম কুমাৰে অংশগ্ৰহণ কৰে। কবিতা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে ড° অৰবিন্দ ৰাজখোৱা আৰু ধনৰঞ্জন কলিতাই। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° মুহিধৰ পূজাৰী উপস্থিত থকা সভাখন পৰিচালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেঙে। অনুষ্ঠানটোত উপস্থিত থকা কিছুসংখ্যক ব্যক্তি হ'ল— উমেশ চন্দ্ৰ সোনোৱাল, পাৰ্থপ্ৰতীম শইকীয়া, বাবলু প্ৰসাদ বৰুৱা, ৰাতুল কুমাৰ লাহন, চন্দনজ্যোতি চুতীয়া, ভাস্কৰ ভুঞা আদি। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৬ ছেপ্টেম্বৰ, ২০১৭)

**(২৭) ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় বক্তৃতা** ঃ ২০১৭ চনৰ ২১ ছেপ্টেম্বৰত অসমীয়া বিভাগত ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় এক বক্তৃতা প্ৰদান কৰে গড়গাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সুৰেশ শইকীয়াই। স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰে। (তথ্য উৎস ঃ 'আমাৰ অসম', ২২ ছেপ্টেম্বৰ, ২০১৭)

**(২৮) মাতৃভাষা দিৱস পালন** ঃ ২০১৮ চনৰ ২১ ফেব্ৰুৱাৰীত অসমীয়া বিভাগত উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। অনুষ্ঠানটোত সভাপতিত্ব কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। বিশিষ্ট অতিথি হিচাপে অংশ লয় অসম সাহিত্য সভাৰ উপ-সভাপতি তথা পৰিচালনা সমিতিৰ সভাপতি ড° হেমন্ত কুমাৰ বৰুৱাই। সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু ৰাতুল কুমাৰ লাহনে উক্ত দিৱসৰ তাৎপৰ্যৰ লগত সংগতি ৰাখি বক্তৃতা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত 'মাতৃভাষা মাধ্যমৰ বিদ্যালয় ঃ সংকট আৰু সম্ভাৱনা' শীৰ্ষক বক্তৃতা প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰে ক্ৰমে নীতিশ কুমাৰ দুৱৰা, ভাস্কৰ ভূঞা আৰু বাস্তৱ বড়াই। অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুনমী দত্ত, বিশ্ব হাজৰিকা, ড° ঈশানজ্যোতি গগৈ আদিয়েও ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২২ ফেব্ৰুৱাৰী, ২০১৮)

**(২৯) 'নেট' উত্তীৰ্ণক সম্বৰ্ধনা** ঃ ২০১৮ চনৰ ২১ জানুৱাৰীত অসমীয়া বিভাগত শেহতীয়া পৰীক্ষাত 'নেট' উত্তীৰ্ণ দহগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক হ'ল— মৃণালী পেগু (নেট আৰু জেআৰএফ), ভাস্কৰ ভূঞা, প্ৰকাশজোতি শইকীয়া, জোনমণি দত্ত, প্ৰদীপ ভৰালী, বাস্তৱ বৰা, পৰেশ দাস, দীপাংকৰ বৰুৱা, নীতা পেগু, নয়নতৰা দলে, গীতাশ্ৰী দেৱী আৰু পৰেশ খনিকৰ। সম্বৰ্ধনা অনুষ্ঠানত স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই কয় যে, বিভিন্ন সীমাৱদ্ধতা আৰু অসুবিধাৰ মাজতো বিভাগটোৱে এটা মান বৰ্তাই ৰাখিবলৈ অহৰহ চেষ্টা কৰি আহিছে। লিলি চেলেঙে সভাপতিত্ব কৰা সভাখনত সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক হেমন্ত শৰ্মাই। সভাত উপস্থিত থকা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° মুহিধৰ পূজাৰীয়ে কয় যে, মাত্ৰ পাঁচগৰাকী স্থায়ী শিক্ষকে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰপৰা স্নাতকোত্তৰ পৰ্যায়লৈ পাঠদান কৰি এনেধৰণৰ সফলতা অৰ্জন কৰিব পৰাটো বিস্ময়জনক বুলি মন্তব্য কৰে। মহাবিদ্যালয় পৰীক্ষা নিয়ন্ত্ৰক ড° প্ৰদীপ কুমাৰ মিত্ৰই অসমীয়া বিভাগৰ সবল শৈক্ষিক পৰিকাঠামো আনৰ বাবে আদৰ্শ হ'ব পাৰে বুলি কয়। তেওঁ বিশেষকৈ কোনো আপোচ নকৰাকৈ বিভাগটোৱে শিক্ষাৰ গুণগত মান বৰ্তাই ৰখা কাৰ্যক প্ৰশংসা কৰে। উপ-পৰীক্ষা নিয়ন্ত্ৰক বাণীকান্ত কোঁৱৰে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সকলো দিশতে থকা প্ৰতিভা আৰু পাৰ্গতালি ঈৰ্ষাৰ বিষয় বুলি উল্লেখ কৰে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ২১ জানুৱাৰী, ২০১৮)

**(৩০) 'কাব্যগুঞ্জন' অনুষ্ঠান** ঃ ২০১৮ চনৰ ১৭ মাৰ্চত অসমীয়া বিভাগৰ উদ্যোগত 'কাব্যগুঞ্জন' শীৰ্ষক এক কবিতাৰ অনুষ্ঠান হয়। কবি অজিৎ গগৈ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই অনুষ্ঠানটো সঞ্চালনৰে। কবিতা পাঠ আৰু আবৃত্তি কৰে দেৱাশীষ বুঢ়াগোহাঁই, ৰাতুল কুমাৰ লাহন, ড° স্বপ্নালী গগৈ, পৰেশ খনিকৰ, কিৰণ দাস, ভাস্কৰ ভূঞা, বাস্তৱ বড়া, নিতিশ কুমাৰ দুৱৰা, ইন্দ্ৰ কুমাৰ টায়ে, ৰূপম গগৈ, জগদীশ শইকীয়া, ভবেন্দ্ৰ দাস, মানস প্ৰতীম বৰা, সঞ্জয় আচাৰ্য, পবিত্ৰ দাস, সৌৰভজ্যোতি দত্ত, সুৰেশ দেৱনাথ আৰু অবিনাশ গগৈয়ে। অনুষ্ঠানত কাব্যচৰ্চাৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে ধনৰঞ্জন কলিতা, ড° অৰবিন্দ ৰাজখোৱা, হেমন্ত শৰ্মা, লিলি চেলেং আৰু ড° নন্দিতা দত্তই। আলোচনাত অংশ লয় ড° জাহ্নৱী লহকৰ বৰুৱা, মুন্মী দত্ত, ড° ঈশানজ্যোতি গগৈ আৰু ড° বৰ্ণালী বৰাই। এই অনুষ্ঠানতে লখিমপুৰৰ বিশিষ্ট সংগীত

শিল্পী মৃদুল বৰুৱাই সুৰেৰে সজাই কণ্ঠদান কৰা এটি গীত মুকলি কৰে অজিৎ গগৈয়ে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ১৮ মাৰ্চ, ২০১৮)

**(৩১) চাৰ্টিফিকেট পাঠ্যক্ৰম মুকলি ঃ** অসমীয়া বিভাগত ২০১৮ চনৰ ২৬ আগষ্ট তাৰিখে চাৰ্টিফিকেট পাঠ্যক্ৰম মুকলি কৰিবলৈ এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকি ড° বিমান চন্দ্ৰ চেতিয়াই কয় যে, 'নৰ্থ লখিমপুৰ অসমীয়া বিভাগে যোৱা প্ৰায় পাঁচটা বছৰে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত কম্পিউটাৰত অসমীয়া ভাষা ব্যৱহাৰৰ শিক্ষা প্ৰদান কৰি এক জাতীয় কৰ্তব্য সম্পাদন কৰি আছে।' অসমীয়া বিভাগৰ অধীনত চলিত বৰ্ষৰপৰা 'কম্পিউটাৰত অসমীয়া ভাষাৰ প্ৰয়োগ' শীৰ্ষক এক চাৰ্টিফিকেট পাঠ্যক্ৰমৰ পাঠদান আৰম্ভ হয়। উদ্বোধনী অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, সহকাৰী অধ্যাপক-অধ্যাপিকা ক্ৰমে ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, মুন্মী দত্ত, বিশ্ব হাজৰিকা, জ্যোতিষ্মান দাস আদি উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ২৬ আগষ্ট, ২০১৮)

**(৩২) ভূপেন হাজৰিকাৰ জন্ম দিৱস ঃ** অসমীয়া বিভাগত ২০১৮ চনৰ ৮ ছেপ্টেম্বৰত ভূপেন হাজৰিকাৰ জন্ম দিনৰ লগত সংগতি ৰাখি বক্তৃতা, গীত আৰু নৃত্যৰ এটি মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। আৰম্ভণিতে বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলে ড° ভূপেন হাজৰিকাৰ স্মৃতিত বন্তি প্ৰজ্জ্বলন কৰে আৰু তাৰ পাছতেই ছাত্ৰ ৰাকেশ সঁজাতি আৰু দুষ্মন্ত বৰাই এটি নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো মুকলি কৰে। সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মাই 'ভূপেন হাজৰিকাৰ সাংস্কৃতিক চেতনা' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতাই যোৱা ২০০৬ চনৰপৰা অসমীয়া বিভাগে ভূপেন হাজৰিকাৰ জন্মদিন উপলক্ষ্যে সভা অনুষ্ঠিত কৰি অহাৰ কথা উল্লেখ কৰে আৰু পূৰ্বৰ সভাসমূহৰ ৰেঙণি দাঙি ধৰে। লগতে সভাত বক্তৃতা প্ৰদান কৰে সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে ভাইটি দলে, জুবিন চাংমাই, প্ৰাপ্তি প্ৰিয়ম বৰা, হিমাদ্ৰী বৰা, দেৱদীক্ষা ৰয়, লোকপ্ৰিয়া খনিকৰ, হিমাক্ষী চেতিয়া আৰু এঞ্জেল শংকৰ দাসে ভূপেন হাজৰিকাৰ কেইবাটাও গীত পৰিৱেশন কৰে। ছাত্ৰী অনাস্মিতা পাটগিৰি আৰু দেৱাশীষ বুঢ়াগোহাঁয়ে ক্ৰমে নৃত্য পৰিৱেশন আৰু কবিতা আবৃত্তি কৰে। অনুষ্ঠানত সহকাৰী অধ্যাপক ড° বিনোদ চেতিয়া আৰু মুনমী দত্তয়ো ভাগ লয়। অনুষ্ঠানটোত সভাপতিত্ব কৰে ড° অৰবিন্দ ৰাজখোৱাই। (তথ্য উৎস ঃ 'আমাৰ অসম', ৯ ছেপ্টেম্বৰ, ২০১৮)

**(৩৩) সাহিত্যিক তথা ডি.জি.পি. কুল শইকীয়াৰ লগত অন্তৰংগ আলাপ ঃ** অসমীয়া বিভাগত ২০১৮ চনৰ ১৩ ছেপ্টেম্বৰত সাহিত্যিক তথা ডি.জি.পি. কুল শইকীয়াৰ লগত অন্তৰংগ আলাপৰ অনুষ্ঠান সম্পন্ন হৈ যায়। মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণীকোঠাত অনুষ্ঠিত এই অনুষ্ঠানৰ আঁত ধৰে স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ শাখাৰ সঞ্চালক প্ৰধান পল্লৱ ভট্টাচাৰ্য আৰু লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষক সুধাকৰ সিঙো উপস্থিত থাকে। উপাধ্যক্ষ ড° মুহিধৰ পূজাৰীয়ে অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে। কুল শইকীয়াই তেওঁৰ ভাষণত নিজৰ গল্প সৃষ্টিৰ অন্তৰাল সম্পৰ্কে কিছু কথা কয়। তেওঁ কয় যে জীৱন যিদৰে বিশৃংখল আৰু মানুহৰ মন যিদৰে অশান্ত তেনেদৰে গল্পৰ প্লটকো খুব সংযত পৰিশীলিত ৰূপত চাব নোৱাৰি। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয় যে, বৰ্তমান সমগ্ৰ বিশ্বত ডিগ্ৰী, মাৰ্কছীট আৰু কোন প্ৰতিষ্ঠানত পঢ়িছে সেই কথাবোৰ অৰ্থহীন হৈ আহিছে। তাৰ পৰিৱৰ্তে নতুন চিন্তা আৰু উদ্ভাৱনীমূলক কাম কৰা যুৱক যুৱতীৰ গুৰুত্ব বাঢ়ি আহিছে। তাৰ লগতে দলীয় উদ্যম, সামাজিক বোধ আদিৰে সমৃদ্ধ হ'ব পৰাসকলেহে জীৱিকাৰ যুঁজত সফলতা অৰ্জন কৰিব পাৰি। স্ব-নিয়োজনৰ সম্ভাৱনা থকা কেইখনমান ক্ষেত্ৰৰ কথাও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত পল্লৱ ভট্টাচাৰ্যয়ো ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এটি ভাষণ প্ৰদান কৰে। তেওঁ মূলত ব্যৱহাৰিক জীৱনৰ সফলতাৰ লগত যে আনুষ্ঠানিক শিক্ষাৰ সম্পৰ্ক নাথাকিবও পাৰে সেই কথা কয়। আৰক্ষী অধীক্ষক সুধাকৰ সিঙে ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ মূল্য আৰু সুৰক্ষা সম্পৰ্কে দুআষাৰ কয়। অনুষ্ঠানৰ শেষত সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মাই কুল শইকীয়াকে ধৰি কেউগৰাকী অতিথিক উদ্দেশ্যি মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উৎকৰ্ষৰ বাবে কৰি থকা কামৰ এক ৰেঙণি দাঙি ধৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ কনিষ্ঠ শাখাৰ উপাধ্যক্ষ ড° জিতেন দত্ত, ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী গগৈ, সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, মুনমী দত্ত, বিশ্ব হাজৰিকা আৰু জ্যোতিষ্মান দাসেও ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৩ ছেপ্টেম্বৰ, ২০১৮)

**(৩৪) অন্ধবিশ্বাস-কুসংস্কাৰ দূৰীকৰণ সম্পৰ্কীয় আলোচনা ঃ** অসমীয়া বিভাগত ২০১৮ চনৰ ১৭ ছেপ্টেম্বৰত 'অসমীয়া সমাজৰপৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰীকৰণত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক এক দলীয় আলোচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুঠ নটা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাই সম্প্ৰতি অসমীয়া সমাজক গ্ৰাস কৰি থকা বিভিন্ন ধৰণৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে আলোচনা কৰে আৰু তাৰ সম্ভাব্য নিৰাময়ৰ উপায় সম্পৰ্কে আলোচনা কৰে। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে দুলুমণি বৰা,

প্ৰিয়ংকা বৰা, পংকজ মৰাং আৰু কৃষ্ণজ্যোতি হাজৰিকাই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে সঞ্জয় আচাৰ্য, অংকণা গগৈ, তৃষ্ণা মহানন্দ আৰু ৰাজশ্ৰী কলিতাই, তৃতীয় পুৰস্কাৰ লাভ কৰে কাশ্মীৰী শইকীয়া, সুৰেশ দেৱনাথ, ৰুমি বৰা আৰু ৰাজীৱ হাজৰিকাই। প্ৰতিযোগিতাৰ শেষত অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত এখন সভা অনুষ্ঠিত হয়। সভাত দলীয় আলোচনাৰ মূল বিষয়টো সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতাই। দলীয় আলোচনাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সহকাৰী অধ্যাপক জোতিষ্মান দাসে আলোচনা কৰে। প্ৰতিযোগিতাৰ অনুষংগিক দিশত সহকাৰী অধ্যাপক বিশ্ব হাজৰিকায়ো সহযোগ আগবঢ়ায়। সভাৰ শেষত সঞ্চালকৰ আসনৰপৰা ড° ৰাজখোৱাই যুক্তিবাদৰ অভাৱে ভাৰতীয় সমাজক কিদৰে তিল তিলকৈ অনগ্ৰসৰতাৰ দিশে নি আছে সেই সম্পৰ্কে উদাহৰণেৰে সৈতে আলোচনা কৰে। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৯ ছেপ্টেম্বৰ, ২০১৮)

**(৩৫) গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ সমাৰোহত অংশগ্ৰহণ ঃ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ চনৰ অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ সমাৰোহত অংশ গ্ৰহণ কৰে।

**(৩৬) ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ সৈতে অন্তৰংগ আলাপৰ অনুষ্ঠান ঃ** অসমীয়া বিভাগত ২০১৮ চনৰ ১১ নৱেম্বৰত ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ লগত এক অন্তৰংগ আলাপৰ অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেং, ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী গগৈ, ড° হেমন্ত শৰ্মা, মুনমী দত্ত আৰু বিশ্ব হাজৰিকা উপস্থিত থাকে। আলাপত ভাগ লয় ক্ৰমে দেৱাশিষ বুঢ়াগোহাঁই, নিতিশ কুমাৰ দুৱৰা, ভৱেন্দ্ৰ দাস, বিজিৎ লাহন, পূবালী বৰা, প্ৰতীক্ষা কলিতা আৰু বৰ্ণালী শৰ্মাই। (তথ্য উৎস ঃ 'আমাৰ অসম', ১২ নৱেম্বৰ, ২০১৮)

**(৩৭) নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ সহযোগত মিচিংসকলৰ সংস্কৃতি সম্পৰ্কীয় আলোচনা-চক্ৰ ঃ** নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু নগাঁওৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত ২০১৮ চনৰ ১৪ আৰু ১৫ নৱেম্বৰত এক ক্ষেত্ৰ অধ্যয়ন তথা আলোচনা সত্ৰ অনুষ্ঠিত হয়। 'লখিমপুৰ জিলাৰ মিচিংসকলৰ ভাষা আৰু সংস্কৃতি' শীৰ্ষক বিষয়ত অনুষ্ঠিত উক্ত কাৰ্যসূচীৰ প্ৰথম দিনা ৰঙানদীৰ পাৰৰ কেইবাখনো মিচিং গাঁৱত তথ্য সংগ্ৰহ কৰা হয়। সেইদিনা গধূলিলৈ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সংশ্লিষ্ট বিষয়ত আলোচনা সত্ৰ অনুষ্ঠিত হয়। সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু ড° হেমন্ত শৰ্মাই অনুষ্ঠানটোৰ আঁত ধৰে। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মিলন নেওগ আৰু পৰেশ খনিকৰে বক্তৃতা আগবঢ়ায়। লখিমপুৰ জিলাৰ মিচিংসকলৰ সমাজ-সংস্কৃতিৰ অতীত আৰু বৰ্তমান সম্পৰ্কে বিশদভাৱে আলোচনা আগবঢ়ায় ভাস্কৰ ভূঞাই। অনুষ্ঠানত মিচিং ঐনিতমকে ধৰি বিভিন্ন পৰিৱেশ্য কলা প্ৰদৰ্শন কৰে ক্ৰমে প্ৰিয়ংকা বৰুৱা, ৰাকেশ সজাতি, পূবালী বৰা, নমিতা কোঁচ, ভাইটি দলে, ঋষভ চুতীয়া, পংকজ মৰাং, ৰাখী সোণোৱাল, ৰুমি বৰা, সহকাৰী অধ্যাপক বিশ্ব হাজৰিকা আদিয়ে। দুয়োখন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অধ্যাপিকা ক্ৰমে লিলি চেলেং, ধনৰঞ্জন কলিতা, চাহিন জাফ্ৰি, গীতাৰ্থ শইকীয়ায়ো আলোচনাত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১৭ নৱেম্বৰ, ২০১৮)

**(৩৮) অৰুণাচল সাহিত্য উৎসৱত অংশগ্ৰহণ ঃ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ চনৰ নৱেম্বৰত ইটানগৰত অনুষ্ঠিত অৰুণাচল সাহিত্য উৎসৱত অংশ গ্ৰহণ কৰে। এই অংশগ্ৰহণৰ ব্যৱস্থা কৰে সাহিত্যিক য়েছে দৰজে ঠংচিয়ে।

**(৩৯) গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ সমাৰোহত অংশগ্ৰহণ ঃ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৯ চনৰ জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ সমাৰোহত অংশ গ্ৰহণ কৰে।

**(৪০) ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত অংশগ্ৰহণ ঃ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে গুৱাহাটীত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত অংশ গ্ৰহণ কৰে।

**(৪১) সাহিত্যিক কৰবী ডেকা হাজৰিকাৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠান ঃ** নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত ২০১৯ চনৰ ৩ জুনত বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকাৰ সৈতে এক অন্তৰংগ আলাপৰ অনুষ্ঠান সম্পন্ন হয়। সভাগৃহত অনুষ্ঠিত এই অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানৰ অন্তৰংগ আলাপত ভাগ লয় সহকাৰী অধ্যাপিকা ড° স্বপ্নালী গগৈ, মুন্মী দত্ত, ছাত্ৰ-ছাত্ৰী ক্ৰমে সুৰেশ দেৱনাথ, সঞ্জয় আচাৰ্য, পূবালী বৰা আদিয়ে। মাধৱদেৱ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক যোগেন তামুলী, আঁক-বাক প্ৰকাশনৰ স্বত্বাধিকাৰ সৌমিত্ৰ যৌগী, সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, হেমন্ত শৰ্মা, বিশ্ব হাজৰিকা আদিয়েও ভাগ লোৱা অনুষ্ঠানটোত সামৰণি ভাষণ দিয়ে অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেঙে। (তথ্য উৎস ঃ 'আমাৰ অসম', ৫ জুন, ২০১৯)

**(৪২) ছেইণ্ট প'লছ কেথেড্ৰেল মিচন কলেজৰ লগত**

**বুজাবুজিৰ চুক্তি ঃ** নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু ছেইণ্ট প'লছ কেথেড্ৰেল মিচন কলেজৰ বাংলা বিভাগৰ মাজত ২০১৯ চনৰ ৯ ছেপ্টেম্বৰত এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়। দুয়োখন মহাবিদ্যালয়ৰ অধ্যক্ষ ক্ৰমে ড° বিমান চন্দ্ৰ চেতিয়া আৰু প্ৰফেছাৰ দেৱাশিষ মণ্ডলৰ আলোচনাক্ৰমে যোৱা প্ৰায় ছটা মাহৰ প্ৰস্তুতিৰ অন্তত এই চুক্তি সম্পন্ন হয়। এই চুক্তিৰ ম্যাদ পাঁচ বছৰ। এই সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত ল'বৰ বাবে যোৱা ৯ ছেপ্টেম্বৰ তাৰিখে ছেইণ্ট প'লচ কলেজৰ অধ্যক্ষৰ কাৰ্যালয়ত এক বৈঠক অনুষ্ঠিত হয়। তাত নৰ্থ লখিমপুৰ কলেজৰ হৈ অংশ লয় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। (তথ্য উৎস ঃ 'অসম আদিত্য', ১৩ ছেপ্টেবৰ, ২০১৯)

**(৪৩) সৌম্যদ্বীপ দত্তৰে মুখামুখি অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন ঃ** অসমীয়া বিভাগত ২০১৯ চনৰ ২৮ অক্টোবৰত বিশিষ্ট প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্তৰ সৈতে এক মুখামুখি অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানতে সৌম্যদ্বীপ দত্ত আৰু মৰমী তালুকদাৰ প্ৰণীত 'পাটকাই সভ্যতা' নামৰ গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা সভাখন মহাবিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী লিলি চেলেঙে মূল অনুষ্ঠান সঞ্চালনা কৰে। 'পাটকাই সভ্যতা' গ্ৰন্থখনৰ বিষয়ে আলোচনা সভাখনত আলোচনা আগবঢ়াই ক্ৰমে বিশিষ্ট বিজ্ঞানী ড° প্ৰবাল শইকীয়া আৰু লেখক-সাংবাদিক শৈলেন বৰুৱাই। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰাতুল কুমাৰ লাহন, মুনমী দত্ত, ড° বিশ্ব হাজৰিকা, বিতু বড়া আদিৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৯ অক্টোবৰ, ২০১৯)

**(৪৪) অৰুণাচল সাহিত্য উৎসৱত অংশগ্ৰহণ ঃ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৯ চনৰ ২৮ নৱেম্বৰ তাৰিখে ইটানগৰত অনুষ্ঠিত অৰুণাচল সাহিত্য উৎসৱত অংশ গ্ৰহণ কৰে। দলটোৰ তত্ত্বাৱধায়ক আছিল ড° অৰবিন্দ ৰাজখোৱা, ড° বৰ্ণালী বৰা আৰু ৰাতুল কুমাৰ লাহন।

**(৪৫) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ঃ** অসমীয়া বিভাগত ২০২০ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ সভাপতিত্বত 'সকলোৰে বাবে বিজ্ঞান' শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। ছাত্ৰ দেৱাশিষ বুঢ়াগোহাঁয়ে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য আৰু প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰে। সহকাৰী অধ্যাপক ধনৰঞ্জন কলিতা, মুনমী দত্ত, ড° বিশ্ব হাজৰিকা আৰু অসীম শইকীয়াই বিজ্ঞান শিক্ষাৰ যোগেদি সমাজে লাভ কৰিবলগা প্ৰকৃত উপকাৰ সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰা পংকজ মৰাং, পূবালী বৰা, প্ৰিয়ংকা বৰা, কিৰণ দাস, নাচৰিণ আখটাৰ, ৰাখী সোণোৱাল আৰু সঞ্জয় আচাৰ্যই আলোচনাত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ১ মাৰ্চ, ২০২০)

**(৪৬) প্ৰাক্ মুদ্ৰণ প্ৰস্তুতি সম্পৰ্কীয় আলোচনা ঃ** ২০২০ চনৰ ৪ আগষ্টত অসমীয়া বিভাগৰ উদ্যোগত 'প্ৰাক্ মুদ্ৰণ প্ৰস্তুতি' শীৰ্ষক অনলাইন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা আলোচনাত অংশ লয় ড° অসীম চুতীয়া আৰু ৰিণ্টু শইকীয়াই।

**(৪৭) কৰ্মক্ষেত্ৰ আৰু সামাজিক দায়িত্ব সম্পৰ্কীয় আলাপ ঃ** ২০২০ চনৰ ১০ আগষ্টত অসমীয়া বিভাগৰ উদ্যোগত 'আমাৰ কৰ্মক্ষেত্ৰ আৰু সামাজিক দায়িত্ব' শীৰ্ষক অনলাইন আলাপ অনুষ্ঠিত হয়। মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা আলোচনাত অংশ লয় ড° ইলোৱাধা শইকীয়া, কৰুণাকান্ত হাজৰিকা আৰু কল্যাণজ্যোতি হাজৰিকাই।

**(৪৮) 'আমাৰ শিক্ষা আৰু শিক্ষক' শীৰ্ষক আলোচনা ঃ** ২০২০ চনৰ ২৪ আগষ্টত অসমীয়া বিভাগৰ উদ্যোগত 'আমাৰ শিক্ষা আৰু শিক্ষক' শীৰ্ষক অনলাইন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা আৰু সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই আঁত ধৰা আলোচনাত অংশ লয় ড° ব্ৰজেন শৰ্মা আৰু ড° বিমল বসুমতাৰীয়ে।

**(৪৯) 'ডিজিটেল মাধ্যমত অসমীয়া ভাষা' শীৰ্ষক আলোচনা ঃ** ২০২০ চনৰ ২৯ আগষ্টত অসমীয়া বিভাগৰ উদ্যোগত 'ডিজিটেল মাধ্যমত অসমীয়া ভাষা' শীৰ্ষক অনলাইন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা আলোচনাত অংশ লয় ড° দীপকজ্যোতি মহন্ত, ড° প্ৰভাত ভূঞা আৰু ভাস্কৰ ভূঞাই।

**(৫০) ভূপেন হাজৰিকাৰ জন্মদিন ঃ** ২০২০ চনৰ ৮ ছেপ্টেম্বৰত অসমীয়া বিভাগৰ উদ্যোগত অনলাইন মাধ্যমত ভূপেন হাজৰিকাৰ জন্মদিন অনুষ্ঠিত কৰা হয়। মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত বিভাগৰ অধ্যাপকসকলৰ লগতে অংশ লয় দিব্যজ্যোতি দাস, লোকপ্ৰিয়া সন্দিকৈ, নৱজিৎ শইকীয়া, অনুৰাধা গগৈ, শোভাকৃষ্ণ ফুকন, হিমাদ্ৰী বৰা আৰু প্ৰাপ্তিপ্ৰিয়ম বৰাই।


**(৫১) পোনা দেৱী সোঁৱৰণী জননী বঁটা প্ৰদান অনুষ্ঠান ঃ** ২০২১ চনৰ ৮ এপ্ৰিলত অসমীয়া বিভাগত পোনা দেৱী সোঁৱৰণী জননী বঁটা প্ৰদান কৰা হয়। অসমীয়া বিভাগৰ সহযোগত বিশিষ্ট সাহিত্যিক ধনদা দেৱীয়ে প্ৰদান কৰা এই

বঁটা ২০২১ বৰ্ষৰ বাবে লাভ কৰে বিভাগৰ প্ৰাক্তন ছাত্ৰ দেৱাশিস বুঢ়াগোহাঁইৰ মাতৃ ঘিলামৰাৰ ৰুণু শইকীয়াই। সভাখন সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ কনিষ্ঠ শাখাৰ উপাধ্যক্ষ ৰঞ্জন কুমাৰ বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ জ্যেষ্ঠ উপাধ্যক্ষ ড° দুদুমণি ভুএগ্রাই অভ্যাগত সকলোকে আদৰণি জনায়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থকা ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী গগৈ, দৰ্শন বিভাগৰ সহকাৰী অধ্যাপিকা ড° বৰ্ণালী বৰা, দেৱপ্ৰসাদ কাকতি আদি ব্যক্তিয়ে বক্তব্য প্ৰদান কৰে। সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা, সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, অসীম শইকীয়াৰ লগতে কেইবাগৰাকীও গৱেষক উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ৯ এপ্ৰিল, ২০২১)

**(৫২) গুৱাহাটী প্ৰেছ ক্লাৱত গ্ৰন্থ উন্মোচনী অনুষ্ঠান ঃ** ২০২১ চনৰ ৩০ ছেপ্টেম্বৰত অসমীয়া বিভাগৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাৱত এক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। লেখক-সাংবাদিক পংকজ দত্তই আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। অসমীয়া বিভাগে প্ৰকাশ কৰা 'অসমীয়া প্ৰকৃতি সাহিত্য আৰু সৌম্যদ্বীপ দত্ত' নামৰ গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে। এইখন গ্ৰন্থ সম্পাদনা কৰিছে ড° অৰবিন্দ ৰাজখোৱাই। বিভাগে প্ৰকাশ কৰা তথা ভাস্কৰ ভুএগ্রাই সম্পাদনা কৰা 'বৰগোহাঞি চৰ্চা' নামৰ গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট গদ্য লেখক ময়ূৰ বৰাই। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ১ অক্টোবৰ, ২০২১)

**(৫৩) গৱেষণা প্ৰকল্পৰ আৰম্ভণি অনুষ্ঠান ঃ** ২০২১ চনৰ

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে আয়োজিত এটি অনুষ্ঠানত উক্ত সঞ্চালকালয়ৰ সঞ্চালক ড° সংগীতা গগৈ।। ৭ নৱেম্বৰ, ২০২৪



২১ অক্টোবৰত অসমীয়া বিভাগ আৰু কলকাতাৰ ছেইন্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ যৌথ উদ্যোগত অনুষ্ঠিত এখন সভাত মিচিং লোক-সংস্কৃতি সম্পৰ্কীয় এক গৱেষণা-প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। উক্ত গৱেষণা-প্ৰকল্পটোৰ মুখ্য গৱেষক হ'ল ড° শেখ মকবুল ইছলাম। ইংৰাজী ভাষাত লিখি থকা এই প্ৰকল্পটোৰ প্ৰতিবেদন দুয়োখন কলেজৰ উদ্যোগত কলকাতাৰপৰা প্ৰকাশ কৰা হ'ব। এই অনুষ্ঠানতে ড° শেখ মকবুল ইছলামে প্ৰণয়ন কৰা 'বাংলা-অসম ঃ বিদ্যায়তনিক-সাংস্কৃতিক বিনিময়' নামৰ গ্ৰন্থখন উন্মোচন কৰে অধ্যক্ষ ডঃ বিমান চন্দ্ৰ চেতিয়াই। এই গ্ৰন্থখনত মূলতঃ ২০১৯ চনৰপৰা দুয়োখন কলেজৰ মাজত হোৱা বুজাবুজিৰ চুক্তিৰ পাছত সম্পন্ন হোৱা বিদ্যায়তনিক কাৰ্যাৱলী সম্পৰ্কে বিশদভাৱে লিখা হৈছে। একেটা অনুষ্ঠানতে কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিষয়টোত পোনপ্ৰথম উচ্চশিক্ষা আৰম্ভ হোৱাৰ নেপথ্যত জড়িত থকা মূল চাৰিগৰাকী ব্যক্তিৰ একোখনকৈ ছবি আজি অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীকক্ষত সংস্থাপিত কৰা হয়। তেওঁলোক হ'ল ক্ৰমে ছাৰ আশুতোষ মুখাৰ্জী, হেমচন্দ্ৰ গোস্বামী, ভোলানাথ বৰুৱা আৰু অম্বিকানাথ বৰা। সভাখনৰ আঁত ধৰে মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই।

**(৫৪) 'স্ব-নিয়োজনৰ উদ্ভাৱনী ক্ষেত্ৰ আৰু সম্ভাৱনা'** শীৰ্ষক **বক্তৃতানুষ্ঠান** ঃ ২০২১ চনৰ ২ নৱেম্বৰত অসমীয়া বিভাগত বিশিষ্ট বিজ্ঞানী পদ্মশ্ৰী ড° উদ্ধৱ কুমাৰ ভৰালীয়ে 'স্ব-নিয়োজনৰ উদ্ভাৱনী ক্ষেত্ৰ আৰু সম্ভাৱনা' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই অনুষ্ঠানটি সঞ্চালনা কৰে। সমল ব্যক্তি হিচাপে ড° উদ্ধৱ কুমাৰ ভৰালীয়ে এটি ব্যৱহাৰিক মূল্যসম্পন্ন মূল্যৱান বক্তৃতা প্ৰদান কৰে। তেওঁ কয় যে, কলা, বাণিজ্য বা বিজ্ঞান — এইধৰণৰ বিভাজনসমূহ কেৱল আনুষ্ঠানিক শিক্ষাৰ ডিগ্ৰী ল'বৰ বাবেহে থাকে। স্বাৱলম্বী হ'বৰ বাবে বা উদ্ভাৱনৰ ক্ষেত্ৰখনত তেনে বিভাজনৰ কোনো গুৰুত্ব নাই। বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, পৰেশ খনিকৰ আৰু অসীম শইকীয়াই এই অনুষ্ঠানত ভাগ লয়।

**(৫৫) প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন** ঃ ২০২১ চনৰ ২৪ ডিচেম্বৰত অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ এক সন্মিলন অনুষ্ঠিত হয়। মূল অনুষ্ঠানটোৰ আঁত ধৰে বিভাগৰ প্ৰাক্তন ছাত্ৰ বিতু বড়াই। আদৰণি ভাষণ প্ৰদান কৰে বিভাগৰ প্ৰাক্তন ছাত্ৰ পৰেশ খনিকৰে। অসমীয়া বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতাই এই সভাৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গৌতম কাকতি। এই সন্মিলনত দুগৰাকী বিশিষ্ট অনুবাদকক দুখন বিশেষ গ্ৰন্থ অনুবাদৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁলোক হৈছে চাৰ্লছ ডাৰউইনৰ 'প্ৰজাতিৰ উৎপত্তি' গ্ৰন্থৰ অনুবাদৰ বাবে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অমিয়া ৰাজবংশী আৰু নিউটনৰ 'প্ৰিন্সিপিয়া ঃ প্ৰাকৃতিক দৰ্শনৰ গাণিতিক নীতি' গ্ৰন্থৰ অনুবাদৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জয়ন্ত কুমাৰ শৰ্মাক এই অনুষ্ঠানত সন্মান জনোৱা হয়। ২০২১ বৰ্ষৰ পদ্মনাথ গোহাঞিবৰুৱা বঁটা লাভ কৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাকো এই সভাত সম্বৰ্ধনা জনোৱা হয়। অসমীয়া বিভাগৰ স্নাতকোত্তৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰা অসমীয়া বিভাগৰ ইতিহাস সংকলিত গ্ৰন্থ 'নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ' গ্ৰন্থখন এই সভাতে উন্মোচন কৰা হয়। উন্মোচক আছিল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মুকুন্দ ৰাজবংশী। এই সভাতে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা লিলি চেলেং, শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক বাণীকান্ত কোঁৱৰ আৰু লখিমপুৰৰ সাংবাদিক শৈলেন বৰুৱা উপস্থিত থাকি নিজা অনুভৱ ব্যক্ত কৰে। এই শৈক্ষিক সন্মিলনখনিৰ পিছতে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভাগৰ শিক্ষাগুৰুসকলক সম্বৰ্ধনা জনোৱাৰ লগতে অসমীয়া বিভাগৰ বিভাগীয় পুথিভঁৰাললৈ এটি গ্ৰন্থৰ টোপোলা আগবঢ়ায়। এই সভাখনত সভাপতিৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। চেতিয়াই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ২৬ ডিচেম্বৰ, ২০২১)

**(৫৬) সতীৰ্থৰ অন্তৰংগ আলাপ** ঃ ২০২২ চনৰ ২৯ ডিচেম্বৰত অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থীৰ অন্তৰংগ আলাপৰ অনুষ্ঠান এটি সম্পন্ন হয়। এই শিক্ষাৰ্থীসকল অসম কলেজ শিক্ষক সংস্থাৰ ৬৭তম অধিৱেশনত ভাগ ল'বলৈ আহিছিল। ক্ৰমে- প্ৰশান্ত দাস (কলাবাৰী কলেজ), ধ্ৰুৱ কুমাৰ সৰ্দাৰ (ডি.আৰ. কলেজ), ড° সুনীল সন্দিকৈ (এইচ.পি.বি. গাৰ্লচ কলেজ), ড° ভাস্কৰজিৎ বৰা (এল.টি.কে. কলেজ), ড° দীপকজ্যোতি মহন্ত (গোৰেশ্বৰ কলেজ), ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই (দুলীয়াজান কলেজ), ড° ৰণদ্বীপ বৰা (এল.টি.কে. কলেজ), ড° পৰেশ খনিকৰ (নাহৰকটীয়া কলেজ), চন্দনজ্যোতি চুতীয়া (দমদমা কলেজ), সমুজ্জ্বল শইকীয়া (মৰিগাঁও কলেজ), ডন সোণোৱাল (দুধনৈ কলেজ), চয়নিকা বৰা (গোগামুখ কলেজ), লেখিকা গগৈ (সাপটগ্ৰাম কলেজ), সঞ্জয় আচাৰ্য (কমাৰগাঁও কলেজ) আৰু ৰাজীৱ হাজৰিকা

(ৰঙাচাহী কলেজ)।

**(৫৭) পিএইচ. ডি. পাঠ্যক্ৰমৰ আৰম্ভণি ঃ** ২০২২ চনৰ ২৯ এপ্ৰিলত অসমীয়া বিভাগত পিএইচ. ডি. পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰা হয়। সেই উপলক্ষ্যে আয়োজিত এক অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ বিশিষ্ট শিক্ষাবিদ ড° মুকুন্দ ৰাজবংশীয়ে কয়— 'নৰ্থ লখিমপুৰ কলেজৰ ইতিহাসত আজি এটা ৰেড লেটাৰ ডে' অসমৰ মহাবিদ্যালয়সমূহৰ ইতিহাসত প্ৰথমবাৰৰ বাবে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত পিএইচ. ডি.ৰ পাঠ্যক্ৰম আৰম্ভ হয়। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই মূল সভাখন সঞ্চালনা কৰে। সভাত ড° মুকুন্দ ৰাজবংশীয়ে গৱেষকসকলক উদ্দেশ্যি এটি সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। মহাবিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰক ড° চন্দ্ৰ মানচেই গৱেষণাৰ আনুষ্ঠানিকতা সম্পৰ্কীয় নিৰ্দেশনাসমূহ ব্যাখ্যা কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ বাণীকান্ত কোঁৱৰে এটি আদৰণি সূচক বক্তৃতা প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম গণিত একাডেমীৰ সভাপতি ড° ৰামচন্দ্ৰ ডেকা। (তথ্য উৎস ঃ 'দ্য ছেণ্টিনেল', ৩ মে', ২০২২)

**(৫৮) কলকাতাত গ্ৰন্থ উন্মোচনী অনুষ্ঠান ঃ** ২০২২ চনৰ ১৩ জুলাইত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু কলকাতাৰ ছেইণ্ট প'লছ কেথেড্ৰেল মিচন কলেজৰ যৌথ উদ্যোগত কলকাতাত এক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ সভাগৃহত অনুষ্ঠিত উক্ত সভাত নৰ্থ লখিমপুৰ কলেজৰ গৱেষক পূবালী বৰা আৰু শোভাকৃষ্ণা ফুকনৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ আৰু নৰ্থ লখিমপুৰ কলেজৰ যৌথ উদ্যোগত উক্ত গ্ৰন্থ দুখন প্ৰকাশ কৰা হৈছে। শোভাকৃষ্ণাৰ 'অসমীয়া সাহিত্যৰ পুৰাকথা, ব্যংগ আৰু অন্যান্য প্ৰসঙ্গ' নামৰ গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট অনুবাদক বাসুদেৱ দাসে। পূবালী বৰাৰ 'সাহিত্য আৰু সংস্কৃতি অধ্যয়ন' নামৰ গ্ৰন্থখন উন্মোচন কৰে উক্ত কলেজৰ বাংলা বিভাগৰ প্ৰাক্তন মুৰব্বী বিনায়ক ভট্টাচাৰ্যই। সভাখনত আদৰণি ভাষণ প্ৰদান কৰে ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ অধ্যাপক ড° শুভেন্দু কাঞ্জীলালে। সভাত গীত পৰিৱেশন কৰে সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা অনিন্দিতা সৰকাৰে। দুয়োখন কলেজে ২০১৯ চনত সম্পন্ন কৰা বুজাবুজিৰ চুক্তিৰ জৰিয়তে হোৱা বিভিন্ন কাৰ্যাৱলী আৰু ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰে ক্ৰমে ড° অৰবিন্দ ৰাজখোৱা, ড° ঋতজা ভট্টাচাৰ্য, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, প্ৰমা পাল, ড° শুভদীপ সৰকাৰ আদিয়ে। এই আলোচনাৰ অন্তত ২০২৩ চনত মধ্যযুগৰ ভাৰতীয় ভক্তি আন্দোলন বিষয়ক এখন ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। (তথ্য উৎস ঃ 'অসমীয়া প্ৰতিদিন', ১৪ জুলাই, ২০২২)

**(৫৯) গ্ৰন্থ উন্মোচনী অনুষ্ঠান ঃ** ২০২২ চনৰ ১২ ছেপ্টেম্বৰত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত এক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ বৰাই। অধ্যাপক যোগেন তামুলীৰ পৰিয়ালৰ সহযোগত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ উচ্চ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে দিব্যলক্ষী সেনাপতি (নৰ্থ লখিমপুৰ কলেজ), ডিম্পল হাজৰিকা, (বি.বৰুৱা কলেজ) আৰু জয়শ্ৰী নেওগ (সন্দিকৈ ছোৱালী মহাবিদ্যালয়)। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ক্ৰমে নৰ্থ লখিমপুৰ কলেজৰ কেশৱ চাউ আৰু বিবেকানন্দ গগৈয়ে। নিম্ন শাখাত স্থান লাভ কৰে ক্ৰমে কংকণা শইকীয়া (খৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়), লিপিকা বৰা (নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু জিজ্ঞাসা প্ৰিয়ম দত্ত (ব্ৰিলিয়াণ্ট একাডেমী)। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ৰিজলিউশ্বন একাডেমীৰ দেৱযানী শইকীয়াই। আজিৰ অনুষ্ঠানতে অসমীয়া বিভাগৰ ছাত্ৰী আকাংক্ষা তামুলীৰ 'পোহৰ প্ৰয়াসী পক্ষী' নামৰ এখন উপন্যাস উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ধনদা দেৱীয়ে। দুয়োটা কাৰ্যসূচীতে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ধনৰঞ্জন কলিতা, ড° হেমন্ত শৰ্মা, ড° ধীৰাজ পাটৰ, মুনমী দত্ত, ড° বৰ্ণালী বৰা আদি। লালুক কলেজৰ সহকাৰী অধ্যাপিকা ৰীতা ভূঞাকে ধৰি ভালেসংখ্যক অতিথিও উপস্থিত থাকে। (তথ্য উৎস ঃ 'অসম আদিত্য', ১৩ ছেপ্টেম্বৰ, ২০২২)

**(৬০) হীৰেন গোহাঁইৰ ৰচনাৱলী উন্মোচন ঃ** ২০২২ চনৰ ২৭ ডিচেম্বৰত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত এক গ্ৰন্থ উন্মোচনী সভাত 'হীৰেন গোহাঁই ৰচনাৱলী' (তৃতীয় খণ্ড) উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ দীপিকা বৰগোহাঞিয়ে। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটোত লখিমপুৰৰ বিশিষ্ট ব্যক্তি আৰতি গোহাঁই দুৱৰা উপস্থিত থাকি হীৰেন গোহাঁইৰ নিৰ্ভীকতাৰ কথা প্ৰকাশ কৰি তেওঁৰ ৰচনাৰ বিষয়-বৈচিত্ৰ্য সম্পৰ্কে মন্তব্য দিয়ে। গ্ৰন্থ উন্মোচনীৰ লগত সংগতি ৰাখি সন্ধিয়ালৈ নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলাৰ বাকৰিত 'হীৰেন গোহাঁই আৰু তেওঁৰ সমসাময়িক সময়' শীৰ্ষক এটি অনুষ্ঠান আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ সাহিত্য আৰু



বিশ্বনাৰায়ণ শাস্ত্ৰী স্মাৰক চতুৰ্থ বক্তৃতা প্ৰদান কৰিছে ড° পৰমানন্দ মজুদাৰে। ২০২৪ চন।

আলোচনী শাখাৰ সম্পাদক ধৰিত্ৰী বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই হীৰেন গোহাঁইৰ জীৱন আৰু কৃতি সম্পৰ্কে দু-আষাৰ কয়। মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ৰাতুল কুমাৰ লাহন, অসমীয়া বিভাগৰ অধ্যাপক ড° ধীৰাজ পাটৰ, নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° পৰেশ খনিকৰে অসমীয়া জাতীয় জীৱনত হীৰেন গোহাঁইৰ চিন্তাৰ গুৰুত্বৰ কথা বিৰৰি কয়। অনুষ্ঠানটোত অসমীয়া বিভাগৰ গৱেষক পূবালী বৰা, কৃপাৰেখা গগৈ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ কেশৰ চাউৰে নৱ- প্ৰজন্মৰ মাজত হীৰেন গোহাঁইৰ সাহিত্যৰ প্ৰতি থকা আগ্ৰহ সম্পৰ্কে নিজা মত প্ৰকাশ কৰে। (তথ্য উৎস ঃ 'নিয়মীয়া বাৰ্তা', ২৯ ডিচেম্বৰ, ২০২২)

**(৬১) শিল্পী দিৱস ঃ** ২০২৩ চনৰ ১৭ জানুৱাৰীত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত শিল্পী দিৱস উপলক্ষ্যে এখন সভা অনুষ্ঠিত হয়। বিভাগৰ শিক্ষকসকলৰ লগতে গৱেষক আৰু ছাত্ৰীসকলে ইয়াত অংশ লয়।

**(৬২) আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস ঃ** ২০২৩ চনৰ ২১ ফেব্ৰুৱাৰীত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু অসম সাহিত্য সভাৰ 'নৰ্থ লখিমপুৰ কলেজ শাখা'ৰ যৌথ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস অনুষ্ঠিত হয়। সেই উপলক্ষে 'শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' শীৰ্ষক এখনি আন্তঃ বিভাগ বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। প্ৰতিযোগিতাখনৰ বিচাৰকৰ আসন গ্ৰহণ কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু উত্তৰ লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক কুসুম্বৰ চেতিয়াই। প্ৰতিযোগিতা খনিত প্ৰথম স্থান লাভ কৰে হিন্দী বিভাগৰ ছাত্ৰী শিল্পী ৰাণী বৰাই, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে অসমীয়া বিভাগৰ ছাত্ৰ পৰাগজ্যোতি গগৈ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ কেশৰ চাউৰে। অনুষ্ঠানটোৰ সঞ্চালক তথা অসমীয়া বিভাগৰ অধ্যাপক ড° ধীৰাজ পাটৰে মাতৃভাষা সম্পৰ্কত তেওঁৰ বক্তব্য দাঙি ধৰে। মাতৃভাষাৰ সংকট আৰু সম্ভাৱনা সম্পৰ্কে ড° ধনৰঞ্জন কলিতা আৰু কুসুম্বৰ চেতিয়াৰ লগতে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ অংশকালীন অধ্যাপক প্ৰকাশজ্যোতি শইকীয়াই ব্যক্তিগত মন্তব্য আগবঢ়ায়।

**(৬৩) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ঃ** ২০২৩ চনৰ ২৮ ফেব্ৰুৱাৰীত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু নেচাৰ্চ বেকনৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। সেই উপলক্ষ্যে কনফাৰেন্স হলত এখন আলোচনা চক্ৰৰ আয়োজন কৰা হয়। বিষয় 'প্ৰকৃতি সুৰক্ষাত বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তা'। অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ সম্পাদক দেৱব্ৰত শইকীয়াই। সভাখনত সভাপতিত্ব কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। 'প্ৰকৃতি সুৰক্ষাত বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তা' শীৰ্ষক অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাখনৰ ফলাফলো আজি এই অনুষ্ঠানতে ঘোষণা কৰা হয়। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় ক্ৰমে-- মৰিয়নি মহাবিদ্যালয়ৰ নাঙমু

বুঢ়াগোহাঁই, নৰ্থ লখিমপুৰ কলেজৰ দিব্যজ্যোতি শইকীয়া আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰান্তপ্ৰতিম বড়াই। আলোচনা চক্ৰখনিত প্ৰকৃতি সুৰক্ষাত বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিভাগৰ শিক্ষাৰ্থী ক্ৰমে— ধৰিত্ৰী বৰুৱা, চিৰঞ্জীৱ গগৈ, দিব্যজ্যোতি শইকীয়া, মহানন্দ শইকীয়া, ৰুনমী শইকীয়া আৰু পৰাগ গগৈয়ে নিজা অভিমত ব্যক্ত কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধনৰঞ্জন কলিতা, মুন্‌মী দত্ত আৰু ড° ধীৰাজ পাটৰেও বিজ্ঞান জনপ্ৰিয়কৰণৰ পন্থাৰ মাজেদি কিদৰে বৈজ্ঞানিক মানসিকতা গঢ় দিব পাৰি সেই সম্পৰ্কত কিছু কথা প্ৰকাশ কৰে।

**(৬৪) চলচ্চিত্ৰ সম্পৰ্কীয় আলোচনা ঃ** ২০২৩ চনৰ ৪ মাৰ্চত আজি নৰ্থ লখিমপুৰ কলেজ চিনে ক্লাবৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত 'প্ৰথম বিশ্বযুদ্ধ, সাহিত্য আৰু চিনেমা' শীৰ্ষক এক আলোচনা অনুষ্ঠান সম্পন্ন হয়। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত প্ৰথম বিশ্বযুদ্ধই কিদৰে বিশ্বৰ সমাজ-সংস্কৃতি তথা ৰাজনীতিৰ লগতে সাহিত্যকো প্ৰভাৱিত কৰিছিল সেই বিষয়ে আলোচিত হয়। মানুহৰ মনত জীৱন আৰু জগত সম্পৰ্কীয় চেতনাও এই বিশ্বযুদ্ধই সলনি কৰিছিল। আলোচনা প্ৰসঙ্গত দিগন্ত ওজা প্ৰণীত 'প্ৰথম মহাসমৰ' গ্ৰন্থখনৰ কথা উল্লেখ হয়। '১৯১৭' (পৰিচালক: Sam Mendes)ৰ দৰে চলচ্চিত্ৰৰ মাজত প্ৰকাশ পোৱা বাস্তৱতাৰ বিষয়ে আলোচিত হয়। বিশেষভাৱে আলোচিত হয় 'All Quite on Western Front' (পৰিচালক: Edward Berger) নামৰ চিনেমাখনৰ বিষয়ে। ২০২২ চনৰ ছেপ্টেম্বৰত মুক্তি পোৱা এই চিনেমাই জাৰ্মানসকলৰ দৃষ্টিৰে যুদ্ধখনৰ বহুমাত্ৰিক ভয়াবহতা উপস্থাপন কৰিছে। এৰিক মাৰিয়া ৰিমাৰ্কৰ একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মিত চলচ্চিত্ৰখনৰ অংশ বিশেষ উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰদৰ্শনো কৰা হয়।

**(৬৫) 'এচিয়াটিক চ'ছাইটি অৱ বেংগল'ত সভা ঃ** ২০২৩ চনৰ ২৮ মাৰ্চত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কলকাতাস্থিত এছিয়াটিক চ'ছাইটিৰ বিদ্যাসাগৰ সভাগৃহত অনুষ্ঠিত এখন সভাত অংশ লয়। তাত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি গ্ৰন্থাগাৰিক ড° প্ৰীতম গুৰেই এক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটোৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত অংশ লয় জ্যেষ্ঠ গ্ৰন্থাগাৰ তথ্য বিষয়া স্বপ্নীল চেটাৰ্জীয়ে। গ্ৰন্থ সংৰক্ষণৰ পদ্ধতিসমূহৰ বিষয়ে হাতেকামে প্ৰাথমিক শিক্ষণ প্ৰদান কৰে সংৰক্ষণ বিষয়া আৰ. সিনহাই। গ্ৰন্থৰ ডিজিটাইজেশ্বন সম্পৰ্কে শিক্ষণ প্ৰদান কৰে সৈকত পালে। আন কেইবাগৰাকীও বিষয়ববীয়া তথা কৰ্মচাৰীয়ে সংগ্ৰহালয়, দুষ্প্ৰাপ্য গ্ৰন্থৰ পুথিভঁৰাল আদি বিষয়ে বক্তৃতা দিয়ে আৰু ছাত্ৰ-ছাত্ৰীসকলক দেখুৱায়। গ্ৰন্থাগাৰিক ড° প্ৰীতম আৰু গ্ৰন্থাগাৰ বিষয়া চেটাৰ্জিক বিভাগৰ তৰফৰপৰা একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় বিভাগৰ সহকাৰী অধ্যাপক মুন্‌মী দত্ত আৰু প্ৰকাশজ্যোতি শইকীয়াই।

**(৬৬) বিশ্ব কবিতা দিৱস উদযাপন ঃ** ২০২৩ চনৰ ১১ এপ্ৰিলত অসমীয়া বিভাগত বিশ্ব কবিতা দিৱস উপলক্ষে কবিতা সম্পৰ্কীয় এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলে এই অনুষ্ঠানত অংশ লয়।

**(৬৭) অভিভাৱক সন্মিলন ঃ** ২০২৩ চনৰ ২০ এপ্ৰিলত অসমীয়া বিভাগত প্ৰথমবাৰৰ বাবে পূৰ্ণাঙ্গ পৰ্যায়ত অভিভাৱক সন্মিলন অনুষ্ঠিত হয়। বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় ১৮০ গৰাকী অভিভাৱকে ইয়াত অংশ লয়। সন্মিলনৰ প্ৰথম সত্ৰত প্ৰত্যেকটো শ্ৰেণীৰ অভিভাৱকসকলৰ লগত সংশ্লিষ্ট শ্ৰেণীৰ শ্ৰেণী শিক্ষকে শিক্ষাৰ্থীৰ উত্তৰণ, সমস্যা, সম্ভাৱনা আদিৰ বিষয়ে ব্যক্তিগতভাৱে মুখামুখিকৈ কথা পাতে। পৰৱৰ্তী সময়ত অনুষ্ঠিত হয় মুকলি সভা। বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সভাপতিত্ব কৰা এই সভাত অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই ইয়াত আদৰণি ভাষণ প্ৰদান কৰে। অভিভাৱকত্ব সম্পৰ্কে বক্তৃতা প্ৰদান কৰে নিমন্ত্ৰিত বক্তা কৃতী শিক্ষক ভৰত ৰাজখোৱাই। সভাখনত শেহতীয়া পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা প্ৰতিটো ষান্মাসিকৰ একোগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানটো আঁত ধৰে সহকাৰী অধ্যাপিকা মুন্‌মী দত্তই। সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মাই অভিভাৱকসকলক উদ্দেশ্যি বক্তৃতা প্ৰদান কৰে।

**(৬৮) জননী বঁটা প্ৰদান অনুষ্ঠান ঃ** ২০২৩ চনৰ ১৩ মে'ত অসমীয়া বিভাগত চলিত বৰ্ষৰ 'পোনা দেৱী সোঁৱৰণী জননী বঁটা' প্ৰদান কৰা হয়। এই বৰ্ষৰ বঁটাটি লাভ কৰে ছাত্ৰ নৰকান্ত বৰুৱাৰ মাতৃ প্ৰবিত্ৰা বৰুৱাই। সভাখনত সভাপতিত্ব কৰে ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটোত বঁটাৰ দাতা ধনদা দেৱী আৰু মুখ্য অতিথি তথা লখিমপুৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপক প্ৰণীতা বৰদলৈ আৰু বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতাই বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিকৰ মেধাৱী ছাত্ৰী কংকনা বাৰিকক অসমীয়া বিভাগৰ সাহায্য পুঁজিৰপৰা জলপানি প্ৰদান কৰা হয়। বিভাগৰ অধ্যাপক মুন্‌মী দত্ত ৰাজখোৱা, ধীৰাজ পাটৰ আৰু

প্ৰকাশজ্যোতি শইকীয়াকে ধৰি বিভাগৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৬৯) ভোলানাথ বৰুৱাৰ মৃত্যু শতবৰ্ষ ঃ** ২০২৩ চনৰ ৩০ মে'ত অসমীয়া বিভাগত ভোলানাথ বৰুৱাৰ মৃত্যু শতবৰ্ষ উপলক্ষ্যে এক অনুষ্ঠান সম্পন্ন হয়।। অনুষ্ঠানত ড° অৰবিন্দ ৰাজখোৱাই 'ঔপনিৱেশিক অসমৰ সমাজ-ৰাজনৈতিক প্ৰেক্ষাপট আৰু ভোলানাথ বৰুৱা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী অধ্যাপক প্ৰকাশজ্যোতি শইকীয়াই আৰু সভাপতিত্ব কৰে সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই। আলোচনা-চক্ৰৰ আন এগৰাকী সমল ব্যক্তি ড° ধীৰাজ পাটৰে ঊনবিংশ শতিকাৰ সময়ছোৱাত ইংলেণ্ডৰ অৰ্থনৈতিক ব্যৱস্থাৰ আধাৰত অসমত ন-কৈ গঢ় লৈ উঠা বাণিজ্যিক প্ৰেক্ষাপটৰ বিষয়ে কিছু কথা ব্যক্ত কৰে। অনুষ্ঠানটোত সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মা, মুন্‌মী দত্তৰ লগতে ভালেসংখ্যক গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। (তথ্য উৎস ঃ 'দ্য ছেন্টিনেল', ১ জুন, ২০২৩)


**(৭০) ভবেন্দ্ৰনাথ শইকীয়াৰ স্মৃতি দিৱস ঃ** ২০২৩ চনৰ ১৪ আগষ্টত অসমীয়া বিভাগত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ স্মৃতি দিৱস উপলক্ষ্যে এখন সভা অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক প্ৰকাশজ্যোতি শইকীয়াই আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। ভবেন্দ্ৰনাথ শইকীয়াৰ জীৱন আৰু সাহিত্য কৰ্মৰ বিষয়ে ধৰিত্ৰী বৰুৱা, ইন্দিকা গগৈ, শ্ৰীমন্ত হাজৰিকা, দিব্যজ্যোতি শইকীয়া, ঋতুৰাজ শইকীয়া, মহানন্দ শইকীয়া, স্বপ্নালী শইকীয়া, প্ৰাচুৰ্যা বৰা, পুলকেশ বৰুৱা আৰু ধৰিত্ৰী চুতীয়াই বক্তব্য আগবঢ়ায়। অসমীয়া বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, মুন্‌মী দত্ত ৰাজখোৱা, গৱেষকসকল আৰু বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল অনুষ্ঠানটোত উপস্থিত থাকে।

**(৭১) 'দীনবন্ধু' চলচ্চিত্ৰ প্ৰদৰ্শন ঃ** ২০২৩ চনৰ ২৩ আগষ্টত অসমীয়া বিভাগত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ কাহিনীৰে নিৰ্মিত'দীনবন্ধু' চিনেমাখন প্ৰদৰ্শন কৰা হয়। চিনেমাখন প্ৰদৰ্শন কৰাৰ আগত ড° অৰবিন্দ ৰাজখোৱাই চলচ্চিত্ৰৰ গতি-প্ৰকৃতি সামৰি এটি চমু বক্তব্য ৰাখে।

**(৭২) ড° ভূপেন হাজৰিকাৰ জন্মদিন উদ্‌যাপন ঃ** ২০২৩ চনৰ ৮ ছেপ্টেম্বৰত অসমীয়া বিভাগত ড° ভূপেন হাজৰিকাৰ জন্ম দিৱস উদযাপন কৰা হয়। এইবাৰ এই অনুষ্ঠানত ভূপেন হাজৰিকা সম্পৰ্কীয় বিভিন্ন ভাষাৰ (যেনে— অসমীয়া, ইংৰাজী, হিন্দী, বাংলা আদি) কাকত আলোচনীৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া বিভাগৰ আলোচনী **১৭শ** সংখ্যাটো উন্মোচন কৰা হয়। ড° ভূপেন হাজৰিকাৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি এক বক্তৃতা প্ৰতিযোগিতা আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্বত থাকে অৰ্থনীতি বিভাগৰ প্ৰবক্তা ড° ৰাতুল কুমাৰ লাহন আৰু অসমীয়া বিভাগৰ প্ৰবক্তা ড° ধীৰাজ পাটৰ। বক্তৃতা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে, অসমীয়া বিভাগৰ বিবেকানন্দ গগৈ, দিব্যজ্যোতি শইকীয়া আৰু স্বপ্নীল দত্ত ব্যাসে। ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা সাংস্কৃতিক কাৰ্যসূচী এটি ভূপেন্দ্ৰ সংগীতেৰে শুভাৰম্ভণি কৰে ইংৰাজী বিভাগৰ হিমাক্ষী চেতিয়াই। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° জিতেন দত্ত, ড° ধনৰঞ্জন কলিতা, মুন্‌মী দত্ত, বিভাগৰ গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৭৩) চলচ্চিত্ৰ সমাৰোহ ঃ** ২০২৩ চনৰ ৩০ ছেপ্টেম্বৰত অসমীয়া বিভাগত নৰ্থ লখিমপুৰ কলেজ চিনে ক্লাব আৰু অসমীয়া বিভাগৰ সহযোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত 'মৃণালকান্তি দাস সোঁৱৰণি চলচ্চিত্ৰ সমাৰোহ' আয়োজিত হয়। চিনে ক্লাবৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই এই অনুষ্ঠানটো পৰিচালনা কৰে। মৃণালকান্তি দাসৰ সোঁৱৰণিত আয়োজিত এই অনুষ্ঠানটোৰ প্ৰতি দাসৰ পত্নী ৰুবী কটকী দাসেও শুভেচ্ছামূলক বাৰ্তা প্ৰেৰণ কৰিছে। এই শুভেচ্ছাবাণী পাঠ কৰে অসমীয়া বিভাগৰ ছাত্ৰী আকাংক্ষা তামুলীয়ে।

**(৭৪) 'সাম্প্ৰতিক প্ৰেক্ষাপটত নাটকৰ সামাজিক ভূমিকা' শীৰ্ষক আলোচনা-চক্ৰ ঃ** ২০২৩ চনৰ ৯ নৱেম্বৰত অসমীয়া বিভাগত 'সাম্প্ৰতিক প্ৰেক্ষাপটত নাটকৰ সামাজিক ভূমিকা' শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰা এই আলোচনা-চক্ৰৰ উদ্বোধন কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। নাটকৰ সামাজিক ভূমিকা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে বিশিষ্ট নাট্যশিল্পী ৰবিজিতা গগৈয়ে। আলোচনা-চক্ৰৰ সহ আয়োজক ফুলবাৰীৰ অভিনৰ নাট্য প্ৰকল্পৰ সঞ্চালক তথা বিশিষ্ট নাট্যশিল্পী দয়ালকৃষ্ণ নাথে অসমীয়া সমাজৰ সাংস্কৃতিক অৱক্ষয়ৰ বিভিন্ন দিশ সম্পৰ্কে কয়। আন এগৰাকী সমল ব্যক্তি বাংলাদেশৰ বিশিষ্ট নাট পৰিচালিকা তথা অভিনেত্ৰী শ্বামীমা আক্তাৰ মুক্তাই তেওঁৰ দেশত কিদৰে সামাজিক ভাবনা পৰিৱৰ্তনত ভূমিকা গ্ৰহণ কৰিছে সেই বিষয়ে আলোচনা কৰে। অনুষ্ঠানত উপস্থিত




ড° অমলেন্দু গুহৰ জন্ম শতবৰ্ষ উপলক্ষ্যে অসমীয়া বিভাগে আয়োজন কৰা অনুষ্ঠানত বক্তৃতা প্ৰদান কৰিছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন কুমাৰ শৰ্মাই । ২০২৪ চন।

থকা বাংলাদেশৰ সংবাদকৰ্মী মুজিবুল হকেও বক্তব্য আগবঢ়ায়। ড° ধনৰঞ্জন কলিতা, মুনমী দত্ত, ড° ধীৰাজ পাটৰ আদিকে ধৰি নৰ্থ লখিমপুৰ কলেজৰ ভালেসংখ্যক অধ্যাপক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। (তথ্য উৎস ঃ ‘অসম আদিত্য’, ১০ নৱেম্বৰ, ২০২৩)

**(৭৫) ড° হীৰেন গোহাঁইৰ সৈতে আলাপৰ অনুষ্ঠান ঃ** ২০২৩ চনৰ ২৮ নৱেম্বৰত অসমৰ বিশিষ্ট বুদ্ধিজীৱী তথা সাহিত্যিক ড° হীৰেন গোহাঁইৰ সৈতে এটি অন্তৰংগ আলাপৰ অনুষ্ঠান সম্পন্ন হয়। মূলতঃ সাম্প্ৰতিক শিক্ষা আৰু সমাজক কেন্দ্ৰ কৰি অনুষ্ঠিত আলাপৰ সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই আদৰণিসূচক বক্তব্য আগবঢ়ায়। নিজৰ ভাষণত ড° হীৰেন গোহাঁয়ে সাম্প্ৰতিক প্ৰেক্ষাপটত শিক্ষাৰ মান কেনেধৰণে নিম্নগামী হৈছে সেই সম্পৰ্কে আলোকপাত কৰে। শিক্ষা ব্যৱস্থাৰ পৰা যে সমাজ আৰু ৰাজনীতি বিচ্ছিন্ন নহয় সেইটো সকলোকে অনুধাৱন কৰিবলৈ কয়। পৌৰাণিক কাহিনী নতুবা ইতিহাসৰ প্ৰতি সন্মান জনাই তেওঁ কয় যে বৰ্তমানটো শক্তিশালী কৰিবলৈ হ'লে পুৰণিৰ বিকৃত ব্যাখ্যা হোৱা উচিত নহয়, লগতে সকলো প্ৰাচীন কথাৰ ব্যৱহাৰিক মূল্য নাই বুলিও সমাজে বুজিব লাগিব। ৰাজনৈতিক ক্ষমতাত থকা কিছুমান শক্তিয়ে কেনেকৈ অসমীয়া মানুহৰ ভাষা-সংস্কৃতি আনকি অসমৰ প্ৰকৃতিকো সৰ্বনাশ কৰিবলৈ কুণ্ঠাবোধ নকৰে সেই বিষয়ত ড° গোহাঁয়ে আলোকপাত কৰে। যুগোপযোগী জাতীয়তা ৰক্ষাৰ বাবে সদা জাগ্ৰত হৈ থাকিবলৈ তেওঁ নতুন প্ৰজন্মটোক আহ্বান জনায়। আলাপ অনুষ্ঠানত ৰাণী গোহাঁয়েও ভাগ লয়। উল্লেখযোগ্য যে ৰাণী গোহাঁই নৰ্থ লখিমপুৰ কলেজৰ প্ৰাক্তন ছাত্ৰী। তেওঁ প্ৰায় ছয় দশকৰ আগৰ লখিমপুৰৰ শিক্ষাজগতৰ বিষয়ে মত বিনিময় কৰে। ড° ৰাজখোৱাই লগতে অৱগত কৰে যে, অসমীয়া বিভাগৰ পাঠ্যক্ৰমত ২০১৪ চনৰপৰা ড° হীৰেন গোহাঁইৰ সাহিত্যিক অৱদানক অধ্যয়ন কৰাৰ লগতে তেওঁৰ প্ৰকৃতি সচেতনাযুক্ত কিছু মূল্যৱান ৰচনা অন্তৰ্ভূক্ত কৰা হৈছে। নৰ্থ লখিমপুৰ কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অতনু গগৈয়ে সম্প্ৰতি ভাৰতবৰ্ষত বুৰঞ্জী চৰ্চাৰ অবৈজ্ঞানিক ধাৰা সম্পৰ্কে ড° হীৰেন গোহাঁইৰ লগত মত বিনিময় কৰে। নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে ড° হীৰেন গোহাঁই আৰু ৰাণী গোহাঁইক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত নৰ্থ লখিমপুৰ কলেজৰ যথেষ্ট সংখ্যক অধ্যাপক-অধ্যাপিকা, গৱেষক, ছাত্ৰ-ছাত্ৰীৰ লগতে লখিমপুৰ বালিকা মহাবিদ্যালয়, লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয় আদিৰো ভালেসংখ্যক

অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। লগতে অধিবক্তা নিকুঞ্জ ফুকন, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া ৰমেশ চন্দ্ৰ চুতীয়া, সাংবাদিক ফাৰহানা আহমেদ, প্ৰিয়ম, ৰঞ্জিৎ কাকতী, কবি দিলীপ গগৈ আদি লখিমপুৰৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিয়েও এই আলাপ অনুষ্ঠানত ভাগ লয়। (তথ্য উৎস ঃ 'আমাৰ অসম', ২৯ নৱেম্বৰ, ২০২৩)

**(৭৬) 'অদাহ্য' চলচ্চিত্ৰ প্ৰদৰ্শন ঃ** ২০২৪ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া বিভাগত মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ আধাৰত নিৰ্মিত সান্ত্বনা বৰদলৈ পৰিচালিত 'অদাহ্য' চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এই চলচ্চিত্ৰখনৰ চিত্ৰনাট্য, সংলাপ, কাৰিকৰী দিশ, চিনেমেট'গ্ৰাফি আদি সামৰি অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক কিছু কথা অৱগত কৰে।

**(৭৭) আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস ঃ** ২০২৪ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু অসম সাহিত্য সভাৰ 'নৰ্থ লখিমপুৰ কলেজ শাখা' আৰু কলকাতাৰ চেইণ্ট প'লছ কেথেড্ৰেল মিছন কলেজৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস অনুষ্ঠিত হয়। সেই উপলক্ষ্যে 'অসম, অসমীয়া আৰু ৰাষ্ট্ৰ' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নৰ্থ লখিমপুৰ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° চুচেংফা গগৈ। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা লিলি চেলেঙে। অনুষ্ঠানটোত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই সাম্প্ৰতিক মাতৃভাষাৰ স্থিতি সম্পৰ্কত তেওঁৰ বক্তব্য দাঙি ধৰে। মাতৃভাষাৰ সংকট আৰু সম্ভাৱনা সম্পৰ্কে অসমীয়া বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু ড° ধীৰাজ পাটৰে দু-আষাৰ প্ৰকাশ কৰে। মাতৃভাষা দিৱস উপলক্ষ্যে আয়োজিত বক্তৃতানুষ্ঠানটিত অসমীয়া বিভাগৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে বক্তব্য প্ৰদান কৰে।

**(৭৮) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ঃ** ২০২৪ চনৰ ২৮ ফেব্ৰুৱাৰীত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস অনুষ্ঠিত কৰে। সেই উপলক্ষ্যে এক অনলাইন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান

নৰ্থ লখিমপুৰ কলেজৰ ৰূপালী জয়ন্তী অনুষ্ঠানত অধ্যক্ষ যোগানন্দ বৰগোহাঁই আৰু অমিত নাগ। ১৯৭৮।



কৰে অসমৰ বিশিষ্ট সাহিত্যিক তথা বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে। ড° গোস্বামীয়ে বিজ্ঞান শিক্ষাৰ প্ৰসাৰ আৰু বৈজ্ঞানিক মানসিকতা গঠনৰ বাবে শিক্ষানুষ্ঠানসমূহে ল'ব পৰা কাৰ্যকৰী ব্যৱস্থা সম্পৰ্কে কিছু কথা কয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই এই অনুষ্ঠানটো সঞ্চালনা কৰে।অনুষ্ঠানটোত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধনৰঞ্জন কলিতা, মুন্মী দত্ত আৰু ড° ধীৰাজ পাটৰেও বিজ্ঞান মানসিকতা গঠনৰ প্ৰচেষ্টা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে।

**(৭৯) ভোলানাথ বৰুৱাৰ মৃত্যু শতবৰ্ষ ঃ** ২০২৪ চনৰ ৩০ মে' তাৰিখে অসমীয়া বিভাগত ভোলানাথ বৰুৱাৰ মৃত্যু শতবৰ্ষ উপলক্ষ্যে এক অনুষ্ঠান সম্পন্ন হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত 'ভোলানাথ বৰুৱাৰ জীৱন আৰু কৰ্ম' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে বিভাগৰ গৱেষক শোভাকৃষ্ণ ফুকনে। ড° অৰবিন্দ ৰাজখোৱায়ো অসমৰ জাতীয় জীৱনত ভোলানাথ বৰুৱাৰ বহুমাত্ৰিক অৱদানৰ কথা সোঁৱৰি অনুষ্ঠানটোত বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, অধ্যাপিকা মুনমী দত্ত আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৮০) বিভাগীয় চ'ৰাৰ বাৰ্ষিক সভা ঃ** ২০২৪ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে অসমীয়া বিভাগে বিভাগীয় চ'ৰাৰ বাৰ্ষিক সভা অনুষ্ঠিত কৰে। বিভাগৰ স্নাতক মহলাৰ সম্পাদক ধৰিত্ৰী চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। এই সভাখনত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰা 'শান্তিদূত' নামৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতাই। তদুপৰি এই সভাতে স্নাতকোত্তৰ প্ৰথম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত প্ৰকাশিত 'কিশলয়' শীৰ্ষক মাহেকীয়া দেৱাল আলোচনীখন বিভাগৰ শিক্ষকসকলে উন্মোচন কৰে। এই অনুষ্ঠানতে বিভাগৰ শিক্ষকসকলে স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক এখন কিতাপ উপহাৰস্বৰূপে প্ৰদান কৰে। অনুষ্ঠানটোত ২০২৪-২৫ বৰ্ষৰ স্নাতক শাখাৰ শ্ৰেষ্ঠ নৱাগত পৰিস্মিতা চাংমাইক পুৰস্কৃত কৰা হয়। অনুষ্ঠানটোত বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা, অধ্যাপিকা মুন্মী দত্ত. অধ্যাপক ড° ধীৰাজ পাটৰ আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৮১) ভূপেন হাজৰিকাৰ জন্মদিন ঃ** ২০২৪ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে অসমীয়া বিভাগে ভূপেন হাজৰিকাৰ জন্মদিন উপলক্ষ্যে এক অনুষ্ঠান অনুষ্ঠিত কৰে। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ ছাত্ৰ দিব্যজ্যোতি শইকীয়াই। এই অনুষ্ঠানৰ সভাপতিৰ আসনত থাকে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা। ভূপেন হাজৰিকাৰ জীৱন, কৰ্ম আৰু সাধনা সম্পৰ্কে আলোকপাত কৰাৰ উদ্দেশ্যে অনুষ্ঠানটোত ড° সূৰ্যকান্ত হাজৰিকা পৰিচালিত 'বিহঙ্গম দৃষ্টিত ড° ভূপেন হাজৰিকা' শীৰ্ষক চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকলে অংশ লয়।

**(৮২) যোগেন তামুলী সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান ঃ** ২০২৪ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে যোগেন তামুলীৰ পৰিয়ালৰ সহযোগত আৰু অসমীয়া বিভাগৰ উদ্যোগত যোগেন তামুলী সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হয়। অধ্যাপক, সাহিত্যিক যোগেন তামুলীৰ জন্ম দিনটোত তেওঁৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই পৰিয়াল বৰ্গই এই অনুষ্ঠান আয়োজন কৰে। যোগেন তামুলীৰ কন্যা তথা অসমীয়া বিভাগৰ ছাত্ৰী আকাংক্ষা তামুলীয়ে আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে যোগেন তামুলীৰ ঘনিষ্ঠ বন্ধু তথা লোহিত ডিক্ৰুং উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰশান্ত বৰুৱা। যোগেন তামুলীৰ সোঁৱৰণত অনুষ্ঠিত কৰা কবিতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে— ডিম্পল হাজৰিকা (বি. বৰুৱা কলেজ), উজ্জ্বল বৰা (গুৱাহাটী বিশ্ববিদ্যালয়) আৰু পংকজ চক্ৰৱৰ্তী (ঢকুৱাখনা মহাবিদ্যালয়) আৰু নিম্ন শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে— শ্ৰুতিমালা বৰা (নাৰায়ণপুৰ), কুইন কৌশিক (ঘিলামৰা) আৰু কুলদ্বীপ বৰা (বিহপুৰীয়া)। এই কবিতা প্ৰতিযোগিতাত উচ্চ শাখাৰ বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ক্ৰমে— বিভাসজ্যোতি বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়), মানস হাজৰিকা (নৰ্থ লখিমপুৰ কলেজ) আৰু নিম্ন শাখাৰ দীপ্তা ৰাজৰ্ষি সন্দিকৈ (জিনিয়াছ একাডেমী) আৰু অব্যক্ত নিৰ্বাণ ৰাজখোৱাই এই বঁটা লাভ কৰে। এই অনুষ্ঠানত যোগেন তামুলীৰ পৰিয়ালবৰ্গৰ লগতে বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা, মুন্মী দত্ত, ড° ধীৰাজ পাটৰ আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৮৩) 'বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা' বিষয়ক আলোচনা সভা ঃ** ২০২৪ চনৰ ১৭ ছেপ্টেম্বৰ তাৰিখে অসমীয়া বিভাগত 'বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা' বিষয়ক এক আলোচনা অনুষ্ঠিত হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ ছাত্ৰ দিব্যজ্যোতি শইকীয়াই। এই অনুষ্ঠানত সভাপতিত্ব কৰে

অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। বিশ্বকৰ্মা পূজাৰ দিনটোত অনুষ্ঠিত এই সভাখনত বিজ্ঞান চিন্তা আৰু বৈজ্ঞানিক মানসিকতা সম্পৰ্কত বিভাগৰ কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে নিজা অনুভৱ ব্যক্ত কৰে। বিজ্ঞান মানসিকতা গঠনৰ বহুমুখী প্ৰচেষ্টা সম্পৰ্কত বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা আৰু ড° ধীৰাজ পাটৰেও বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত অসমীয়া বিভাগৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৮৪) 'কণিকাৰ ৰামধেনু' চলচ্চিত্ৰ প্ৰদৰ্শন ঃ** ২০২৪ চনৰ ২৩ অক্টোবৰ তাৰিখে অসমীয়া বিভাগত জাহ্নু বৰুৱা পৰিচালিত 'কণিকাৰ ৰামধেনু' চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এই চলচ্চিত্ৰখনৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সম্পৰ্কে অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক কিছু কথা অৱগত কৰে।

**(৮৫) নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাক স্বৰ্ণ শাখাৰ প্ৰমাণ পত্ৰ প্ৰদান অনুষ্ঠান ঃ** ২০২৪ চনৰ ২৯ অক্টোবৰ, তাৰিখে নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাৰ এটি অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। উল্লেখযোগ্য যে ২২ ছেপ্টেম্বৰ, ২০২৪ তাৰিখে অনুষ্ঠিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ষষ্ঠ পূৰ্ণাংগ অধিৱেশনৰ সিদ্ধান্ত মৰ্মে নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাই 'স্বৰ্ণদল শাখা সাহিত্য সভা'ৰ স্বীকৃতি লাভ কৰে। সেয়ে এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা উপস্থিত থাকি নৰ্থ লখিমপুৰ কলেজ শাখা সাহিত্য সভাক 'স্বৰ্ণদল শাখা সাহিত্য সভা'ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। এই সভাখনত লখিমপুৰ জিলা শাখা সাহিত্য সভাৰ সম্পাদক নৱ কমল বৰা, অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক ৰজনী কান্ত ডেকা, সাংগঠনিক সম্পাদক অপূৰ্ব ফুকন আৰু লখিমপুৰ জিলা শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক প্ৰশান্ত কুমাৰ মোদক উপস্থিত থাকে। অসমীয়া বিভাগৰ অধ্যাপিকা মুন্‌মী দত্ত, অধ্যাপক ড° ধীৰাজ পাটৰ আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠানটো সম্পন্ন হয়।

**(৮৬) পোনা দেৱী সোঁৱৰণী জননী বঁটা প্ৰদান অনুষ্ঠান ঃ** ২০২৪ চনৰ ২ নৱেম্বৰ তাৰিখে অসমীয়া বিভাগত চলিত বৰ্ষৰ 'পোনা দেৱী সোঁৱৰণী জননী বঁটা' প্ৰদান কৰা হয়। এই বৰ্ষৰ বঁটাটি লাভ কৰে ছাত্ৰী স্বপ্নালী শইকীয়াৰ মাতৃ লিলি শইকীয়াই। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই। অনুষ্ঠানটোত বঁটাৰ দাতা ধনদা দেৱী আৰু মুখ্য অতিথি তথা বিশিষ্ট সাহিত্যিক, কৃতি শিক্ষক ভৰত ৰাজখোৱাই বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানত বিভাগৰ অধ্যাপিকা মুন্‌মী দত্ত ৰাজখোৱা, অধ্যাপক ধীৰাজ পাটৰ আৰু গৱেষক, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**(৮৭) ভূপেন হাজৰিকাৰ মৃত্যুদিন ঃ** ২০২৪ চনৰ ৫ নৱেম্বৰ তাৰিখে অসমীয়া বিভাগে স্নাতকোত্তৰ বিভাগীয় চ'ৰাৰ উদ্যোগত ভূপেন হাজৰিকাৰ মৃত্যু তিথি উপলক্ষ্যে এক শ্ৰদ্ধা তৰ্পণ অনুষ্ঠান অনুষ্ঠিত কৰে। এই সভাখনৰ আঁত ধৰে বিভাগৰ স্নাতকোত্তৰ মহলাৰ বিভাগীয় সম্পাদক দিব্যজ্যোতি শইকীয়াই। অনুষ্ঠানটোৰ আৰম্ভণিতে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। এই অনুষ্ঠানত ড° ৰাজখোৱাই ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে এক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। এই শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠানটো বিভাগৰ অধ্যাপক ড° ধনৰঞ্জন কলিতা, ড° ধীৰাজ পাটৰ, অধ্যাপিকা মুনমী দত্ত ৰাজখোৱা তথা গৱেষক-গৱেষিকাসকলৰ সহযোগ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হয়।

**[১২] সাহিত্য আৰু চলচ্চিত্ৰ উৎসৱত যোগদান**

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সময়ত অসম তথা ভাৰতৰ আন ৰাজ্যত অনুষ্ঠিত হোৱা সাহিত্য উৎসৱ আৰু চলচ্চিত্ৰ উৎসৱত যোগদান কৰিছে। তলত তেনে কেইটামান অনুষ্ঠানৰ তথ্য দিয়া হ'ল—

১. **ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ২০১৮ ঃ** গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম চৰকাৰে ৯ - ১১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰা 'ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ২০১৮'ত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে অংশ লয়। দলটোৰ নেতৃত্ব লয় সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই।

২. **গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ উৎসৱ ২০১৮ ঃ** গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম চৰকাৰে ২৬ - ৩১ অক্টোবৰলৈ অনুষ্ঠিত কৰা দ্বিতীয় 'গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ উৎসৱত'ত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে অংশ লয়। দলটোৰ নেতৃত্ব লয় সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু অংশকালীন সহকাৰী অধ্যাপিকা মুন্‌মী দত্তই। দলটো শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আৰ্টিষ্ট ভিলেজত শিবিৰ পাতি আছিল।

৩. **অৰুণাচল প্ৰদেশ সাহিত্য উৎসৱ ২০১৮ ঃ** ইটানগৰৰ দৰ্জী খাণ্ডু কনভেনশ্বন হলত অৰুণাচল প্ৰদেশ লিটাৰেৰীৰ চ'ছাইটিয়ে ২৮ - ৩০ নৱেম্বৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা

'অৰুণাচল প্ৰদেশ সাহিত্য উৎসৱ'ত অসমীয়া বিভাগৰ প্ৰায় পঞ্চাশজনীয়া এটি দলে অংশ গ্ৰহণ কৰে। দলটোৰ নেতৃত্ব লয় ড° অৰবিন্দ ৰাজখোৱাই। সহযোগ কৰে লিলি চেলেং, হেমন্ত শৰ্মা আৰু ৰাতুল কুমাৰ লাহনে।

৪. **গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ উৎসৱ ২০১৯ ঃ** গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম চৰকাৰে প্ৰথমবাৰলৈ ২২ জানুৱাৰীৰপৰা ২৪ জানুৱাৰীলৈ অনুষ্ঠিত কৰা 'গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ উৎসৱত'ত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে অংশ লয়। দলটোৰ নেতৃত্ব লয় সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু অংশকালীন সহকাৰী অধ্যাপক ড° বিশ্ব হাজৰিকাই। দলটো শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আৰ্টিষ্ট ভিলেজত শিবিৰ পাতি আছিল।

৫. **ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ২০১৯ ঃ** গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম চৰকাৰে তৃতীয়বাৰলৈ ৯ - ১১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰা 'ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ'ত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে অংশ লয়। দলটোৰ নেতৃত্ব লয় সহযোগী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। সহযোগ কৰে ৰাতুল কুমাৰ লাহন, ড° বিশ্ব হাজৰিকা আৰু বিতু বড়াই। এই অনুষ্ঠানত ড° ৰাজখোৱাই কম্বোডিয়াৰ লেখিকা থিয়েৰী চেঙৰ সহযোগী লেখক হিচাপে অংশগ্ৰহণৰ সুযোগ লাভ কৰে। দলটো শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আৰ্টিষ্ট ভিলেজত শিবিৰ পাতি আছিল।

৬. **অৰুণাচল প্ৰদেশ সাহিত্য উৎসৱ ২০১৯ ঃ** ইটানগৰত ২৭-২৯ নৱেম্বৰলৈ অনুষ্ঠিত দ্বিতীয় 'অৰুণাচল প্ৰদেশ সাহিত্য উৎসৱ'ত অসমীয়া বিভাগৰ লগতে উচ্চতৰ মাধ্যমিকৰ প্ৰায় দুশজনীয়া এটি দলে অংশ গ্ৰহণ কৰে। ই আছিল এক আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান। দলটোৰ নেতৃতত্ব লয় ড° অৰবিন্দ ৰাজখোৱাই। সহযোগ কৰে ড° বৰ্ণালী বৰা, ৰাতুল কুমাৰ লাহন আৰু ড° বিশ্ব হাজৰিকাই।

৭. **ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱ ২০২৪ ঃ** ক'ভিডকালীন পৰিৱেশৰ পাছত অসমত প্ৰথমবাৰৰ বাবে ১৯ - ২১ মাৰ্চলৈ অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱত অসমীয়া বিভাগৰ প্ৰায় ১০০ জনীয়া এটি দলে অংশ লয়। দলটোৰ নেতৃত্ব লয় অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা আৰু অংশকালীন সহকাৰী অধ্যাপিকা মুনমী দত্তই। উল্লেখ্য যে দলটোৰ তিনিওটা দিনৰ বাবে বিশ্ববিদ্যালয় চৌহদত থকাৰ ব্যৱস্থা হৈছিল।

### [১৩] শৈক্ষিক বুজাবুজিৰ চুক্তি

নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ লগত বুজাবুজিৰ চুক্তি সম্পাদন কৰিছে আৰু তাৰ আলমত যথেষ্ট কামো সম্পন্ন কৰিছে। তেনে প্ৰতিষ্ঠানসমূহ হ'ল—

১. **ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ ঃ** ২০১৯ চনত কলকাতাৰ ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ লগত শৈক্ষিক আৰু গৱেষণামূলক কামৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। উক্ত চুক্তিৰ পাছত দুয়ো পক্ষই গ্ৰন্থৰ প্ৰকাশ তথা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰকে ধৰি ভালেসংখ্যক কাম যুটীয়াকৈ সম্পন্ন কৰিছে।



২. **নেচাৰ্চ বেকন ঃ** অসমৰ প্ৰকৃতি সংৰক্ষণৰ অন্যতম এন. জি. অ'. নেচাৰ্চ বেকনৰ লগত ২০২১ চনত অসমীয়া বিভাগৰ এক বুজাবুজিৰ চুক্তি সম্পাদিত হয়। উক্ত চুক্তিৰ পাছত দুয়ো পক্ষই ভালেসংখ্যক কাম যুটীয়াকৈ সম্পন্ন কৰিছে।

৩. **অসমতত্ত্ব গৱেষণা সংস্থা ঃ** অসম সাহিত্য সভাৰ ড° মহেশ্বৰ নেওগ অসম তত্ত্ব গৱেষণা সংস্থাৰ লগত ২০২১ চনত অসমীয়া বিভাগৰ এক বুজাবুজিৰ চুক্তি সম্পাদিত হয়। উক্ত চুক্তিৰ পাছত দুয়ো পক্ষই ৰাষ্ট্ৰীয় আলোচনা-চক্ৰকে ধৰি ভালেসংখ্যক কাম যুটীয়াকৈ সম্পন্ন কৰিছে।

৪. **অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয় ঃ** ২০২৪ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ এক বুজাবুজিৰ চুক্তি সম্পাদিত হয়। দুয়োটা অনুষ্ঠানে এই চুক্তিৰ আধাৰত মহাবিদ্যালয়ৰ ইতিহাস সন্ধানী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত শৈক্ষিক, বৌদ্ধিক বিভিন্ন কাম সম্পাদন কৰাৰ পৰিকল্পনা কৰে।

### [১৪] অসমীয়া গ্ৰন্থ-আলোচনীৰ ডিজিটাইজিং প্ৰকল্প ঃ

অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিগত তিনি বছৰ ধৰি দুষ্প্ৰাপ্য অসমীয়া গ্ৰন্থ-আলোচনী ডিজিটাইজিঙৰ কাম কৰি আহিছে। তাৰ ফচল হ'ল এনেধৰণৰ—

১. অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুল শইকীয়াৰ নেতৃত্বত আৰম্ভ হোৱা ডিজিটাইজেশ্বন প্ৰকল্পলৈ অসমীয়া বিভাগে প্ৰায় ৪০০ খন ডিজি টাইজড গ্ৰন্থ-আলোচনী আগবঢ়ায়।

অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ উদ্যোগত অসম সাহিত্য সভাৰ 'ডিজিটেল আৰ্কাইভ'লৈ এইসমূহ প্ৰেৰণ কৰা হয়।

২. ২০২৪ চনৰ ২৬ জানুৱাৰী তাৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে নন্দ তালুকদাৰ ফাউণ্ডেশ্বন আৰু অসম জাতীয় বিদ্যালয়ৰ যৌথ উদ্যোগত আৰম্ভ হোৱা 'ডিজিটাইজিং অসম' প্ৰকল্পলৈ প্ৰায় ৫০,০০০ পৃষ্ঠাৰ সমল আগবঢ়ায়। গুৱাহাটীৰ ইণ্ডিয়া ক্লাবত অনুষ্ঠিত এক সভাত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই এই সমল অৰ্পণ কৰে। এইসমূহ ৮৪০ খন 'প্ৰান্তিক' আলোচনীৰ ডিজিটাইজড ৰূপ। ১৯৮২ চনৰপৰা প্ৰকাশিত 'প্ৰান্তিক' আলোচনীৰ উক্ত কপিসমূহ ডিজিটাইজড কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে। এই অনুষ্ঠানত অসমীয়া বিভাগৰ হৈ অংশ গ্ৰহণ কৰে ড° ৰাজখোৱাৰ লগতে বিভাগৰ সহকাৰী অধ্যাপিকা মুন্মী দত্ত আৰু প্ৰাক্তন ছাত্ৰ ভাস্কৰ ভূঞাই। অনুষ্ঠানটো পৰিচালনা কৰে 'প্ৰতিদিন টাইম'ৰ কাৰ্যবাহী সম্পাদক শোণিত কুমাৰ ভূঞাই। উপস্থিত থকা কেইগৰাকীমান বিশিষ্ট ব্যক্তি হ'ল— ডাঃ নাৰায়ণ শৰ্মা, ড° সূৰ্য্যকান্ত হাজৰিকা, ড° দিলীপ কলিতা, ময়ূৰ বৰা, অদীপ কুমাৰ ফুকন, মৃণাল তালুকদাৰ আদি।

## ৪.০৪ ইংৰাজী বিভাগ

নৰ্থ লখিমপুৰ কলেজৰ এটা অন্যতম পুৰণি বিভাগ ইংৰাজী বিভাগ। ১৯৫২ চনত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বছৰেই এই বিভাগটো আৰম্ভ কৰা হয়। সেইসময়ৰ শৈক্ষিক বিধি অনুসৰি অসমৰ মহাবিদ্যালয়সমূহত ইংৰাজী আৰু অসমীয়া বিষয় থকাটো বাঞ্চনীয় আছিল। সেই গতিকে কলেজ প্ৰতিষ্ঠাৰ সময়তে মহাবিদ্যালয়খনত ইংৰাজী বিভাগটো আৰম্ভ কৰা হয়। প্ৰতিষ্ঠাৰ সময়ত মহাবিদ্যালয়খন ইণ্টাৰমেডিয়েট আৰ্টছ্ কলেজ হিচাপে প্ৰতিষ্ঠা হৈছিল। ইংৰাজী বিভাগৰ পাঠ্যক্ৰমো ইণ্টাৰমেডিয়েট শ্ৰেণীতে সীমাবদ্ধ আছিল। মহাবিদ্যালয়ত বিভাগটো আৰম্ভ কৰাৰ পিছত আগষ্ট মাহলৈ ইংৰাজী বিষয়ৰ অবৈতনিক শিক্ষক হিচাপে যোগদান কৰে চিয়াজুল হক বৰুৱাই। বৰুৱাই মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰথমজন অধ্যাপক। তেওঁ প্ৰায় দুবছৰ ধৰি মহাবিদ্যালয়খনত ইংৰাজী বিষয়ৰ পাঠদান কৰে। কিন্তু বিষয়টো পাঠদানৰ বাবে এজন শিক্ষকেই পৰ্যাপ্ত নোহোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষই আলোচনা কৰি আৰু এজন শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে। সিদ্ধান্ত অনুসৰি ১৯৫৩ চনৰ অক্টোবৰ মাহত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে বি. কে. সাহাই। মহাবিদ্যালয়ে সাহাক সেইসময়ত ২৫০ টকা মাহিলী বেতন দিয়ে। অৱশ্যে চিয়াজুল হক বৰুৱা আৰু বি. কে. সাহা দুয়োজনে কিছুদিন অধ্যাপনা কৰি বিভাগৰপৰা অব্যাহতি লয়। পৰৱৰ্তী সময়ত বিভাগত যোগদান কৰা অবৈতনিক শিক্ষকসকল হ'ল— এ. এন. ভট্টাচায্য, এ. বি. ৰাও, কে. এম. পাণিকৰ আদি।

১৯৫৯ চনত নৰ্থ লখিমপুৰ কলেজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আংশিক অনুমোদন লাভ কৰে। সেইবছৰেই নৰ্থ লখিমপুৰ কলেজৰ কলা শাখাত স্নাতক শ্ৰেণী আৰম্ভ কৰা হয়। ইংৰাজী বিভাগটো স্নাতক পৰ্যায়ৰ বিভাগলৈ উন্নীত হয়। সেইবছৰৰপৰাই স্নাতক শাখাত 'সাধাৰণ বিষয়' হিচাপে ইংৰাজী বিষয়ৰ পাঠদান আৰম্ভ হয়। পৰৱৰ্তী ১৯৬৬ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত মহাবিদ্যালয়ে অনুমোদন লাভ কৰে। সেইবছৰেই মহাবিদ্যালয়ৰ ইংৰাজী বিভাগত অনাৰ্চ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হয়। অনাৰ্চ পাঠ্যক্ৰম আৰম্ভ হোৱাৰ পিছত ইংৰাজী বিভাগত কেইবাজনো শিক্ষকে যোগদান কৰে।

২০২১ চনত ইংৰাজী বিভাগৰ শিক্ষকসকলৰ প্ৰচেষ্টাত সম্পূৰ্ণ নিজৰ পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰে বিভাগটোৰে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰে। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ উৎসাহ আৰু সহযোগিতা উল্লেখনীয়। পৰৱৰ্তী ২০২৩ চনত বিভাগটোৰে পিএইচ. ডি. পাঠ্যক্ৰম আৰম্ভ কৰে।

**বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল ঃ** ইংৰাজী বিভাগত অধ্যাপনা কৰা প্ৰাক্তন আৰু বৰ্তমানৰ অধ্যাপক-অধ্যাপিকাসকল হ'ল—

১. চিয়াজুল হক বৰুৱা, ১৯৫২ - ১৯৫৪
২. বি. কে. সাহা, ১৯৫৪ - ১৯৫৫
৩. এ. এন. ভট্টাচায্য, ১৯৫৬ - ১৯৫৭
৪. এ. বি. ৰাও, ১৯৫৭ - ১৯৫৮
৫. কে. এম. পাণিকৰ, ১৯৫৯ - ১৯৬২
৬. খগেন চেতিয়া, ১৯৬১ - ১৯৬২
৭. কৃষ্ণ কমল সিন্হা, ১৯৬২ - ১৯৬৩
৮. অনিল কুমাৰ, ১৯৬২ - ১৯৬৬
৯. সত্যেন্দ্ৰ নাথ ঝা, ১৯৬২ - ১৯৮৯
১০. এন্ বৰগোহাঁই, ১৯৬৩ - ১৯৬৪
১১. ড° সুৰেশ সিং, ১৯৬৩ - ২০০৪
১২. নিৰুপমা বৰগোহাঞি, ১৯৬৩ - ১৯৬৪
১৩. ড° কাশী কুমাৰ কৰণ, ১৯৬৬ - ২০০১